অসমীয়া

অদ্ভুত ৰামায়ণ।

৺ৰঘুনাথ দাস মহন্তৰ দ্বাৰা
বিৰচিত।

প্ৰকাশক
ভট্টাচাৰ্য্য এজেন্সী।
কলিকাতা

চতুৰ্থ সংস্কৰণ

১৯১০

আসাম বিহাবাৰী গৌৰী শঙ্কৰ যন্ত্ৰত
শ্ৰী ... ঈশ্বৰ চন্দ্ৰ ... দ্বাৰা ছপা হৈল

বেছ ।৷০ আঠ অনা মাথোন

শ্রীশ্রীরামচন্দ্রায় নমঃ।

অদ্ভুত রামায়ণ।

শ্রীরামচন্দ্র ভুবিবিশ্রান্ত কীর্ত্তিচন্দ্র।
স্মেরাস্যচন্দ্র রজনীচর পদ্মচন্দ্র॥
আনন্দচন্দ্র রঘুবংশ সমুদ্রচন্দ্র।
সীতামনঃ কুমুদচন্দ্র নমোনমস্তে।

জয় জয় রাম প্রভু অনাদি অনন্ত।
চিদানন্দ গোবিন্দ পরমানন্দ সন্ত।
অনন্ত চরিত্র নমো অনন্ত বিক্রম।
অনন্ত বিভুতি ধর ধীর সর্ব্বোত্তম॥ ১॥

অনন্তে সহস্র মুখে যাৰ গুণ গায়।
স্বয়ম্ভূ প্রধান যোগী যাহাৰ কৃপায়॥
যাৰ আদি অন্ত নাহি গুণ মহিমাৰ।
হেন ৰামপদে কৰোঁ কোটি নমস্কাৰ॥ ২॥
তাহান চৰিত্র কিছু বৰ্ণাইবাক চাওঁ।
যদি তান চৰণৰ অনুগ্রহ পাওঁ॥
সৰস্বতী মাতা মোৰ হুয়ো কণ্ঠে চৰি।
বিশেষ ৰচনা কৰাযোক কৃপা কৰি॥ ৩
শুনা সভাসদ ৰাম চৰিত্র বিচিত্র।
আপোনাক তাৰি কৰা কুলকো পবিত্র॥
নাগপুৰে যাইয়া হনুমন্ত মহাবীৰে।
সীতাক দেখিলা যেন ৰত্নৰ মন্দিৰে। ৪
নাগগণ সমে কৰি বিষম সমৰ
সীতাক ভেটাইলা আনি চৰণে ৰামৰ॥
ইসব কাহিনী যত অদ্ভুত কাণ্ডৰ।
শুনা [illegible] নিৰন্তৰ। ৫
পতিপুত্র ছাড়ি সীতা পাতালে পশিলা।
নাগকন্যা [illegible] নানা মঙ্গল কৰিলা॥
অ[illegible] চানি।
ভৈল পু[illegible] জানকী গোঁসানী। ৬

নানা বলি বিধানে পূজয় ভক্তিভাৱে ।
অপসৰা নাচয় গন্ধৰ্ব্বে গীত গাৱে ॥
যদ্যপি উপাসে নানা ভাৱে নাগগণে ।
তথাপি সন্তোষ কিছু নাহি তান মনে ॥ ৭
ৰামৰ সৌহৃদ ভাব সুমৰি সুমৰি।
দুই নয়নৰ জল পড়ে সৰসৰি ॥
তেজে দীৰ্ঘ নিশ্বাস নোলাই মুখে বাণী ।
প্ৰবোধন্ত ঘনে ঘনে পৃথিবী গোসাঁনী ॥ ৮
সুমৰিয়া সিতো লব কুশ সুত দুই ।
হুম হুমি কান্দে কতো অধোমুখী হুই ॥
নাহি সুখ শান্তি চিত্ত কৰে উতপাত ।
ঘনে উঠে বৈসে কতো পৰে চাত চাত ॥ ৯
ধৈৰ্য্য ধৰি থাকা কতো চিত্তক স্তম্ভাই ।
স্বামী পুত্ৰ সুমৰিয়া কতো মূৰ্চ্চা যাই ॥
ধ্যান কৰি থাকা কতো ৰামৰ আকাৰ ।
আলিঙ্গিয়া থাকা কতো কৰি তদাকাৰ ॥ ১০
হেন মতে ৰামৰ চৰণ যুগ চিন্তি ।
মহাশান্তি সুচৰিতা আছন্ত তহিতি ॥
সীতা বিনে ৰামৰো নুগুছে হৃদি খেদ ।
নাহি অন্নপানী লোতকৰ নাই ছেদ ॥ ১১

লবক কুশক দেখি অগনি উধাই ।
প্ৰবোধন্ত শক্ৰঘ্ন ভৰত লখাই ॥
শুনা শুনা দদা আৰ খেদ নুজুৰাই
আৰ কি কৰিলে খেদ জানকীক পাই ॥ ১২
যাৰ যিবা হৈছে সিতো অৱশ্য হোৱয় ।
তাক খণ্ডাইবাক জানা কেহো নপাৰয় ॥
সাক্ষাতে দেখিলা মহা বীৰ লঙ্কেশ্বৰ ।
হৰহেন [illegible] জিনিলেক দেৱাসুৰ নৰ ॥ ১৩
কতোকালে দৈৱে তাৰ দুৰ্গতি ঠেকাইল ॥
শুপনখা [illegible] কাৰ [illegible] পাইলে ॥
মাৰীচ [illegible] সুশুনিলা তাক ।
দুৰ্ব্বুদ্ধি [illegible] তোমাৰ ভাইয়াক ॥ ১৪
ত্ৰিজটা নিকেষ মাল্যবন্ত বিভীষণ ।
[illegible] হিতপৰ বুলিল বচন ॥
সুশুনিলা তাক আৰু দুৰ্ব্বাক্য বুলিল ।
তোমাৰ শৰত পড়ি সবংশে মৰিল ॥ ১৫
ঈশ্বৰ পুৰুষ তুমি জানে সৰ্ব্বজনে ।
[illegible] কাৰণে ॥
মায়া মৃগ বুলি [illegible] বাধিলে তোমাক ।
তথাপিতো গৈলা তুমি সুশুনিয়া তাক ॥ ১৬

নানা ৰূপে বাধিলেক তাৰা পটেশ্বৰী।
বাধাক নগণি বালী ৰাজা গৈল মৰি॥
নির্দ্দোষী সীতাক দেৱসবে জানে ভালে।
দুৰ্জ্জনৰ বোলত তেজিলা তত্‌কালে॥ ১৭
আমাসাৰ বাক্য নুশুনিলা কিছুমান।
আৰে খেদ কৰা তুমি কিসৰ নিদান॥
জানকীক দিলা তুমি সত্ত অপমান
তাক সাহিবাক পাৰে কাহাৰ পৰাণ॥ ১৮
লোকতো দেখছে কতো কতো নাৰীচয়।
স্বামীতেসে অপমানে প্ৰাণকো তেজয়॥
যিতো নাৰী সদা অপমান পায় ছয়।
সিসে জানা অপমান সহিবে পাৰয়॥ ১৯
মানিনী নাৰীএ অপমান নসহয়।
প্ৰতিকাৰ নাহি যেবে প্ৰাণক তেজয়॥
মানিনীতো মানিনী জানকী শাস্ত্ৰীসতী।
সপনে সচিতে তোমাতেসে মাত্ৰ ৰতি॥ ২০
তেনয় সীতাক চাইলা তেজিতে লঙ্কাত।
উত্তৰিল অগনিত জগতে প্ৰখ্যাত॥
ব্ৰহ্মাদি দেৱৰ বাক্যে প্ৰত্যয় নগৈলা।
দুষ্টৰ বাক্যক মাত্ৰ সাৰ কৰি লৈলা॥ ২১

এৰাইতে নপাৰি পিতৃবাক্যে সম্বৰিলা
দুৰ্জ্জনৰ বোলে পুনু তথাপি ছাড়িলা ॥
কোন স্থানে হেন কৰ্ম্ম কৰে কোন জনে ।
গৰ্ভৱতী স্ত্ৰীক মৰিবাক এড়ে বনে । ২২
মহাসতী হেতু কিছু প্ৰমাদ নভৈল ।
পুত্ৰ দুইৰ অৰ্থে ঋষি আশ্ৰমত ৰৈল ।
আক্ৰোশ কৰিয়া আনি পৰীক্ষিতে চাইলা ।
আছোক লভিবা সীতা নামকো লুকাইলা । ২৩
এতেকে জানিবা দদা দৈব মহা বল ।
জানকী দেবীক লাগি ছাড়িয়ো বিকল ।
বুদ্ধিমন্ত মহন্ত পণ্ডিত কিছু নয় ।
যি কৰিবে ঈশ্বৰে সেহিসে সত্য হয় । ২৪
হেনজানি দদা তেজিয়োক সবে ৰোষ
অসাৰ সংসাৰ জানি হুয়োক সন্তোষ ।
প্ৰবোধ শুনিয়া প্ৰভু কিছু শান্ত ভৈলা ।
হেন কষ্টে শ্ৰীৰামৰ কত কাল গৈলা । ২৫
ৰাম বিনে সীতাৰ নযায় নুপুহাই ।
আচন্ত সদায় স্বামী পুত্ৰক ধীয়াই ।
উগুল থুগুল মন কিছু সুস্থ নাই ।
নাগৰাজ বাৰকাৰ অনাইল মতাই ॥ ২৬

দণ্ডৱতে নাগৰাজে বুলিলন্ত বাক।
কোনবা আদেশ মাতা হোৱয় আমাক॥
সীতাদেবী বোলন্ত শুনিয়ো নাগৰায়
পুত্র দুইক আনা ছগে অযোধ্যাক যায়॥ ২৭
পুত্ৰৰ বিৰহে ৰাম যেন নমৰয়।
তেমন্তে আনিবা গৈয় ভুজঙ্গ মহাশয়॥
কতিপয় দিনানে পুত্র দুইক চাই।
ৰাঘবৰ পাশে পুনু দিবা গৈয়া পঠাই॥ ২৮
শুনি নাগৰাজ চলি গেলা মায়া কৰি
তেতিক্ষণে পাইলা যায় অযোধ্যা নগৰী॥
পুত্র ভ্রাতৃগণে ৰাম সভাত বসিত
ইন্দ্র যেন বসি থাকে দেৱগণ মাঝত॥ ২৯
লব কুশ ভৰত লক্ষ্মণ শত্ৰুঘ্ন।
চোপাশে উপাসি আছে পাত্র মন্ত্রিগণ॥
বিভীষণ কপিৰাজ নীল হনুমন্ত
অঙ্গদাদি কৰি যুবৰাজ অপৰ্য্যন্ত॥ ৩০
জল সাগৰৰ মাঝে কাঞ্চন ভূমিত।
ৰৌদ্ৰবাহু নামে ৰাজা জগতে বিদিত॥
পঞ্চলক্ষ নৰপতি সমে সেৱা কৰে।
যাৰ নাম শুনি দেৱাসুৰৰ কাম্পে ডৰে॥ ৩১

পুষ্কৰ দ্বীপৰ পতি বীৰসেন নাম।
বলে বীর্য্যে ধৈর্য্যে যাৰ নাহিকে উপাম।
সার্দ্ধে পঞ্চলক্ষ ৰজা লগত কৰিয়া।
মহাৰঙ্গে ৰাঘৱক আছন্ত সেৱিয়া। ৩২
শাকদ্বীপ পতি সিংহানন নাম যাৰ।
পঞ্চলক্ষ নৃপতিৰ তেঁহে অধিকাৰ।
শ্রীৰামক সেৱা কৰি সদায়ে থাকয়।
যাক মাৰুতিয়ে সখি বুলিয়া আছয়। ৩৩।
ক্রৌঞ্চদ্বীপ পতি সর্ব্বজয় নৰপতি।
জাতিত ঋষভ কৰে কৃষ্ণত ভকতি।
হাঙ্কাৰতে যাবে নৃপতিৰ মান লয়।
তিনি লক্ষ ৰাজা সমে ৰামক সেৱয়। ৩৪
কুশদ্বীপ পতি চণ্ড শাসন ভূপতি।
জাতিত কোবিদ তেহে মহা শুদ্ধমতি।
সার্দ্ধে পঞ্চ লক্ষ নৰপতি সমে আসি।
শ্রীৰামৰ পাদ পদ্ম আছন্ত উপাসি। ৩৫
শাল্মলি দ্বীপৰ পতি যজ্ঞসেন নাম।
বীর্য্যধৰ জাতি গুণে নাহিকে উপাম।
তিনি লক্ষ ৰাজা সমে মহা বলৱন্ত।
ভক্তি ভাৱে শ্রীৰামৰ চৰণ সেৱন্ত। ৩৬

প্লক্ষ দ্বীপ পতি, পুৰঞ্জয় মহীপাল।
জানকীৰ স্বয়ম্বৰে ৰাম ভৈল কাল॥
তান পুত্ৰ সৰ্ব্বজং জাৎক পতঙ্গ।
দুইলক্ষ ৰাজা সে বেৰে ৰাম সঙ্গ ৩৭
জম্বুদ্বীপ নিবাসি পৰ্ব্বতে ান যাৰ।
মহা ম্লেচ্ছ ৰাজা সব চৌৰাশি হাজাৰ॥
চন্দ্ৰকেতু কুমুদাক্ষ শুভদন্ত ৰণ্ড।
প্ৰবল লুক মথ হুৰ্মুখ উদণ্ড। ৩৮॥
প্ৰমত্ত উন্মত্ত মত্ত গয় সৰ্ব্বিচ ৰী
নাগং শ আদি উপদ্বীপ অধিকাৰী॥
হেন ৰাজা দেঢ় আছে নৰপতি হাজাৰ।
সাত স দ্ৰৰ মাঝে বৰ্ণিত যাহাৰ॥ ৩৯
বনচৰ ৰাজা বেৰাঠি লক্ষগান।
বিকৃতি বিভৎস যাক দেখি হৰে প্ৰাণ॥
উত্তম ৰাজন্য ৰাজা নবলক্ষ মান।
ৰামক উপাসি আছে ধৰিয়া ধ্যান। ৪০
সবে মিলি যত ৰাজা লেখা দেখ তাৰ
উত্তম মধ্যম ৰূপে কৰিয়া বিচাৰণ
চাৰিবিধিক ত্ৰিংশ লক্ষ মধ্য নৰপতি
জাতিত ৰাজন্যকৰে ৰামত ভকতি॥৪১

মধ্যম নৃপতি সেবে নবতি হাজাৰ।
বলে বীৰ্য্যে ধৈৰ্য্যে সবে যুদ্ধে অনিৰ্ব্বাৰ।
একষষ্ঠি লক্ষ ম্লেচ্ছ ৰাজা চৌসত্তৰি।
হাজাৰ অধিক আছে বাহিৰে আবৰি ॥৪২
ৰাক্ষসেন্দ্ৰ কপীন্দ্ৰত কৰি জানাবাঝ
এত ৰাজ সব আছে ৰামৰ সমাজ।
ৰামৰ দক্ষিণে সেবে সুগ্ৰীব ভূপতি।
বামপাশে সেবে বিভীষণ মহামতি ॥৪৩
অগ্ৰ ভাগে ৰৌদ্ৰবাহু আদি নৰপতি।
পৃষ্ঠভাগে সেবে যত ম্লেচ্ছৰ নৃপতি।
সম্মুখত জানু পাৰি বসি তিনি বীৰ।
আছে নীল অঙ্গদ মাৰুতি মহাধীৰ ॥৪৪
সভাৰ প্ৰকাশে নাজ্যানিয়া ৰাত্ৰি দিন
মধ্যাহ্নৰ ৰবিৰ তেজকো কৰে হীন।
ব্ৰহ্মাণ্ডৰ মধ্যত উপমা নাহি যাৰ।
বাসত্তৰি যোজনৰ বহল বিস্তাৰ ॥৪৫
ৰৌদ্ৰবাহু বীৰ যেন সিংহানন ৰাই।
সৰ্ব্বজয় কুশেন্দ্ৰ যাহাক সম নাই ॥
যম্ভনেন সৰ্ব্বজিত সুগ্ৰীব ভূপতি
বিভীষণ সমে নৱ গোটা মহীপতি ॥৪৬

ৰাঘবক সেবা কৰে সমীপে থাকিয়া।
সবাৰো কুশল পথ বিচাৰ কৰিয়া॥
বিভুৰত থাকি সেবে আনো ৰাজাচয়।
সবাকে লাগিয়া প্ৰভু যি বোল বোলয॥৪৭
পত্ৰ কৰি মাৰুতিৰ হাতত দিয়ন্ত।
লাঙ্গুল নঢ়ায়া কপিবৰে দেখাৱন্ত॥
ৰাঘবৰ আজ্ঞাকেসে সমস্তে জানয়
যাক যিবা আজ্ঞা হয় তাক আচৰয়॥৪৮
মাৰুতি অঙ্গদ নীল তিনি মহামতি।
চাহিল মাত্ৰকে জানে ৰাঘবৰ মতি॥
ৰাঘবৰ ইঙ্গিততে মনে আচৰয়।
আনজনে তাক বুজিবাক নপাৰয়॥৪৯
সভা দেখি বাসুকিৰকম্পিত হৃদয়।
মনে মনে সৰ্পৰাজে পৰামৰিশয়॥
মায়াৰ ঈশ্বৰ ৰাম ত্ৰিভুবন পতি।
কিমতে কুমৰ হৰি নিবোহোঁ সম্প্ৰতি॥৫০
ৰামৰ সমীপে বসিআছে দুই ভাই।
নিকট চাপিবে লাগি মোৰ শক্তি নাই॥
যদিবা হৰন্তে জানে তিনি কপিবৰে
ইতিনি লোকত মোক কোনে ৰক্ষা কৰে॥৫১

িচাৰি নেদেখো তাক জানিলোঁ নিশ্চয়।
ইতো কথা গোসাঁনীত কহিবে লাগয়॥
এহি চিন্তি সর্পৰাজ ত্বৰিত গমন।
বিদ্যা বিলাসিনী পুৰে ভৈলা উপসন্ন॥৫২
কৃতাঞ্জলি গোসাঁনীক নমস্কাৰ কৰি।
অধোমুখে মনোদুঃখে বুলিলা সাদৰি॥
সর্পৰাজ বদতি শুনিয়ো কথা আই।
ৰাম সঙ্গে নিৰাময়ে আছে দুই ভাই॥৫৩
সবাৰে কুশল কিছু নাহিকে দুর্গতি।
যাতো প্রভু ৰাম আছা ত্রিভুবন পতি॥
কুমৰ হৰিতে শক্তি নভৈল আমাৰ।
সভা দেখি মোহোৰ লাগিল চমৎকাৰ ৫৪
স্বায়ম্ভুব আদি এই সপ্ত মন্বন্তৰ।
হেনসভা নতু দেখোঁ ব্রহ্মাণ্ড ভিতৰ॥
কুমৰৰ কাছে বসি আছে তিনিবীৰ।
তাক সুমৰিয়া এভো চিত্ত নোহে স্থিৰ॥৫৫
হনুমন্ত বালীপুত্র নীল মহাশয়।
ৰৌদ্ৰবাহু আদি মহা মহাৰাজাচয়॥
তাসম্বাক অনাদৰি কোন বীৰবৰ।
কুমৰ হৰিতে পাৰে শকতি যাপৰ॥৫৬

সবাতে অধিক বীৰ পবন তনয়।
বলে পৰাক্ৰমে যা'ক কেহো সম নয়।
ৰাম ৰাৱণৰ যুদ্ধ যৈসানি লঙ্কাত।
তাহান বিক্ৰম দেখি আছোহোঁ সাক্ষাত ॥৫৩
কুম্ভ নিকুম্ভ ৰাৱণৰ ইন্দ্ৰজিত।
কুম্ভকৰ্ণ বাণাদি জগতে বিদিত॥
তিনিও যে জগত যাৰ আগে তৃণবত।
সূৰ্য্যপুত্ৰ যমকো যে নগনে মনত ॥৫৮
হেন বীৰসবে যাৰ আগে ভুয়া থিৰ।
আছোক যুঝিবে তাঙ্ক দেখি উড়ে জীৱ॥
ক্ৰোধ কৰি মহা বীৰ কপি যেবে চায়।
চক্ষুমুদি ৰহোঁ আমি মেঘত লুকাই ॥৫৯
অনেক প্ৰকাৰে মনে বিচাৰিয়া চাইলোঁ।
কুমৰ হৰিতে মই সাহস নপাইলো॥
মায়াবন্ত কপি নানা মায়াক জানয়।
তাক বঞ্চিবাক কাৰ শকতি আছয় ॥৬০
তব চৰণৰ আৰে অনুগ্ৰহ চাঁও।
মাৰুতিতোধিক যেবে মায়া বল পাঁও॥
তেবেসে পাৰিবো জানো কুমাৰ হৰিবে
আপোনে শক্তিয়ে; নহে জনে নপাৰিবে ॥৬১

মাৰুতিৰ সম আৰ গোটেক আছয় ।
ৰৌদ্ৰবাহু নামে ৰাজা পৰম দুৰ্জ্জয় ।
ৰামৰ পৰম প্ৰিয় সুগ্ৰীৱৰ মিতা।
তহাক সুমৰি মাতা মনে ৰৰচিন্তা ॥ ৬২
কালান্তক বীৰ সমে পূৰ্ব্বে যুদ্ধ কৰি
তিনিগুৰু ভঙ্গাইল আন কোন তাঙ্ক সৰি ।
দেবাসুৰ সবাকে দেখিলো ৰাম কাঁষে ।
সভাসদ হুয়া কোনো কাৰ্য্যে আসি আছে ।৬৩
পশু পক্ষীগণো গোচৰয় পাইয়া খেদ
ন্যায় বিচাৰত তাৰো দেন্ত পৰিছেদ।
কি কহিবো শ্ৰীৰামৰ সভা ভয়ঙ্কৰ ।
এখনো সুমৰি হিয়া কাম্পে কলেৱৰ । ৬৪
যি বৰ সাধিছোঁ মাৱ তাকে মাত্ৰ দিয়া ।
তেবে কুমাৰক মই দেখাইবো আনিয়া ।
অন্যথা কুমৰ দেখাইবে নপাৰিবো ।
নতুবা কুমৰ হৰি পৰাণে মৰিবো ।৬৫
শুনা সভাসদ ৰামায়ণ পদ সাৰ ।
আপনিয়ো তৰি কৰা কুলক উদ্ধাৰ ।
সৰ্ব্ব ধৰ্ম্ম শিৰোমণি ৰাম গুণ নাম।
কহে ৰঘুনাথে ডাকি বোলা ৰাম ৰাম। ৬৬। * ।

দুলড়ি ॥ * ॥

জানকী বদতি, নাগ মহামতি,
যি বুলিলা সত্য হয়।
যত কপিচয়, মোহোৰ তনয়,
জানবি তাক নিশ্চয়।
পবন তনয়, সবাতে দুৰ্জ্জয়,
ৰামৰ সেবক বড়া।
লবত কুশত কৰি অবিৰত,
তাত মোৰ দয়া চড়া। ৬৭
প্ৰাকৃতিত চাৰ, শক্তি বাঞ্ছা কৰ,
আছে কত তপ কৰি।
সুমেৰু গিৰিতে, পঙ্গুৱা উঠিতে,
খোজে যেন হৰি হৰি।
অসীম শকতি, হৈবাক সম্প্ৰতি,
নপাৰয় কোন জন।
সাধন বিলাই, সাধ্যক নপাই,
জানিবি নিষ্ঠা বচন। ৬৮

তপ জপ যাগ, যোগ ভাগে ভাগ,
যিসবে আছে আচৰি।
তাৰ ফলপুন্ন, ভুঞ্জে ধৰি তনু,
কহিলোঁ নিশ্চয় কৰি।
ধনৱন্ত ঠাই স্বৰ্ণ কাৰ যাই,
যেহি বাঞ্ছা তাকে কৰে।
স্বৰ্ণ বিনে কিছু. কৰিতে নাপাৰে,
ঈশ্বৰো সে পটন্তৰে ।৬৯।
পুন্ন মোৰ বাক্যে, অযোধ্যাক যাহ,
কৰিয়া মায়া বিস্তাৰ।
কুমৰ হৰন্তে, ৰামসেনা যত,
থাকিবে মুঢ় আকাৰ।
শুনি নাগস্বামী সীতাক প্ৰণামি,
পাইলন্ত অযোধ্যা ৰাজ।
ভয়ে তৰতৰ কাম্পে কলেবৰ,
পশিল ৰামসমাজ। ৭০।
শ্ৰীৰামৰ আগে, প্ৰবেশিল নাগে,
ব্ৰাহ্মণৰ বেশ ধৰি।
তুলি দুইহাত, কৈলা আশীৰ্ব্বাদ,
মহামন্ত্ৰ ব্যক্ত কৰি।

ৰামৰ আদেশে, অনন্তে পুছিল,
কৈৰ তুমি দ্বিজবৰ
কিবা প্ৰয়োজন, সাধিবে লাগয়,
কহিয়ো তাক সত্বৰ ।৭১।
ব্ৰাহ্মণে বোলয়, শুনা মহাশয়,
অবিজ্ঞাত মোৰ নাম ।
অনন্ত প্ৰভুৰ, নিকটে প্ৰচুৰ,
শিখিলোহোঁ অস্ত্ৰগ্ৰাম ।
অনন্তে বোলয়, অবিজ্ঞাত তুই,
অযোধ্যাক লাগি যাওঁ ।
লব কুশ দুই, ভাইক গোপ্যৰূপে,
ইসব অস্ত্ৰ শিখাও ।৭২ ।
অন্যত প্ৰচাৰ, নকৰিবি আৰ,
বুলিলো মই নিশ্চয়
তৈলে প্ৰচাৰিত, তেবেতো নিশ্চিত,
মিলিবে তোৰ প্ৰলয় ।
এহসে কাৰণে, আসিছো এখানে,
নাহি কিছু আন কাম ।
দুৱাৰ্জে যায়, ৰামত কহিল,
শুনিল সবে সমাচাৰ ৭৩ ।

পাছে ৰঘুপতি, আনন্দিত প্ৰতি,
বুলিলা বিপ্ৰক চাই।
অনন্ত দেৱৰ, অনুগ্ৰহ বড়,
আচয় আমাক লাই।
লৱকুশ দুইকো, আদেশ কৰিলা,
অস্ত্ৰ শিখিবাক প্ৰতি।
ৰহস্য কৰিয়া, শিখিবাহা দুয়ো,
গুৰুত কৰি ভকতি॥ ৭৪॥
গোপণীয় স্থানে, দিবে বাসা কৰি,
নযাইবে কেহো সন্নিত।
নীল মহাবলী, দ্বাৰত ৰহিবে,
ব্ৰাহ্মণৰ চিন্তি হিত॥
ৰামৰ আদেশে, নীল বীৰবৰ,
লব কুশ দুইক লৈলা।
নিভৃত স্থানত, বাস দিয়া তথা,
দ্বাৰ পাল হুয়া ৰৈলা॥৭৫
পাছে দুই ভাই, হুয়া শুদ্ধ কায়,
বিপ্ৰৰ কাষে বসিলা।
বিপ্ৰেক আশ্বাসি, দুই ভাইক দুৰি,
মন্ত্ৰক্ষৰক প্ৰেৰিলা।

জগতে প্ৰখ্যাত সূৰ্য্য বংশে জাত,
তুমি দুইৰ পিতা ৰাম।
দুইহানো জননী, কাহাৰ নন্দিনী,
কহা শুনো অনুপাম ॥৭৬
সম্প্ৰতি আছয়, কিবা নাহি কয়,
কিবা নাম গোত্ৰ হয়।
কহিয়ো বিশেষ, শুনিতে নিঃশেষ,
মনত বাঞ্ছা আছয় ॥
কুশে বুলিলন্ত শুনিয়োক হনু,
আমাৰ মাতৃৰ কথা।
আমি পুণ্য ক্ষীণ, মাতৃয় হীন,
জীবনৰ কাৰ্য্য বৃথা ॥৭৭
যজ্ঞৰ ভূমিত, ভৈলন্ত বিদিত,
সীতা নামে কন্যাৰত্ন।
মিথিলাৰ পতি, জনক নৃপতি,
তুলিলন্ত কৰি যত্ন ॥
দিনে বাঢ়ে বালা, যেন চন্দ্ৰ কলা,
সাক্ষাতে লক্ষ্মী উপমা।
ভুবন ইতিনি, নাহি কেহোঁ জনী,
ৰূপে গুণে আন সমা ॥৭৮

জনক নৃপতি, চিন্তাকুল অতি,
ইতো কন্যা দিবোঁ কাক।
ঈশ্বর ইচ্ছায়, শুনিলা তথায়;
দিব্য অশরীরি বাক।
মহেশ্বর চাপ, অতুল প্রতাপ,
ভাঙ্গিবে যিতো পামর।
তাকে কন্যা দিবা, চিন্তা নকরিবা,
বুলিলোঁ বাক্য নিশ্চয়। ৭৯
শুনি মাতামহ, পাইয়া উৎসাহ,
পাতিলেক স্বয়ম্বর।
আসি মিথিলাত, ভৈল উপগত,
শতলক্ষ নৃপবর।
যজ্ঞ রাখি ক, লাগিয়া রামক,
বিশ্বামিত্রে খুজ নিলা।
যজ্ঞ রাখি রামে, ভ্রাতৃ ঋষিসমে,
আনন্দে গৈলা মিথিলা। ৮০
যত রাজা রাশি, মহা গর্ব্বে বসি,
আছে আডম্বর করি।
রামে হাস্য করি, হেলে ধনু ধরি,
ভাঙ্গিলন্ত লীলা করি।

সীতায়ে বৰিল, উৎসব মিলিল,
হেন দেখি ৰাজাচয়।
পাতিল কন্দল, ৰাম মহাবল,
ভৈলন্ত যুদ্ধে বিজয় ।৮১
পাছে প্ৰভু ৰাম, জিনি পৰ্শুৰাম,
অযোধ্যাত প্ৰবেশিল।
দৈব বিপাকত, দেৱৰ কাৰ্য্যত,
ৰামৰ ৰাজ্য গুচিল॥
ভ্ৰাতৃ-ভাৰ্য্যা-সমে, পশ্চিয় কাননে,
বধিলা ৰাক্ষসগণ।
দণ্ডকাৰ বনে, সীতাক ৰাৱণে,
হৰিল ছলে দুৰ্জ্জন ॥৮২
জানকীক চাই, ফুৰন্তে দাভাই,
সুগ্ৰীবক দেখা পাইলা।
তাৰে মিত্ৰ কৰি, বালীক সংহৰি,
কিষ্কিন্ধ্যাত ৰাজা কৈলা।
সীতাক খুজিতে, পাঠিলা ত্বৰিতে,
লক্ষ লক্ষ কপিগণ।
মাৰুতিয়ে যাই, লঙ্কাপুৰ পাই,
কৈলা সীতা দৰশন ।৮৩

লঙ্কাপুৰ নাশি, পুনু বীৰে আসি
ৰামত সবে কহিলা ।
সেতুবন্ধ কাৰ, ৰাঘব শ্ৰীহৰি,
সসৈন্যে সিন্ধু তৰিলা ॥
সবংশে নিধন, কৰি দশানন,
সীতাক ৰামে দেখিলা ।
মহাশুদ্ধমতি, শান্তাযে সীতাৰ,
সত্যাত্মক আশঙ্কিলা ৮৪
বহ্নিত পড়িলা, তাতো উত্তৰিল,
বুলিলন্ত দেবচয় ।
এহে শান্তী সতী, তোমাতেসে মতি,
নাহকে কিছু সংশয় ।
দেৱসবে আসি, ৰাজা দশৰথ,
ৰামক বুলিলা বাক ।
কিছুয়ে সংশয়, পাপ নাহিকয়,
সম্বৰা সতী সীতাক ॥৮৫
সম্মুখ যুদ্ধত, পড়ি দশানন,
সবান্ধৱে স্বৰ্গে গৈলা ।
দিব্য বিমানত, চড়ি পুনৰপি
তথায়ে আসিয়া ভৈলা ॥

বিমানৰ নামি, ৰামক প্ৰণামি,
বুলিলা স্তুতি বিনয়।
তোমাৰো সীতাৰো, যশ বিস্তাৰিতে,
সীতাক হৰিলোঁ ময় ৮৬
আমাৰ বাক্যত, বিশ্বাস নাহিকে.
সাক্ষী দিওঁ দৈধ্যজন।
ধৰ্ম্মৰাজ যত, কৰিছে জ্ঞাত,
বোলয় সত্য বচন।
চন্দ্ৰ সূৰ্য্য আদি, সাক্ষী দৈধ্যজন,
বুলিলা ৰামক চাই।
কায়ত বাক্যত, চিত্তত সীতাৰ,
তিল মাত্ৰো দোষ নাই ৮৭
ব্ৰহ্মা মহেশ্বৰ, বিষ্ণুৰ বচনে,
সীতাক সম্ভৰি ৰাম।
অযুত বৎসৰ, ৰাজ্যক পালিলা,
সীতাৰ পুৰিয়া কাম।
সীতাত ৰামৰ, ৰামৰো সীতাত,
বাঢ়ে প্ৰীতি নব নব।
ৰামবীৰ্য্যে সতী, ভৈলা গৰ্ভৱতী,
সবাৰে ভৈল উৎসব॥ ৮৮

সেহি সময়ত, দৈব বিপাকত,
এক ধোবা দুষ্টমতি।
ভাৰ্য্যাক বোলয়, আজি ৰাত্রি তই,
আছিলি কৈত অসতী।
অসতী ভাৰ্য্যাত কিসৱ সঞ্জাত,
নকৰোঁ তোত বিশ্বাস।
তোক সম্বৰিয়া নৰকে পড়িবোঁ,
কুলকো কৰিবো নাশ ।৮৯
ধুবু ৷ বে· য়, যেন শুদ্ধতই,
ভালে জানে মই তোক।
মোক সম্বৰিলে, নৰকে পৰিবি,
হৰুৱাইবি কাণ নাক।
নটতো পাগল, তইতো নিশ্চল,
নবাচ জাতি অজাতি।
প্ৰমাদত থাকি, বান্ধৱৰ ঘৰে,
থাকিলোহো এক ৰাত্রি। ৯০
সীতা গোঁসানীক, ৰাৱণে হৰিধ্বা,
লঙ্কা নগৰত থৈলা।
যদি একাকিনী, চিত্ত স্থিৰ কৰি,
তভো শান্তী ধৰ্ম্মে ৰৈলা॥

ৰজকে বোলয়, শুন দুৰাচাৰী,
মই কি ৰামৰ নয়।
প্ৰবাসী সীতাক, সম্বৰিল ৰামে,
কোনে ভাল বুলি কয়॥ ৯১
স্ত্ৰী জিত ৰাম, কৈল মন্দ কাম,
সূৰ্য্যবংশে খিলিঙ্কাৰ।
নসম্বৰো মই, জানিবি নিশ্চয়,
কৈলো তোক পৰিহাৰ॥
হেন দন্দবাদ, কৰিয়া ৰজক,
কত্তক্ষণ মানে ৰৈল।
ইন্দ্ৰিয়ৰ বশ, পশিয়া ৰহস্য,
পিৰিতি ব্যাকুল কৈল॥ ৯২
প্ৰভাতে মেঘৰ, গৰ্জ্জন মেষৰ,
যুদ্ধ মুৰ্খ শ্ৰাদ্ধ চয়।
নাৰী পুৰুষৰ, কলহ নিষ্ফল,
জানিবা আক নিশ্চয়॥
দুৰ্ম্মুখ ধোবাৰ, দুৰ্ব্বাৰ বচন,
ৰামে চৰমুখে শুনি।
গৰ্ব্বে সমন্বিত, সীতাক নিৰ্ব্বাস,
দিলন্ত কিছু নুগুণি॥ ৯৩

সীতাৰ বিপত্তি, কি কৈবো সম্প্ৰতি,
কান্দে মনে পাই ব্যথা।
কৃপাদৃষ্টি চাই, বাল্মীকিয়ে পাই,
নিলন্ত আশ্ৰম যথা॥
সিস্থানে যমজ, দোভায়ো জন্মিলোঁ।
শিখিলো শাস্ত্ৰ নিঃশেষ।
ঋষিৰ কবিতা, . ৰামায়ণ গীতা,
গাই ফুৰোঁ দেশে দেশ॥ ৯৪
সেহি কালে ৰামে, যজ্ঞ কৰিলন্ত,
আমিয়ো পশিলোঁ তথা।
অতি বিতোপন, গাইলোঁ ৰামায়ণ,
ৰামে শুনিলন্ত কথা॥
আমি দুই ভাই, সীতাৰ তনয়,
গীততে গৈল বিদিত।
আনন্দিত মতি, সীতাক আনিতে,
ৰাঘৱৰ ভৈল চিত্ত॥ ৯৫
ৰামৰ আদেশে, বাল্মীকিয়ে আনি,
[illegible] প্ৰতি দিলা সীতাক।
জানকীক দেখি, কান্দে অধোমুখে,
যত ৰাজা প্ৰজাঝাক॥

সিবেলা সীতাক, চাহিবাক প্ৰতি,
কাহাৰো শক্তি নভৈল।
বানৰক চাই, কোঁপে অপমানে,
সীতা বুলিবাক লৈল। ৯৬
কিনা দোষ দেখি, তেজিলা আমাক,
কৈয়ো সভা বিদ্যমানে।
জানকো পুছাহা, মোৰ কোন দোষ,
কোন জনে শুনে জানে।
কোনবা পুৰুষে, কোন ৰমণীক,
হেন উগ্ৰ দণ্ড কৰে।
গৰ্ভে সমন্বিতে, ঘোৰ অৰণ্যত,
এড়ে মৰিবাক তৰে।৯৭
চুমাতে কামোড়, ওলগতে কীল,
দুৰ্জ্জনৰ হেন ঠান।
তুমিয়ো তেনয়, কপট হৃদয়,
কিন্তু নজানয় আন।
বজ্ৰতো অধিক- তোমাৰ হৃদয়,
হোৱে নহে প্ৰভু চাহা।
লঙ্কা নগৰত, বঞ্চিত পেলাই,
পুৰিবাক চাহিলাহা।৯৮

ত্রিদশ দেৱতা, সাক্ষী ভৈল তাত,
মাৰিতে নপাইলা ছল।
পুত্র গর্ভ সমে, মাৰিতে চাহিলা'
দৈব পুত্র মহাবল।
জীবাক শুনিয়া, আনিয়াছা এবে,
কিমত বুদ্ধি নাজানি।
মহন্ত যেহেন, বসিআছা কেনে,
নাকাটাহা থাণ্ডা হানি। ৯৯
দুঃসহ দুখত, বুলিলেক যত,
কতেক কহিবো তাক।
শোকত কোপত, মজি কতক্ষণ,
ভৈলন্ত দেবী অবাক।
পাছে সীতা দেবী ভূমিক বুলিলা
ভুমিতো সবাৰে সাক্ষী।
যেবে ৰাম বিনে আন নাজানিলো
আছোঁ শাস্তি পুণ্য ৰাখি। ১০০
কায় বাক্য মনে সচেতে সপনে
ৰামত বিনাই আন।
যেবে নিচিন্তিলো তেবে মাতৃ মোৰ
ৰাখিবাক লাগে মান।

পুনু পুনু দেবী ভূমিক বোলন্ত
লাগিল মনে বিচাট।
যেহে মহাশাস্ত্রী, ধর্ম্মে আছোতেবে,
মাতা ভূমি মেলা ফাট॥ ১০১
শুনি পৃথিবীর, শরীর কম্পিল,
ফাটিল মেদিনী খণ্ড।
রত্ন ময় দিব্য, বিমান বঝাইল,
প্রকাশে যেন মার্ত্তণ্ড॥
প্রদক্ষিণে দেবী, রামক নমিয়া,
বুলিল স্তুতি ভকতি।
এহি বর মাগোঁ, জনমে জনমে,
তুমি মোর হৈবা পতি॥ ১০২
লবকুশ দুই, হইবেক তনয়,
কৌশল্যাদি শাশু হৈব।
দশরথ হৈব, শশুর জনকে,
মোক জীব কবি লৈব॥
ভরতাদি করি, দেবর হৈবেক,
বোলা তুমি কৃপাময়।
সাধোহোঁ বিনয়ে, ভালুক বানর,
হৈবন্ত পুরুষ নয়॥ ১০৩

আৰু এক বোল, বোলো মই প্ৰভু
মোক তুমি নত্তহ্নিলা ।
এহি মন্বন্তৰে, ত্ৰেতাৰ অন্তত,
বাৰে বাৰে জনমিবা ।
বাৰে বাৰে মোক, ভাৰ্য্যা কৰি পাইবা,
লভিবা বৰই দুঃখ ।
তোমাত আমাত, বিনাই আমাত,
মিলিবে পৰম সুখ ।১০৪
নিৰ্দ্দোষী নাৰীক, অসতী বুলিয়া,
নিন্দা কৰে যিতো লোক ।
সিতো পুৰুষক, জানিবাহা প্ৰভু,
বিৰহ দুঃখে নেড়োক ।
আৰু এক বাক্য, বুলি আছো প্ৰভু,
স্বৰূপ হৈবাক লাগে ।
সভা বিদ্যমানে, প্ৰকটিয়া তাক,
কহিবো তোমাৰ আগে ।১০৫
যৈসানি ৰাৱণে, হৰি নিল মোক,
ত্ৰিজটা মোক পুছিলা ।
কাহাৰ নান্দনী, কাহাৰ ঘৰিণী,
কিমতে বিহা কৰিলা ।

কিহেতু ৰাৱণে, হৰিবাক পাইলা,
কহিয়ো স্বৰূপ কথা।
পাপিষ্ঠ সতী তোৰ, দুঃখ দেখি মোৰ,
মনত মিলিছে ব্যথা ॥১০৬

সাৱশেষে মই, সকলে কহিলো,
যতেক পুছিল মানে।
জগত ঈশ্বৰ, জানিয়া তোমাৰ,
গৈল ৰাৱণৰ স্থানে ॥
দেখাই পুৰ্ব্বাপৰ, কহিল বিস্তৰ,
সুম্পিতে মোক বুলিলা।
শুনি দুষ্ট মতি, ৰাক্ষসৰ পতি,
অগনি যেন জ্বলিল ॥১০৭

ৰাক্ষসীৰ মাৰ্গ- তলে সৰকাই
চক্কাই বাজ কৰিল।
মহা মনস্তাপ, কৰিয়া ত্ৰিজটা,
মনত পাছে চিন্তিল ॥
জন্মে জন্মে সতী, জানকীৰ দ্ৰোহ,
এহিতো দুষ্টে কৰিব।
সবান্ধৱে ইতো, ৰাৱণ নিশ্চল,
ৰামৰ হাতে মৰিব ॥১০৮

হেনমতে চিন্তি, আসিয়া ত্রিজটা,
পড়িয়া মোহোর পায়।
পালো অভিমত, সিদ্ধি হৌক মোর,
হেন কৃপা করা আই॥
অবিচারে মই, বর দিলো তোক,
সিদ্ধি হৌক মনস্কাম।
পাছে জনি, বড় খেদ পাইলোঁ,
[illegible] মোর রাম॥১০৯
[illegible] মরিয়া রাবণে,
[illegible] জন্ম পাইব।
[illegible] তোমাত,
[illegible] প্রাণ জুড়াইব॥
[illegible] চরিত্র পবিত্র,
[illegible] প্রকাশিব।
শ্রবণ কীর্তন, স্মরণ করিয়া,
[illegible]
এহি বুলি [illegible], রাক্ষ প্রণামি,
[illegible] করি আশ্বাস।
দিব্য বিমানত, চরিলন্ত যাই,
ভৈলো সবে নিরুশ্বাস॥

বিদ্যুৎ সদৃশ, পাতালে পশিলা,
পুৰ্ব্বৰত ভূমি ভৈল।
আমাৰতো গুৰু, যত সুখ ভোগ,
মাতৃৰ লগতে গৈল॥১১
যিটো সকলৰ, মাতৃ নাহিকয়,
জীৱে লাগে তাৰ কিক।
সুখ ভোগ মানে, গুছয় তাহাৰ,
জীৱনৰো ধিক ধিক॥
মাতৃয়ে যদ্যপি, তিতা কেহা দেই,
সিয়ো অমৃতৰ নয়।
আন জনে যদি, পঞ্চামৃত দেই,
সিটো হয় বিষময়॥ ১২
পৰৰ তনয়ে, অন্নমান খাই,
তাকো দেখে বহুতৰ।
আপুন তনয়ে, বিস্তৰ খাইলেযো,
তাহাকো দেখে তাকৰ॥
শৰীৰ পোষক, মাতা সম নাই,
ভাৰ্য্যাৰ সম তোষক।
বিদ্যা সম নাই, শৰীৰ ভূষণ,
চিন্তাৰ সম শোষক॥ ১১৩

মাতৃৰ সমান, তীর্থ নাহিকয়,
হৰিৰ সমান দেৱ।
ব্রহ্মাণ্ড ভিতৰে, নামৰ সমান,
শুদ্ধ পন্থ নাহি কেৱ।
হেনয় মাতৃক, অৱহেলা কৰে,
যিটো পুত্র মন্দ মতি।
ইহ পৰ লোকে, সিটো অধমৰ,
কখনো নাহি সদগতি। ১১৪
এতেকে বোলন্ত, লব কুশ দুই,
শোকত মজিল অতি।
মাতৃৰ গুণক, সুমৰি সুমৰি,
কান্দন্ত ব্যাকুল মতি।
হেন দেখি বিপ্রে, সাবটি ধৰিয়া,
তুলিলা দুইকো আশ্বাসি।
দুইহানকো চাই, সুমধুৰ বাণী,
বুলিলন্ত হাসি হাসি। ১১৫
শুনা সভাসদ, ৰামায়ণ পদ,
শ্লোকাতে অমৃতময়।
ইহাৰ শ্রৱণ, কীর্ত্তনে সুঘোৰ,
সংসাৰ দুখে তৰয়।

[illegible] পৱন, দেৱৰো দেৱতা,
[illegible] গুণ[illegible]।
[illegible] মুকুতি লভিয়া,
[illegible] বোলা ৰাম ৰাম ॥ ১১৬

পাদ।

ব্ৰাহ্মণ বদতি ধন্য ধন্য তুই ভাই।
মাতৃভকত তোমাসাত পৰে নাই ॥
যি বুলিলা সবে থানি শাস্ত্ৰৰ সম্মত।
মাতৃক লাগিয়া খেদ [illegible]ৰিয়ো মনত ॥১১৭
এক কথা কহোঁমই শুনা সাবধানে।
অনন্তৰ বাক্যে মই আসোঁ ইতো স্থানে ॥
পাতাল পৰ্বত দেখো আনন্দ [illegible]ঢ়াই
নৰনাৰীগণ যুখে যুখে উৰ্দ্ধেযাই ॥১১৮
আগবাঢ়ি [illegible]াছিলোহেঁ তান্থাৰ ঠাই।
ইতো প্ৰজাগণ মহানন্দে কৈক যাই।
সিসবে বোলয় কথা শুনিয়ো আতাই।
বিদ্যাবিলাসিনী পুৰে ইতো সব যাই ॥১১৯

তাক চড়াই ৰসাতল নামে স্থান পাই।
বিস্তৰ দানব দৈত্য দেখিলোঁ তথাই ॥
নিবাত কবচ নাম পৰম প্ৰমত্ত।
তাহান দুহিতা সবো হুয়া মহা যত্ন ॥১২০
নানা উপায়ণ লৈয়া যত দৈত্য নাৰী।
শুচি হুয়া ব্ৰত ধৰি যাই সাৰি সাৰি ॥
তাক চড়াই পাইলোঁ মহাতল নামে পূৰ।
সৰ্প নাগগণ তাত দেখিলোঁ প্ৰচুৰ ॥১২১
নাগিণী সৰ্পিণী সবো কৰিয়া যতন।
নানা উপায়ণ লৈয়া চলে ৰঙ্গমন ॥
তাক চড়াই তলাতল নামে পুৰী গৈলোঁ।
উৰ্দ্ধগতি কন্যাগণ যাইতে দেখা ভৈলো ॥১২২
তাক চড়াই পাইলোঁ আমি সুতল নগৰ।
[illegible] যাহি ঠাই মহা মনোহৰ ॥
[illegible] নাৰী সব হুয়া এক মতি।
নানান সম্ভাৰ লৈয়া চলে উৰ্দ্ধগতি ॥১২৩
তাক চড়াই বিতল পুৰিক পাইলো পাছে।
ভূতগণ সঙ্গে হৰ গৌৰী তাত আছে ॥
অসংখ্য যোগিণীগণ দেখিলোঁ তথায়।
নানা গান বাদ্য কৰি গগণে উড়াই ॥১২৪

বিতল চড়াই পাইলো অতল বিবৰ।
বেশ্যা নাৰি গণ তাত দেখিলোঁ বিস্তৰ॥
ময়ৰ তনয় ব্যোম তাহাৰ ঈশ্বৰ।
মুখ হন্তে সৃজে বেশ্যা নাৰী নিৰন্তৰ॥১২৫
ৰূপে গুণে বিদ্যাধৰী গাৱে গ্ৰাম্য গীত।
শুনি কামে উত্ৰাৱল পুৰুষৰ চিত্॥
স্বৈৰিণী পুংশ্চলী বেশ্যা নাৰী যত যত।
স্বচ্ছন্দ বিহাৰচাড়ি ধৰি মহা ব্ৰত॥১২৬
গন্ধ পুষ্প মাল্য আভৰণ আচ্ছাদন।
দুৰ্ব্বাক্ষন্ত বন্য ফল কৰিয়া যতন॥
ঝুমা ঝুমে চলে ৰামায়ণ গীত গায়।
তাৰসঙ্গে চলিলো গীততে মোহ যায়॥ ১২৭
নাৰী গণে বোলে তই কোঠৰ ব্ৰাহ্মণ।
বেশ্যাৰ সঙ্গত কেনে কৰাহা গমন॥
অসতী নাৰীৰ সঙ্গে সতী নষ্ট হয়।
জাতি হৰুয়াইবে জানো আসিআছ তয়॥ ১২৮
মই বোলো মাতৃসব হেন সুবুলিয়ো।
এক কথা সোধোঁ মোত স্বৰূপ কহিয়ো॥
কাহাৰ চৰিত্ৰ গাযা যাস কোন ঠাই।
আনন্দৰ অৱধি সদাৱে দেখোঁ নাই॥ ১২৯

নাৰীগণে বোলে কথা শুনিয়ো আতাই।
আমি সবে ৰামৰ চৰিত্ৰ আছোঁ গাই ॥
বিদ্য বিলাসিনী নাম নগৰ ভূমিৰ।
বৰাহ বিষ্ণুৰ সিতো ক্ৰীড়াৰ মন্দিৰ ॥১৩০
অমৰাৱতিয়ে যাৰ নোহে পটন্তৰ।
বহল বিস্তাৰ হয় দশ যোজনৰ।
দেৱ দৈত্য যক্ষ ৰক্ষ যতেক আছয়।
তাক দেখি বাক কেহোঁ জনে নপাৰয়। ১৩১
অতিশয় গোপ্য পুৰী আছিল পূৰ্ব্বত।
ব্ৰতেশ্বৰী হেতু আবে হৈআছে বেকত ॥
সাতো পাতালৰ লোকে বৰ সাধে যাই।
যেহি যিবা বাঞ্ছা কৰে তাকে সিতো পাই ॥১৩২
সেহি স্থানে যাওঁ আমি বৰ সাধিবাক।
অনেক বিদূৰ পথ লাগয় যাইবাক।
শ্ৰীৰামৰ ভাৰ্য্যা ব্ৰতেশ্বৰী নাম তথা।
আমি সবে উপাসিয়া থাকোঁহোঁ সৰ্ব্বথা। ১৩৩
যোগ সাধ্য বিনে যাইতে নপাৰে সিথানে।
আপোন শকতি যাইবে কাহাৰ পৰাণে।
ইথানৰ পৰা সাৰ্দ্ধ অযুত প্ৰহৰ।
ঊৰ্দ্ধগতি যাইবে লাগে কৰিয়া সত্বৰ। ১৩৪

হাজাৰ যোজন পঞ্চ পৃথিবী ভেদিয়া।
তেবে মৰ্ত্ত্য লোক পাই কহিলো গণিয়া॥
দেখ উৰ্দ্ধ গতি লোক যাই এক লাগ্নি।
অবকাস নাহিকে আছয় যেন থাগ্নি॥ ১৩৫
শুনি ষঙ্গ মনে মই মহাবিদ্যা কৰি।
সিসবে সহিতে পাইলো দেবিৰ নগৰী॥
দেখিলোঁ বিচিত্র নৰনাৰী নিৰন্তৰ।
কতো আসে কতো যায় কৰি থৰতৰ॥ ১৩৬
অনন্তৰে দেবীৰ ভবন পাইলোঁ পাছে।
কোটি শশধৰ সম প্রকাশন্তে আছে॥
মহাবজ্র গণৰ নিৰ্ম্মিত সিতো ঘৰ।
ইতিনি ভুবনে যাৰ নাহি পটন্তৰ॥১৩৭
পশিলোঁ ভিতৰে শঙ্কোচিত কৰি কায়।
নটে ভাটে স্তুতি নতি কৰে ঠায়ঠায়॥
দেবীক দেখিলোঁ দিব্য সিংহাসনে স্থিত।
মাধৱৰ লক্ষ্মী যেন হৈয়াছে বিদিত॥১৩৮
চমক লাগিল জানু পাতি প্রণামিলোঁ।
কৃতাঞ্জলি হুয়া মই আগতে ৰহিলোঁ॥
দেবী বোলে কোঠৈৰ ব্রাহ্মণ যাহা কৈক।
কিবা প্রয়োজনে তুমি আসি আছা ঐক॥১৩৯

মইবোলোঁ অনন্ত প্ৰভুৰ আজ্ঞা পাই।
চলি যাওঁ অযোধ্যাক শ্ৰীৰামৰ ঠাই।
লব-কুশ দুইক অস্ত্ৰ শিখাইবাক লাগি।
পথত আসন্তে আইলোঁ তযু বাৰ্ত্তা পাই ॥১৪০
দেবী বোলে সিতো দুই মোহোৰ তনয়।
ৰাঘবত ৰোষে এড়ি আসিলোঁহো মই॥
কুশল কহিবা মোৰপুত্ৰ দুইৰ আগে।
আমাক লাগিয়া চিন্তা কৰিতে নালাগে ॥১৪১
যদি চিন্তা কৰে দুই তনয় অভাগী।
বিদ্যাৰলে আনিবাহা ইঠাৱক লাগি॥
মোক দেখি যাইব পুনু ৰাঘৱৰ ঠাই।
ইকথা আনত তুমি নকৈবা আতাই ॥১৪২
এতেকে আনত মোৰ কৈতে নুযুয়াই।
গুপ্ত কৰি কহিলোঁহো তুমি দুইৰ ঠাই॥
হুয়া আছে অধীশ্বৰী পাতাল পুৰত।
ইতো কথা শুনি দুয়ো নকৈবা আনত ॥১৪৩
তোৰা দুইৰ শোক দেখি মোৰ মনে দুঃখ।
যেবে বাঞ্ছা কৰা দেখাওঁ জননীৰ মুখ॥
পাছে ইচ্ছা ৰূপে শিখিবাহা অস্ত্ৰ যত।
অবিলম্বে সিদ্ধি হৈব মাতৃ প্ৰসাদত ॥১৪৪

হেন শুনি লব-কুশ বিমোহিত মন।
মাতৃক সুমৰি বহু কৰিলা ক্রন্দন ॥
কতক্ষণে দুয়ো ভ্রাতৃ স্থিৰ কৰি মন।
গদগদ বাক্যে পাছে বুলিলা বচন ॥১৪৫
হে গুৰু কেন হেন ভণ্ড বাণী কহা।
একে দগ্ধ আমি পুনু অগনিত দহা ॥
মাতৃক দেখাইবে কোন বিধাতা আমাক।
ইতিনি লোকত খুজি নেদেখোঁহো তাক ॥১৪৬
ব্রাহ্মণে বোলয় কৈলোঁ স্বৰূপ বচন।
দেখাইবো যদ্যপি দেখিবাক আছে মন ॥
লব কুশে বোলে যেবে এই সত্যহয়।
নিয়ো এতিক্ষণে তেবে মাতৃৰ নিলয় ॥ ১৪৭
তোমাৰ প্রসাদে মাতৃ দেখিবাক পাওঁ।
আন কিবা চাওঁ আস এতিক্ষণে যাওঁ ॥
চৰণত ধৰোঁ গুৰু চড়িয়ো কন্ধত।
নিয়ো গুৰু মাতা মোৰ আছে যি স্থানত ॥১৪৮
ব্রাহ্মণে বোলয় শুনিয়োক দুই ভাই।
ব্রহ্মাণ্ডৰ মধ্যত অসাধ্য মোৰ নাই ॥
মোক স্কন্ধে বহিবে নালাগে তোৰা দুই।
বসি থাকা মহানন্দে কিছু মিছা নুই ॥ ১৪৯

যোগ সাধ্য বলে দুইকো নিবো এতিক্ষণ।
সাৱধানে চক্ষু মুদি ৰহা দুইজন॥
বিনা শ্ৰমে অবিলম্বে নিবো, কৰি ৰঙ্গ।
নাহি চিন্তা দুহন্তে লভিবা মাতৃ সঙ্গ॥ ১৫০
শুনি দুই ভাই চক্ষু মুদিয়া ৰহিলা।
মায়াবলে দুয়ো কুমাৰক হৰিনিলা॥
যাহান্তে বুলিলা ঊৰ্দ্ধে ৰামক বিনয়।
শুনা প্ৰভু ৰামচন্দ্ৰ তুমি কৃপাময়॥ ১৫১
লৱ কুশ দুই ভাতৃ তোমাৰ তনয়।
জানকী দেৱীৰ বাক্যে হৰি নেওঁ ময়॥
অচিৰ কালতে পুনৰপি দিবোঁ আনি।
হেনজানি চিন্তা নকৰিবা চক্ৰপাণি॥ ১৫২
এহি বুলি সৰ্পৰাজ ত্বৰিত গমন।
বিদ্যা বিলাসিনী পুৰে ভৈলা উপসন্ন॥
দুই কুমাৰক থৈলা কোলাৰ নমাই।
আগ ভৈলা সৰ্পৰাজ পাছত দোভাই॥ ১৫৩
চলি যান্ত দুই জন লীলা গজগতি।
কামদেব যেন অতি লাৱণ্য মুকুতি॥
দুৰ্ব্বাদলশ্যাম তনু পীত পট ধৰ।
সুন্দৰ চৰণে ধ্বনি শুনি নুপুৰৰ॥ ১৫৪

ৰত্নময় উঝণ্টি চৰণ অঙ্গুলিত।
সুঠান জঙ্ঘাক দেখি হোড়ৰে বঞ্চিত॥
মনক হৰয় কৰিকৰ সমউক।
কটি দেশে নিন্দি আছে হৰৰ ডম্বৰু॥ ১৫৫
বহল হৃদয়ে জ্বলে মুকুতাৰ মালা।
ঝিলিমিলি পেচন্দাৰ ৰত্ন ময় জ্বালা॥
বলিত বৰ্ত্তুল ভুজ ভুজঙ্গম নয়।
কেয়ুৰ কঙ্কণ চাৰু শোভা কৰে তয়॥ ১৫৬
বিচিত্ৰ অঙ্গুলি যেন কুন্দত গঢ়িছে।
ৰত্নৰ অঙ্গুৰী তাক অধিকে ৰঞ্জিছে॥
কম্বু কণ্ঠে ৰতন ভুষণে উজ্জ্বলিত।
মুখ চন্দ্ৰে কন্দৰ্পৰো হৰি আছে চিত্ত॥ ১৫৭
চাৰু কৰ্ণ যুগলে কুণ্ডলে কৰে কান্তি।
কপোলে অলকা নীল ভ্ৰমৰাৰ পান্তি॥
বন্ধুলী অধৰ দন্ত মুকুতাৰ নয়।
কাম চাপ সম ভ্ৰুৱ যুগ বিৰাজয়॥ ১৫৮
চক্ৰাকৃত শিৰ নীল আকুঞ্চিত কেশ।
মাৰ্ত্তণ্ড সদৃশ তাতে কিৰীটি বিশেষ॥
তা'তে চুড়ামণি ৰত্নে কৰয় দীপিতি।
দেখন্তা জনৰ দেখি নখণ্ডে তৃপিতি॥ ১৫৯

উপমাৰ নাহি স্থান ইতিনি ভুবন।
সাক্ষাতে দেখিয়া যেন কৌশল্যা নন্দন॥
নাগিনী সৰ্পিনী দানবিনী বালা চয়।
ৰূপে গুণে বিদ্যাধৰী সবো সম নয়॥ ১৬০
স্বামী সাধিবাক যাই জানকীৰ ঠাই।
উভতি ৰহিল লব কুশ দুইক চাই॥
অন্যে অন্যে বেলে ইতো কৈৰ শিশু দুই।
ইতিনি ভুবনে জানো হেন ৰূপনাই॥ ১৬১
হেন ৰূপ কৰি কোন বিধাতা স্ৰজিল।
কোননো সুবৰ্ণকুক্ষী গৰ্ভত ধৰিল॥
স্ৰষ্টাতে চতুৰ যিটো বিধাতাৰ মাঝে।
তেঁহেঁ নিৰ্ম্মিআছে যাক দেখি স্মৰ লাজে ১৬:
কৈৰ পৰা ইথানত হৈআছে প্ৰবেশ।
নাদেখি নাশুনি হেন মুকতি বিশেষ॥
কোন নো বিধাতা দিব আঙ্ক স্বামী কৰি।
কোন সুলক্ষণী পাইব তপস্যা আচৰি॥ ১৬
কিকৰি থাকিবে পাইবোঁ চাহি আন মুখ।
আন্ত বিনে কিলাগি লাগয় স্বৰ্গ সুখ॥
নযাইবোঁ গৃহক আৰু বন্ধু বান্ধৱৰ।
এহে দুইক সেবা কৰি থাকো নিৰন্তৰ॥ ১৬

কতো জনী বোলে যাইবো গোসানীৰ ঠাই।
সাধিবোঁহোঁ বৰ যেন আক্ষ স্বামী পাই॥
নিদিলেও নেড়িবোঁহোঁ চৰণত ধৰি।
নাপাইবোঁ যাবৎ সাধিবোহো মৰি মৰি॥১৬৫
কেহোঁজনী বোলে হেন সুবুলিবি তয়।
আক্ষ সেৱা কৰিবাক যোগ্য হওঁ মই॥
মোহোৰেসে উচিত হৈবাক এহোঁকান্ত।
সুহি এক চৰড়ে সৰাইবোঁ তোৰ দন্ত॥১৬৬
আৰ জনী তাইক চাই বচন বোলয়।
ময় সে উচিত হওঁ যোগ্য নোহ তয়॥
তোক মোক চায় লোকে বোলোক উচিত।
বিষ্ঠাৰ পলুৱে চাস উঠিতে স্বৰ্গত॥১৬৭
অন্যোঅন্যে হেন কহি ক্রোধত জ্বলিল।
হেপৌছা হেপৌছি কৰি কন্দল লাগিল॥
আঝোড়া আঝুড়ি মন্দ চন্দ বোলে বাক।
খসিল কটিৰ বস্ত্ৰ নসম্বৰে তাক॥১৬৮
ক্রোধৰ বেগত ভৈল আউল জাউল কেশ।
বাউল হেন ফুৰে কতো দিগম্বৰী বেশ॥
লাজ কাৰ্য্য মৰ্য্যদা এড়িল সবে বালা।
দহয় হৃদয় অতি মদনৰ জ্বালা॥১৬৯

প্ৰচণ্ড উদণ্ড যত নাগিণী সুন্দৰী।
দশোপাঞ্চে সাজ হুয়া মহা সাস কৰি॥
বলে হৰিবাক লাগি সমীপক যাই।
মোহ হুয়া ৰহে কুমৰৰ পাশ পাই॥১৭০
তুই কুমৰৰ মুখ পদ্ম মধু পীয়া।
শৰীৰক পাসৰিয়া থাকে থিয় দিয়া॥
কতো নাগকন্যা মনোময় বেগ ধৰি।
গোঁসানীৰ আগে বোলে দণ্ডবত কৰি॥১৭১
প্ৰণামো গোঁসানী তযু চৰণত ধৰি।
সেবিআছো বহুকাল তোমাক সাদৰি॥
যিমত স্বামীক সাধি আছোঁহোঁ তোমাত।
তাতো লক্ষ গুণাধিক মিলিছে সাক্ষাত॥১৭২
কৈৰ বা পুৰুষ দুই নবীন তৰুণ।
কন্দৰ্পৰো দৰ্প হৰে যাৰ ৰূপ গুণ॥
কিবা দেৱ মনুষ্য গন্ধৰ্ব্ব বিদ্যাধৰ।
অপূৰ্ব্ব পুৰুষ পশি আসে অভ্যন্তৰ॥১৭৩
সমান বয়স গতি আকৃতি সুন্দৰ।
গোটেকক স্বামী কৰি দিয়া মাগো বৰ॥
হেনমতে অন্যো অন্যে সীতাত সাধয়।
মনত বিস্ময়ে দেবী পৰাম্বিশয়॥১৭৪

লব-কুশ দুই ভাইক দুৱাৰত থৈলা।
জানকীত জান দিতে নাগৰাজ গৈলা ॥
লব-কুশ আসিল জানিয়া বসুমতী।
আগবাঢ়ি আথে বেথে গৈলা মহাসতী ॥১৭৫
দেখিলন্ত দুই ভাইক দুৱাৰত যাই।
ঝুমাঝুমি প্ৰজাগণে বেঢ়ি বেঢ়ি চাই ॥
দেখন্তা সবৰ দেখি নথন্দে তৃপিতি।
সাবতি ধৰিতে চাহে আকুলিত মতি ॥১৭৬
সেহিবেলা বসুমতী আগত মিলিলা।
মহা স্নেহে শিশু দুইক সাবতি ধৰিলা ॥
লব-কুশো পৃথিবীক দেখিয়া চিনিলা।
মাতৃৰ জননী জানি পড়ি প্ৰণামিলা ॥১৭৭
পাছে বসুমতী নাতি দুইক কোলে লৈলা।
পৰম আনন্দে জানকীৰ পাশে গৈলা ॥
পৰম বিস্ময় দেখি সবাৰো মনত।
আনন্দে বেঢ়িয়া সবে চলিলা লগত ॥১৭৮
সেহি সময়ত নাগৰাজা নিগদতি।
জয় জয় জনক নন্দিনী ভগৱতী ॥
তোমাৰ প্ৰসাদে দেবী সৰ্ব্ব সুমঙ্গল।
আনিলো কুমৰ হৰি সবাৰো কুশল ॥১৭৯

হেন বেলা গোঁসানীয়ে দেখিলন্ত চাই।
পুত্ৰ দুইক লৈয়া আসে বসুমতী আই॥
হৰিষে উজ্জ্বল মুখ উল্লসিত গাৱ।
আসনৰ পৰা উঠিলন্ত জগত মাৱ॥১৮০
আঙ্কোৱালি ধৰিলন্ত পুত্ৰ দুইৰ গলে।
কান্দিলন্ত হুমহুমি পৰম বিকলে॥
নয়নৰ জলে ভিজাইলন্ত দুইৰো গাৱ।
লব-কুশো নমিলা মাতৃৰ দুই পাৱ॥১৮১
চৰণত ধৰি দুয়ো ফোকাৰি ফোকাৰি।
ৰহিলন্ত দুয়ো কিছু বুলিতে নপাৰি॥
আনন্দ সিন্ধুৰ জলে কণ্ঠক ব্যাপিল।
চক্ষু নাক-মুখ ঢাকি বহিবে লাগিল॥১৮২
গোঁসানীৰ দুই পদ দুবায়া ৰহিল।
দুয়ো পুত্ৰ ধৰি তুলিবাক নপাৰিল॥
গোঁসানী বোলয় উঠা উঠা দুই বাপ।
তোমা দুইক দেখিলোঁ খণ্ডিল হৃদি তাপ॥
কুশলে আছিলা পিতৃ সবক সাদৰি।
কিবা দয়া কৰে শাশু সবে মোক স্মৰি॥
স্বামীৰ কুশল বাপ কহিয়ো সত্বৰ।
সুখে কি আচন্ত মোৰ লক্ষ্মণ দেৱৰ॥১৮৪

শত্রুঘণ ভৰত কুমৰ শুভনয় ।
কৌশল্যাদি শাশু সব কুশলে আছয় ॥
কিবা শাশু সবে ভাল বুলি প্ৰশংসয় ।
কিবা মোক তাৰা সবে অসূয়া কৰয় ॥১৮৫
সুগ্ৰীৱ মাৰুতি আদি যত কপিচয় ।
প্ৰসঙ্গত তেসম্বে কি মোক সুমৰয় ॥
কিমতে সুস্বামী মোৰ ভোজন কৰন্ত ।
কেনমতে নিদ্ৰা যান্ত কিমতে বৈসন্ত ॥১৮৬
কিৰূপে কৰন্ত বেশ কিবোল বোলন্ত ।
কিবা কোন কাৰ্য্যত মোহোক সুমৰন্ত ॥
কিবা মন সুখে ৰামে ৰাজ্যক কৰন্ত ।
মোক তেজি কিবা প্ৰভূ সন্তোষে আছন্ত ॥১৮৭
কিবা ভাল মন্দ কহে লোকৰ আগত ।
স্বৰূপ কৰিয়া মোত কহিয়ো সমস্ত ॥
হাঁহাঁ অভাগিনী ময় কিদোষ কৰিলো ।
ৰাম হেন স্বামীক সেবিতে নপাৰিলো ॥১৮৮
কোন কালে কোন জন্মে ৰাম হেন স্বামী ।
ইতিনি ভুবনে সেবিবাক পাইবো আমি ॥
কিনো নিদাৰুণ বিধি কপট দুৰ্জ্জয় ।
প্ৰিয়ৰ বিয়োগ অপ্ৰিয়ৰ সঙ্গ হয় ॥১৮৯

কোন মন্দ আচৰিলো বিধাতা কুবৃত্ত।
প্ৰিয়ৰে অপ্ৰিয় হেন কৰাইলিহি চিত্ত॥
যতেক দুৰ্ণয় তোৰ কত কৈবো আৰ।
ইদোষত নৰকে পচিবি দুৰাচাৰ॥১৯০
ৰাম হেন স্বামীক বঞ্চিলো হাতে পাই।
এহিবুলি মূৰ্চ্ছা গৈলা জগতৰ আই।
লৱকুশে আশ্বাসিয়া তুলি ধৰিলন্ত।
মাতৃক স্যাদৰি ধীৰে ধীৰে বুলিলন্ত॥ ১৯১
স্থিৰ হোৱা মাতা মিছা বিষাদক ছাড়া।
বিধিক গৰিহা কৰি আমাকেসে ভাড়া॥
যেনে কোনো জনে আঁড় কৰি গোধা ভৰি
গোধা বুলি পৰক হাসয় উচ্ছ কৰি॥১৯২
তুমিও তেনয় মাতা স্বামীক ছাড়িলা।
কৈসানি বিধিয়ে পাতালত বাসা দিলা॥
পাতালে পশিলা তুমি কাহাৰ তৰাসে।
তোমাকেসে বৎস এড়ী বুলি লোকে হাসে ১৯
ৰামৰ দুৰ্ণয় যদি তবো বোলে ভাল।
তোমাক বুলিবে ভাল নাহি একোকাল॥
স্বামীৰ কুনয়ে যদি তেজিবাক পাইলা।
আমাক অনাথ কৰি কেনে তুমি আইলা॥১৯৪

হেনয় নির্দ্দয়া মাতৃ যাব যাব হয়।
উপজি মৰোক তাৰ জীৱে নলাগয়॥
আন বন্ধু বান্ধৱক নিদাৰুণ পাই।
পিতৃ মাতৃ নিদাৰুণ দেখা শুনা নাই॥১৯৫
সর্প ব্যাঘ্র আদি যত ক্রুৰ জাতিচয়।
কৈত দেখি শুনি আছা পুত্রেক এড়য়॥
প্রাণান্তিক সময়তো নেড়য় সর্ব্বথা।
অপমানে এড়িবেক ইতো কোন কথা॥১৯৬
মনু মুখে শুনি আছো শাস্ত্রী ধর্ম্ম মত।
হয় বা নহয় তাক শুনিয়ো সাম্প্রত॥
স্বামীৰ দোষক সতী নলৈব মনত।
মহা গুৰু মানি সেবা কৰিব সতত॥১৯৭
স্বামীৰ সাধিয়াপ্রীতি থাকিবা সদাই।
স্বামীৰ সেবাতে সর্ব্ব পুৰুষার্থ পাই॥
স্বামীৰ সুখত সুখ মনত মানিব।
স্বামীৰ দুঃখতে দুঃখ কৰিয়া জানিব॥১৯৮
স্বামীৰ প্রবাসে হৈব চিন্তাকুল মতি।
স্বামীৰ কুশল চিন্তি থাকিবেক সতী॥
স্বামীৰ সহিত নকৰিব দ্বন্দবাদ।
স্বামীৰ কষ্টত মনে লভিব বিষাদ॥১৯৯

স্বামী তপ স্বামী জপ স্বামী ইষ্টদেৱ।
স্বামী বিনে সংসাৰত বন্ধু নাহি কেৱ॥
স্বামী বিনে আন পুৰুষক নবাঞ্ছিব।
কামবুদ্ধি কৰিয়া চক্ষুৱে নচাহিব॥২০০
স্বামীয়ে বোলয় যদি মন্দ চন্দ বাক।
প্ৰত্যুত্তৰ নিদি সহি থাকিবেক তাক॥
আপোনাৰ দুঃখচয় নকৰি বিচাৰ।
স্বামীৰ সেৱাক মাত্ৰ কৰিবেক সাৰ॥২০১
কায় বাক্য মন শুদ্ধ কৰি মহাসতী।
মধুৰ ভাষিণী হুয়া কৰিব ভকতি।
স্বামীৰ পিতৃৰ দুই কুলক উদ্ধাৰি।
স্বামীৰ মৰণ ভৈলে যাইবে সহমৃতা॥২০২
যদি পুত্ৰৱতী সতী স্বামীক ধিয়াই।
নমৰিয়া পুত্ৰ পালি থাকিব সদাই॥
তোমাৰ সমান শাস্ত্ৰী কোন স্থানে নাই।
মহা শাস্ত্ৰী সবেও তোমাৰ যশ গাই॥২০৩॥
তভো পতি পুত্ৰক ছাড়িলা কোন ধৰ্ম্ম।
ইহাকেসে সুমৰি সুমৰি মিলে মৰ্ম্ম॥
আমাকে সে দুষ্টমতি বোলে সৰ্ব্বজনে।
ভাল ভৈলে জানকী এড়িব কি কাৰণে॥২০৪॥

আমাৰেসে মন্দ বিধি দুৰ্গতি লিখিল।
এতেকেসে হেন মত ললাট মিলিল ॥
স্বামীৰ কুশল তুমি সোধা কি কাৰণ।
বিচাৰিয়া নুবুঝিলেঁ। আমি দুই জন ।২০৫
মৰ্ম্মচ্ছেদ কৰি ৰাঘৱক এড়িলাহা।
লোকে ভাল বুলিবাক কুশল পুছাহা ॥
শুনি লৱকুশ দুইৰো কাৰুণ্য বচন।
কান্দে অধোমুখে সবে সভাসদ গণ ।২০৬।
সীতাৰ গাৱত যেন অগনি লাগিলা।
গদ গদ স্বৰে দুই পুত্ৰক বুলিলা ॥
শুন শুন বাপু লৱ কুশ শুভনয়।
যতেক বুলিলা ধৰ্ম্ম যুগুত হোৱয় ।২০৭।
কিন্তু দুই মোত মাত্ৰ দোষক দেখিলা।
ৰামৰ কুনয় কিছু মনে নগণিলা ॥
সেহিতো ৰামৰ পুত্ৰ হুয়ো তেন ঠান।
যেন গাছ তেন ফল সিকি হয় আন ।২০৮।
ৰামকেসে মাত্ৰ দেখিবাক লাগে ভাল।
ৰামৰ সঙ্গত বঞ্চিবাক লাগে কাল ॥
লৱ কুশে বোলে মাতা হেন কি বোলাহা।
আৰবাৰ আমা দুইক এড়িবাক চাহা ।২০৯।

বাঘৰ হাতৰ কি এড়াইতে পাৰে ছাগ।
জ্বৰে এড়িলেও কর্পটীয়ে নেড়ে লাগ।
তোমাক চাড়ি কি আমি অযোধ্যাক যাইবো।
গঙ্গাজল এড়ি কি কুপৰ পানী খাইবোঁ ।২১০।
সর্ব্ব তির্থেশ্বৰী তুমি আমাৰ সম্বন্ধি।
মহানন্দে সেৱা কৰি থাকিবোঁ প্রবন্ধি।
যৈসানি তেজিয়া আইলা সিকালৰে পৰা।
ছেৰণ্ডিয়া হুয়া আমি ভৈলো যেন মৰা ।২১১।
বুলিবাৰ বাক্যকো নোবোলো কিছু ত্রাসে।
একো নজানয় বুলি শিশুগণে হাসে।
ক্ষুধাত নপাও অন্ন পিপাসাত পাণী।
কোনে দয়া কৰি যদি দেই অন্ন আনি ।২১২।
পেট পুৰি তথাপি খাইবাক নাহি সাস।
এত খাই বুলি জানো কৰে উপহাস।
ভণ্ডাৰে ভণ্ডাৰে আছে ৰস্ত্র আভৰণ।
পৰক শঙ্কায়ে তাক নকৰো ভূষণ। ২১৩
শ্মানৰ চৱালে বিভূষিত হুয়া যাই।
নিশ্রীক বদনে আমি তাক থাকো চাই।
লোকৰ চৱালে যদি কৰে অপকাৰ।
তাৰ জননীৰ ভয়ে নেদোঁ প্রতীকাৰ। ২১৪

এতেক বুলিয়া দুয়ো শোকত মজিল।
প্ৰবোধ বচনে সীতা সান্ত্বনা কৰিল॥
ভুঞ্জাই পঞ্চামৃত পিন্ধাই বস্ত্ৰ অলঙ্কাৰ।
লভিলা আনন্দ যেন কি কহিবো আৰ॥ ২১৭
লৱকুশে হৰাইবাৰ মাতৃক পাইলন্ত।
পৰম গৌৰবে সেৱা কৰি ৰহিলন্ত॥
লৱৰ কুশৰ কথা এহিমানে থওঁ।
অযোধ্যাত যেন ভৈলা তাৰ কথা কওঁ॥ ২১৮
শুনা সভাসদ ৰাম চৰিত্ৰ অমৃত।
ইহাৰ শ্ৰৱণে হুৱে সংসাৰ দুৰিত॥
ৰাত্ৰি দিনে বিষয় সুখক যত্ন কৰা।
সি কি ৰাখিবেক যম যাতনাৰ পৰা॥ ২১৯
নাহিকে তাৰন্তা ৰাম নাম বিনে আন।
বেদ বেদান্তৰো তাৎপৰ্য্য এহিমান॥
সৰ্ব্ব কৰ্ম্ম ছাড়ি গলে বান্ধা ৰাম নাম।
কহে ৰঘুনাথে ডাকি বোলা ৰাম ৰাম॥ ২২০
যথা নিদ্ৰা আসে তথা থাকোহো পড়িয়া।
ক্ষুধায়ে তৃষায়ে পীড়ে আকুল কৰিয়া॥
যদি দয়া কৰয় আনৰ মাতৃচয়।
তামস্থাৰ দয়া তৃণবহ্নিৰ আনয়॥ ২২১

হেন মতে নানা দুঃখ কহিবোঁহোঁ কত।
স্বৰূপ কহিলো মাতৃ তোমাৰ আগত॥
মাতৃ যাৰ নাই তাৰ জীবে লাগে কিক।
জীবে যিটো তাৰ জীবনতো ধিক ধিক॥ ২১৬

ঝুমুৰি।

শুনিলা আমাৰ বাক।
যত ৰাজা প্ৰজা ঝাক॥
সবেও বিস্ময় হুই।
চাহিলন্ত ঊৰ্দ্ধমুই॥ ২২১
চক্ষুৰ নিমিষ এৰি।
চাহে সবে ফিৰি ফিৰি॥
কোনে বুলিলেব বাক।
কেহোঁ নলক্ষিলা তাক॥ ২২২
ব্যাকুলিত ৰঘুপতি।
শোকে বিচলিত মতি॥
কিনো বিপৰীত কাজ।
বোলে সবে সাগৰাজ॥ ২২৩

কোনে হেন সাস কৰি।
ব্ৰাহ্মণৰ বেশ ধৰি।
হৃদয়ত জালি জুই।
হৰিল কুমৰ দুই।২২৪
পুত্ৰ এড়ি সীতা সতী।
গৈল পাতালক প্ৰতি।
তেহে হৰি নিলে হুই।
আত কিছু শঙ্কা নুই।২২৫
থাকিবে মাতৃৰ ঠাই।
মহা ৰঙ্গে দুয়ো ভাই।
ৰাঘৱৰ শ্ৰুতি নাই।
বোলে লক্ষ্মণক চাই।২২৬
দেখহ লখাই বীৰ।
কেন কৰ্ম্ম পৃথিবীৰ।
মোহোৰ ভাৰ্য্যাক হৰি।
আছে ঘোৰ দ্ৰোহ কৰি।২২৭
আৰকা লগাইল আঞ্চ।
নথৈবো ভূমিৰ সাঞ্চ।
আন বাপু ধনুৰ্ব্বাণ।
কাটি কৰো খান খান।২২৮

দুৰাচাৰী মহাৰণ্ডী।
দেঁও ধৰা নাম থণ্ডি ॥
চতুৰ্ব্বিধ প্ৰাণী যত।
ৰাখিবোঁহো আলাগত ॥২২৯
যোগ বলে কৰোঁ ৰক্ষা।
দেখ কেন মোৰ কক্ষা ॥
এহি বুলি ভগৱন্ত।
মাকতিক চাহিলন্ত ॥২৩০
মাৰুতিৰ ভৈল কাম্প।
উৰ্দ্ধক মাৰিলা ঝাম্প ॥
সুগ্ৰীব অঙ্গদ নল।
নীল আদি মহাবল ॥২৩১
ঝাম্পিল উৰ্দ্ধক প্ৰতি।
ধৰি মনোজয় গতি ॥
ক্ৰোটি কোটি বীৰবৰ।
গৈলা সবে নিৰন্তৰ ॥২৩২
জম্বুদ্বীপ মানে যত।
বিচাৰিয়া আকাশত ॥
আউৰে আউৰে বাঢ়ি গৈল।
সাগৰৰ পাৰ ভৈল ॥২৩৩

শ্রীৰামৰ প্রসাদত।
অসাধ্য কি ব্রহ্মাণ্ডত॥
নক্ষত্র সঞ্চাৰ নয়।
বিচাৰি ফুৰন্ত তয়॥২৩৪
ভূলোকৰ সীমা যত।
বিচাৰিলা আকাশত॥
লোকালোক গিৰি পাইল।
সবে নিবর্ত্তিয়া আইল॥২৩৫
ভূবলোকে পশিলন্ত।
তাতো চাহি নপাইলন্ত॥
স্ব-মহ-জন পাই।
বিচাৰিলা ঠাই ঠাই॥২৩৬
তপলোকে পশিলন্ত।
তাতো ভালে চাহিলন্ত॥
সত্যলোক পাইলা যাই।
ব্রহ্মাদেৱে আছে চাই।২৩৭
হাসিয়া বুলিলা বাক।
দেখা ৰাম সেনা ঝাক॥
জনক নন্দিনী সতী।
ৰাঘৱত বিৰকতি॥২৩৮

পতি পুত্ৰ ছাড়িলন্ত।
পতালত পশিলন্ত॥
বাল্মিকীক পঠাইলন্ত।
পুত্ৰ দুইক নিয়াইলন্ত॥২৩৯
সিতো দুইক ফুৰি চাই।
সত্যলোক আছে পাই॥
পাছে যত কপি গণ।
ব্ৰহ্মসভা উপসন্ন॥২৪০
হুয়া সঙ্কোচিত গাৱ।
নমিলা বিধিৰ পাৱ॥
কৃতাঞ্জলি নম্ৰ হুই।
ৰহিলন্ত অধো মুই॥২৪১
ব্ৰহ্মাদেবে বোলে বাক।
শুনা শুনা কপিঝাক॥
কি কাৰ্য্যে আসলা এথা।
কহিবে নলাগে কথা॥২৪২
লৱ কুশ দুইক চাই।
আসি আছা ইতো ঠাই॥
জানকী আছয় যথা।
লব কুশো আছে তথা॥২৪৩

পৃথিবীৰ তলে যাইবা।
তৈতে কুমাৰক পাইবা॥
সিপুৰু দুৰ্গম স্থান।
যাইবাক নপাৰে আন॥২৪৪
বিদ্যাবিলাসিনী নাম।
পুৰি সিতো অনুপাম॥
যোগ সাধ্য আছে যাৰে।
সিসে তথা যাইতে পাৰে॥২৪৫
জানকীৰ আজ্ঞা যাক।
নলাগয় সাধ্য তাক॥
যোগসাধ্য বোলে যাক।
শুনামঁই কহোঁ তাক॥২৪৬
পঞ্চ মহা ভুতাকাৰ।
ধৰিবাক শক্তি যাৰ॥
সেই যোগ সাধ্য মায়া।
প্ৰাকৃতিয়ে আছে পায়া॥২৪৭
আন্ত বিনে সিতো স্থান।
যাইবাক নপাৰে আন॥
উলতি সমস্তে যাহা।
শ্ৰীৰামত জনাইবাহা॥২৪৮

শুনা সভাসদ গণ।
পুণ্য কথা রামায়ণ॥
যিতো ব্রহ্ম কৃপাময়।
হুয়া মনুষ্যর নয়। ২৪৯
মনুষ্যর নাট্য করে।
জানিবাহা নিরন্তরে॥
আত কিছু শঙ্কা নাই
সেহি গুণ নাম গাই॥ ২৫০
সংসারর পার পাই।
দেখ ভাগবত চাই॥
যেবে যাইবা ভব তরি।
ডাকি বোলা হরি হরি। ২৫১ ॥০॥

* পদ *

আত অনন্তরে শুনা সভাসদ জন।
বিধির বচন শুনিলন্ত কপিগণ।
পড়ি পড়ি দণ্ডবতে করি নমস্কার।
পৃথিবী পাইলন্ত যেন গ্রহর সঞ্চার।২৫২
রামর সভাত মিলিলন্ত দড়বড়ি।
প্রণাম করিয়া রাজ্যর পুদে পড়ি।

শ্ৰীৰামে বোলন্ত শুনা সূৰ্য্যৰ নন্দন :
তুমি সমস্তৰতো কুশল আগমন ৷২৫৩
কোন কোন স্থানত চাহিলা কেন কৰি।
দেখিলা শুনিলা কিবা কোৱা শীঘ্ৰকৰি ৷
সুগ্ৰীবে বোলয় প্ৰভু শুনা ৰঘুপতি।
সাতো পৃথিবাত বিচাৰিলো প্ৰতি প্ৰতি ৷২৫৪
তযু প্ৰসাদত সাতো সাগৰ তৰিলো।
গিৰি বন গহ্বৰতো বিচাৰ কৰিলো ৷
একোস্থানে কুমাৰৰ উদ্দেশ নপাইলো।
লোকালোক গিৰি পাই নিবৰ্ত্তিয়া আইলো ৷২৫৫
ঊৰ্দ্ধগতি কৰি সাতো স্বৰ্গতো চাহিলো।
তাতো দুই কুমাৰ বিচাৰি নেদেখিলো ৷৷
পাছে যাই সত্যলোকে ব্ৰহ্মাক দেখিলো।
শোক মোহ ক্ষুধা তৃষা সবে পাসৰিলো ৷২৫৬
পড়ি পড়ি প্ৰণামিলো মস্তক দমাই।
বুলিলন্ত ব্ৰহ্মা দেৱে আমাসাক চাই ৷
শ্ৰীৰামৰ অনুচৰ সব মহা বলী।
লব কুশ দুই ভাইক ফুৰাহা আকলি ৷ ২৫৭
স্বৰ্গত নাহিকে সিতো দুগুটি কুমাৰ।
পাতাল পুৰত যাই কৰিয়ো বিচাৰ ৷

বিদ্যাবিলাসিনী পুৰে জানকী আচয় ।
তাৰ সঙ্গে দুই ভাই আছে নিৰাময় । ২৫৮
কিন্তু আন জন তথা যাইবে নপাৰয় ।
যোগ সাধ্য বিনে আক জানিবা নিশ্চয় ।
ৰবাহ বিষ্ণুৰ সিতো ক্ৰাড়াৰ ভবন ।
যাইবাক পাৰিবে মাত্ৰে পবন নন্দন । ২৫৯
এহি বাৰ্ত্তা পাই আমি নিবৰ্ত্তি আহিলো ।
তোমাৰ আগত প্ৰভু নিশ্চয় কহিলো ।
শ্ৰীৰামে বোলন্ত বাপ শুনিয়ো মাৰুতি ।
সীতাৰ বিয়োগে হুয়া আছোহো বিশ্ৰুতি । ২৬০
পুত্ৰৰ বিয়োগে প্ৰাণ ধৰিতে নপাৰি ।
ৰক্ষা কৰা পুত্ৰ শোক অনলে উদ্ধাৰি ।
তোৰ উপকাৰ গুণ সুজন নযায় ।
তোৰ সম উপকাৰা মোৰ আন নাই ।২৬১
তোত সাদ কৰিয়া ভুঞ্জোহোঁ ৰাজ্য সুখ ।
তোৰ নাম শুনিতে কালৰো মিলে দুঃখ ।
যাক দেখি দিগজেন্দ্ৰ সবো ভয় পাই ।
লৰড়ি পলাই মহী মণ্ডল কম্পাই ।২৬২
ত্ৰিভুবন কম্পন আশ্চৰ্য্য বল যাৰ ।
শোক সাগৰত মোক কৰহ উদ্ধাৰ ।

মাৰুতি বোলয় শুনা কৃপাৰ নিধান।
এত বোলি দেখিলা মাক কিসৰ নিদান ॥২৬৩
মইতো একান্ত দাস থাকন্তে তোমাৰ।
ইমত দুঃখক দেখো জীৱাক ধিক্কাৰ ॥
ভৃত্য থাকন্তেও স্বামী পাই মন কষ্ট।
ইহ পৰ লোকৰ সুখত হয় ভ্ৰষ্ট ॥২৬৪
তোমাৰ প্ৰসাদে মোৰ ব্ৰহ্মাণ্ড মধ্যত।
অসাধ্য নেদেখোঁ কিছু বোলো স্বৰূপত ॥
কৰিবলৈ বিদাই প্ৰভু বুলিয়ো সত্বৰ।
শ্ৰীৰামে বোলন্ত শুনা বায়ুৰ কুমাৰ ॥২৬৫
কেন মত যোগসাধ্য আমাক দেখায়ো।
পাছে কুমাৰক বিচাৰিবে প্ৰাত যায়ো ॥
শুনিয়া মাৰুতি শ্ৰীৰামক নমিলন্ত।
আকাশ স্বৰূপ হুয় অদৃশ্য ভৈলন্ত ॥২৬৬
পাছে বীৰে পবন স্বৰূপ ধৰিলন্ত।
প্ৰচণ্ড পবন সভা চানি ৰহিলন্ত ॥
যত ৰাজ প্ৰজা মানে সবে আছে চাই।
নিমিষেকে সবাহাকে নিলা উড়ু য়াই ॥২৬৭
ভৈলেক বিহ্বল সবে শ্ৰুতি বুদ্ধি নাই।
নপুৰপি আনিয়া থৈলন্ত ঠাই ঠাই।

পুনৰ্ব্বাৰ মাৰুতি ৰামক নমিলন্ত।
দ্ৰৱ হুয়া সলিলৰ স্বৰূপ ভৈলন্ত ।২৬৮
বাঢ়ি গৈল জলমানে সভাক বুড়াই।
কতো উটে কতো বুড়ে নানা দুঃখ পাইল।
সিতো ৰূপ এড়ি হনুমন্ত দেখা দিল ;
পৃথিবী স্বৰূপ হুয়া বাঢ়িবে লাগিল ।২৬৯
নানা বিধ তৰু তৃণ লতা গুল্ম চয়।
প্ৰকাশন্তে আছে চতুৰ্ব্বিধ প্ৰাণী চয়।
নদী নদ সৰোবৰ সাগৰ ভূধৰ।
প্ৰকাশন্ত তাত নানা ৰত্ন মনোহৰ ।২৭০
পুনু পৃথিবীৰ ৰূপ এড়িয়া মাৰুতি।
জ্যোতি ৰূপ ধৰিলন্ত আশ্চৰ্য্য মূৰতি।
সহস্ৰ সূৰ্য্যৰ যেন প্ৰকাশ প্ৰচণ্ড।
জ্যোতিৰ প্ৰতপে প্ৰতাপিত সভা খণ্ড ।২৭১
চাহিবে নপাৰি যত সভাসদ চয়।
চক্ষু মুদি ৰহিলন্ত পৰম বিস্ময়।
সিতো ৰূপ এড়ি কপি-বেশ ধৰিলন্ত।
চক্ষু মেলি ৰাজা প্ৰজা সবে দেখিলন্ত ।২৭২
গুচিল সবাৰো ভয় প্ৰসন্ন হৃদয়।
পৰম বিস্ময় হুয়া আন্যো অন্যে কয়।

বাণৰ নহয় ইতো ঈশ্বৰ পুৰুষ।
শ্ৰীৰামক সেৱিয়া আছয়ে নিৰঙ্কুশ ॥২৭৩
কতো জ্ঞানি গণে বোলে কিসৰ বিস্ময়।
প্ৰভু ৰাম চন্দ্ৰে যাক দাস বুলিচয়॥
কিঞ্চিৎ আশ্চৰ্য্য কৰ্ম্ম তাসম্বাৰ নাই।
যিসবক সেৱিলেও মোক্ষ পদ পাই ॥২৭৪
পাছে মাৰুতিও শ্ৰীৰামৰ পাসে যায়
প্ৰদক্ষিণে নমিলা ৰামৰ দুই পাই॥
মাৰুতি বোলন্ত প্ৰভু আদেশক চাঁও।
এহি-ক্ষণে কুমাৰক বিচাৰিতে যাঁও ॥২৭৫
হুয়া আছে অভিজিত মুহূৰ্ত্ত এখন।
চক্ৰধাৰে সৰ্ব্ব দোষ কাৰবে বাৰণ
শ্ৰীৰামে বোলন্ত তুমি নিশ্চয়ে উচিত।
এহি শুভক্ষণে বাপ চলিয়োঁ ত্বৰিত ॥২৭৬
হেন অনুমতি পায় পাছে মহা বীৰ।
শ্ৰীৰামক নমিলন্ত পদে দিয়া শিৰ।
ভৰতক নমি নমিলন্ত লক্ষ্মণক।
শত্ৰুঘন কুমৰক আৰু সুগ্ৰীৱক ॥২৭৭
কেশৰীক নমি নমিলন্ত জাম্বৱন্ত।
অস্তাচল পৰ্ব্বতক ভেৰ কৰিলন্ত॥

মাৰুতিৰ কথা আৰে এহিমানে থওঁ।
সীতাদেবী যি কৰিল তাৰ কথা কওঁ ॥২৭৮
বাসুকীক চাই দেবী বুলীলা বচন।
চল নাগ ৰাজ পথ অযোধ্যা ভুবণ ॥
পুত্ৰক নপাই প্ৰভু সুখে কি আছন্ত।
কিবা খেদ কৰে কিবা বিচাৰ কৰন্ত ॥২৭৯
তৈসানি মোহোৰ দুঃখ প্ৰভু আছে পাই।
আবে জানো পুত্ৰ শোকে প্ৰাণ ছাড়ি যাই
আপোনাৰ দুঃখক সাহিবে পাৰো মই।
স্বামীৰ দুঃখক মোৰ নসহে হৃদয় ॥২৮০
পুত্ৰৰ নিমিত্তে কিবা মন্ত্ৰণা কৰয়।
ভালমতে জিজ্ঞাসা কৰিয়া আস তয় ॥
সীতাক প্ৰণমি নাগৰাজ চলিলন্ত।
ছদ্মবেশে অযোধ্যা পুৰত পশিলন্ত। ২৮১
বিচাৰ কাৰয়া সবে কাৰ্য্য ভাল মত
সীতাৰ আগত যাই ভৈলা উপগত ॥
প্ৰণামিয়া গোসানীক বুলিলা বচন।
ৰামৰ মন্ত্ৰণ মাতৃ শুনা এক মন। ২৮২
ৰামৰ আদেশে সুগ্ৰীৱাদি কপি বৰ্গ।
বিচাৰিলা লোকালোক মধ্যে সাত স্বৰ্গ ॥

সত্য লোক পাই ব্ৰহ্মা দেৱত পুছিল।
সাৱশেষে ব্ৰহ্মা সবে বৃত্তান্ত কহিল। ২৮৩
হনুমন্ত বীৰবৰ মহা মায়াশীল।
কুমাৰক বিচাৰিতে পাতালে পশিল।
আৰে যেহ যোগ্য হয় আজ্ঞা দিবেলাগে।
পাছে যেন হোক আমাসাৰ কৰ্ম্ম ভাগে। ২৮৪
জানকী বোলিন্ত নাগৰাজ চলি যাহা।
যত নাগ বীৰ মানে সবাকে আনাহা।
দৈত্য দানৱৰ মুখ্য বীৰ মানে।
অস্ত্ৰ শস্ত্ৰ ধৰিয় ৰহোক সাবধানে। ২৮৫
দ্বাৰবন্ধ কৰি সবে দ্বাৰ মুখে ৰৈব
কেহোঁ জনে কাতো মোৰ বাৰ্ত্তাক নকৈব।
আনকেসে লাগি আছে উপায় প্ৰচুৰ।
মাৰুতিৰ প্ৰতি মোৰ বুদ্ধি হৈলতুৰ। ২৮৬
গুপুতে থাকিবো আন নাহিকে উপায়।
বুলিলন্ত পাছে দেবী পৃথিবীক চায়।
শুনা মাতৃ হুয়া আছে যেন বিসঙ্গতি
শ্ৰীৰামৰ দূত আনি আছয় মাৰুতি। ২৮৭
নোহোক পুত্ৰক যদি পাই এহি ঠায়।
কিমতে ৰাখিবা তাৰ নেদেখোঁ উপায়।

পৃথিবী বোলন্ত কথা শুনিয়োক আই।
কেহো জন আসিবে নপাৰে ইতো ঠাই। ২৮৮
ইথানক প্ৰতি একো দিশে পথ নাই।
দিয়া আছো পথ মই তোমাকেসে চাই।
সেহি পথ এতিক্ষণে নিৰোধ কৰিব।
কেনমতে বায়ুসুত ইথানে পশিব। ২৮৯
অযুতাৰ্দ্ধ যোজনৰ অধে ঊৰ্দ্ধে ডাঠ।
এত মহা থানি কোনে কৰিবেক বাট।
হেন শুনি সতী বৰ আনন্দিত ভৈল।
গোঁসানীৰ আজ্ঞা পায় বাসুকীও গৈল। ২৯০
দেবীৰ আদেশ সাতো পাতালত কৈল।
সীতাৰ দোহাই আজ্ঞা বাধি বাধি গৈল।
নাগ দৈত্য দানব আসিল নিৰন্তৰ।
আনো সেনাগণ আসি ভৈল একতৰ। ২৯১
কতো কতো নগৰৰ ভিতৰ পশিল।
সাবহিতে গোঁসানীৰ আজ্ঞাত ৰহিল।
পঞ্চম হাজাৰ প্ৰহৰৰ সিতো বাট।
বজ্ৰ পাথৰেৰে ভূমি মাৰিলা কপাট। ২৯২
বৰ সাধিবাক যিতো সিথানে পশিল।
ওলাইবে নপাৰি সবে ভিতৰে ৰহিলা।

সিসবৰ পিতৃ মাতৃ বন্ধু গণ যত।
কিবা ভৈল বুলি কৰে বিকল মনত ॥২৯৩
আন্যো অন্যে সোধে কেহোঁ উদ্দেশ নপাই।
শোকত মজিল কৰো গাৱে শ্ৰুতি নাই।
পাছে হনুমন্ত অস্তাচল গিৰি পাই
সেহি পথে পাতালত পশিলন্ত যাই।৩৯৪
যমৰ নগৰ পাই যমত জনাইল।
পাত পাত কৰি ভালে বিচাৰিয়া চাইল।
অনন্তৰো স্থানত চাহিলা ভাল কৰি।
কিছুমান উদ্দেশ নপাইলা তাত হৰি। ২৯৫
সৰ্প বেশ ধৰি পাতালত চাহিলন্ত।
অনুমাত্ৰো জানকীৰ বাৰ্ত্তা নপাইলন্ত।
জলে স্থলে ভালমতে বিচাৰিয়া চাইলা।
অণ্ড কটাহক পাই নিবৰ্ত্তিয়া আইল। ২৯৬
ৰসাতল নগৰত পাশলন্ত যাই।
কাশ্যপৰ পুত্ৰগণ আছে সিটো ঠাই।
পৰম প্ৰচণ্ড সিটো দৈত্যৰ আচাৰ।
সংসাৰত বলে বীৰ্য্যে সবে অনিৰ্ব্বাৰ। ২৯৭
বিধি কহিআছে তাৰ মনুষ্যত ভয়।
এতেকেসে মনুষ্যৰ লোকক নাসয়।

মাবো মাঝে মনুষ্যত হাৱে স্বৰ্গে যাই
অত্ৰাৱতী চমকৰে লুটি পড়ি থাই। ২৯৮
সিসবৰ মাঝে নীৰে সেহি ৰূপ ধৰি।
সেহি ভাষা বুলি ফুৰে বিতৰিত কৰি।
ভুমি ৰূপ ধৰি পাছে ভূমিত পশিলা
পৃথিবীৰ মাঝে চতুৰ্দ্দিতে বিচাৰিলা।২৯৯
নপাই উদ্দেশ তাতো ঊৰ্দ্ধ গতি কৰি।
মহাতল নগৰত পশিলন্ত পৰি।
বড় বড় নাগ আছে প্ৰচণ্ড প্ৰভাৱ।
চলে উৰম্ফালে কাৰো নাহি হাত পাৱ।৩০০
কতো দশ কতো কুড়ি কতো সহস্ৰেক।
তুলি আছে মুখ বিষ ওঝাই অতিৰেক।
যতেক নাগিনী নাৰী সবা সোহিনয়।
সিসবৰো মুখে বিষ বহিলু সঞ্চৰয়।৩০১
কতো নাগ নাৰী দব মনুষ্যৰ নয়।
পূৰ্ণচন্দ্ৰ বদনী কঠিন স্তনচয়।
ৰূপে গুণে বিদ্যাধৰী সবো নোহে সৰি
জাতিত পাদ্মনী সবে সৰ্ব্বাঙ্গে সুন্দৰী।৩০২
কিন্তু এক ফণা আছে মাথাৰ উপৰে।
ফণামণি সবে অতিশয় শোভা কৰে।

অতি বিচক্ষণী সৰ্ব্বগুণে অনিন্দিতা।
ৰত্নে বিৰচিত সৰ্ব্বভূষণে ভূষিতা ॥৪০৩
কোটি কোটি বিদ্যাধৰী সম ৰূপে লক্ষি।
ফণাতেসে মাত্ৰ নাগকন্যা হেন দেখি।
কটাক্ষতে হৰে চিত্ত যোগেন্দ্ৰ সবৰ।
হেন নাৰী সব বীৰে দেখিলা বিস্তৰ ॥৩০৪
বিষৰ জ্বালায়ে প্ৰতাপিত সভাখান।
নাগ সৰ্প বিনে তাত প্ৰাণী নাহি আন।
মাৰুতিৰ গাৱে যেন লাগিল অগণি।
শ্ৰীৰামৰ সেৱা বলে থাকিল দগণি ॥৩০৫
নাগৰূপ ধৰি বীৰে বিচাৰিলা তথা।
পুছিলন্ত পূজা কোন দেবী আছে এথা॥
নাগগণে বোলে শুন কহিলো বুঝাই।
নাহি কোন দেবী আমাসাৰ ইতো ঠাই॥৩০৬
শুনি হনুমন্ত বাৰ তাৰ বঝাই।
তলাতল নগৰত ফুৰিলন্ত চাই।
সুতলতো বিচাৰিলা পাত পাত কৰি।
বিতলতো বীৰে প্ৰবেশিলা মায়া ধৰি ॥৩০৭
ত্ৰিশূল অঙ্কিত দৌল দেখিলা অনেক।
নানা নাম দেবী তাত আছয় প্ৰত্যেক।

সিদ্ধেশ্বৰী যোগেশ্বৰী সৰ্ব্বেশ্বৰী শ্যামা।
ভুবন ঈশ্বৰী ভূতেশ্বৰী দেবী বামা ॥৩০৮
প্ৰমথ ঈশ্বৰী শক্তিশ্বৰী লোকেশ্বৰী।
জনেশ্বৰী ত্ৰিলোক ঈশ্বৰী উগ্ৰেশ্বৰী ॥
হেন কোটি সংখ্যা দেবী আছে সেহি ঠাই।
পাইলো পাইলো বুলি মাৰুতিয়ে ফুৰেচাই ৩০৯
মন পবনৰ বেগে যাক সম নুই।
ফুৰন্ত মাৰুতি অতি ব্যাকুলিত হুই ॥
সৰ্ব্বোত্তমা দেবীৰ পাইলন্ত দোল পাছে।
অসংখ্য যোগিনী সবে উপাসন্তে আছে ॥ ৩১০
দ্বাৰত বসিয়া ধীৰে পুছন্ত দ্বাৰিত।
আসি আছো ময় বৰ সাধিতে দেবীত ॥
দ্বাৰি বোলে কোঠেৰ যোগিনী নাহি শুন।
ইদানিক এসবাত কিছু নাহি গুণ ॥ ৩১১
ভূতেশ্বৰী নামে দেবী পৃথিবী নন্দিনী।
আবিৰ্ভাব হুয়া আছে অতি বিচক্ষণী ॥
বেশ্যা নাৰী পুৰুষৰ তেহে দৃশ্য নুই।
শুদ্ধ ভাবে যেহি বাঞ্ছে সেহি সিদ্ধি হুই ॥ ৩১২
পুজিবাক লাগে ফল পুষ্পাদিয়া মাত্ৰ।
এহি সব দেবী পূজা খাইবাৰেসে পাত্ৰ ॥

একো সিদ্ধি দিবে নপাৰয় জানা সাৰ।
পূজা খাই থাকে কৰি লোকত প্ৰচাৰ॥ ৩১৩
হংস ছাগ মহিষৰ তেজ যত পাই।
খাহান্তে খাহান্তে তাৰো তৃষ্ণা বাঢ়ি যাই॥
পূজা খাইবে নপাইলে তাহাতো ৰোষ চড়ে।
নানা ব্যাধি বিপদ সিন্ধুত সিতো পড়ে॥ ৩১৪
এতেকেসে তোক মই বোলো দয়া তৰে।
যদি বাঞ্ছা আছে চল অতল নগৰে॥
যদি বহু দুৰ পথ যাইবাক লাগয়।
প্ৰয়াস বাহুল্যে ফল বাহুল্য হোৱয়॥ ৩১৫
তথাতে পুছিলে পাইবি যথা আছে দেবী।
পাইবি মনোৰথ তাঙ্ক শুদ্ধ ভাৱে সেবি॥
ৰহস্য কৰিয়া ইথানৰ প্ৰজাচয়।
আয়াবাত কৰি আছে নজানস তয়॥ ৩১৬
শুনি মাৰুতিৰ হৈল হৰিষ মনত।
অতল নগৰে যাই ভৈল উপগত॥
পৰম মোহিনী কন্যা ৰূপে বিতোপন।
ভৈলন্ত মাৰুতি বেশ্যা নাৰী ৰঙ্গ মন॥ ৩১৭
হাস লাসে মোহি ফুৰে পুৰুষৰ মন।
এক গৃহস্থৰ ঘৰে ভৈলা উপসন॥

শুনা সভা সদ ৰামায়ণ পদ সাৰ।
ইহাৰ শ্ৰৱণে কৰে পাপত উদ্ধাৰ। ৩১৮
ঘোৰ কলি পাইল সৰ্ব্ব ধৰ্ম্মক নাশিল।
দুষ্ট কালসৰ্প আসি সমীপ চাপিল।
নিশ্চিন্তে আছাহা কেনে উন্মত্তৰ নয়।
যমৰ যাতনা কি ভুঞ্জিতে নলাগয়। ৩১৯
কাত্ৰে গহ কৰি আছা নুগুণা মনত।
হৰি বিনে তাৰন্তা নাহিক সংসাৰত।
সমস্ত শাস্ত্ৰৰ ইনে পৰমাৰ্থ সাৰ।
হৰিনাম বিনে নাহি পাপত নিস্তাৰ। ৩২০
নাহিকে প্ৰয়াস একো নাম কীৰ্ত্তনত।
উচ্চাৰন্তে নিঃশেষ পাপক কৰে হত।
হেনজানি ভেজা সবে ভাৱভুৱ কাম।
কহে ৰঘুনাথে ডাকি বোলা ৰাম ৰাম। ৩২১

দুলড়ি।

পাছে যেন কাষ, শুনিয়ো সমাজ,
নাৰী বেশী হনুমন্ত।
অঙ্গিনাত যাই, আছন্ত দেখিয়া,
গৃহস্থিনী পুছিলন্ত।

তুমিতো ৰমণী, কাহাৰ নন্দিনী,
যাহ কোন স্থান লই।
আমাৰ ইথান, তোমাৰ সমান,
নাৰী দেখা শুনা নাই ॥৩২২
কিবা প্ৰয়োজন, আমাৰ ভবন,
কহিয়োক তুমি তাক।
মায়া কপি চায়, বোলে শুনা আই,
কহিবো স্বৰূপ বাক ॥
চন্দ্ৰ কেতু নাম, মোহোৰ জনক,
পৃথিবী মণ্ডলে ৰাজা।
নামে হেমবল্লী, মোহোৰ জননী,
আছে তান চাৰি প্ৰজা ॥৩২৩
মিথিলাৰ পতি, জনক নৃপতি,
তান জীৱ সীতা সতী।
ৰত্নমঞ্জৰিনী, নাম মই সমে,
সীতা কৈল মিত্ৰৱতী ॥
শয়নে ভোজনে, এড়া এড়ি নাই,
থাকো এক পিণ্ড হই।
ৰামক সুস্বামী, লভি সীতা সতী,
গৈল মোকো সঙ্গে লই ॥৩২৪

কতো কাল মান, একত্ৰে আছিলো,
মিলিল দৈব বিপাক।
ৰামক ত্যজিল, পাতালে পশিল,
নানিল সখী আমাক ॥
ত্যজি অন্নপান, বাতুলৰ ঠান,
ফুৰোহো ব্যাকুল ভাৱ।
সখাৰ পিৰিতি, সুমৰিয়া নিতি,
দহে মোৰ সৰ্ব্বগাৱ ।।৩২৫।।
গ্ৰাম নগৰত, দুৰ্গম বনত,
হতাশতে ফুৰো চাই।
হেনতো শঙ্কট, মিলিল দুৰ্ঘট,
কি কহিবো তাক আই ॥
পৰম দন্দুৰ, বল্লল অসুৰ,
মোক দেখি ভোল ভৈল ।
পৰম প্ৰমত্ত, কামে উনমত্ত,
মোক হৰিবাক গৈল ॥৩২৬
নানতে অবলা, বল হীনা নাৰী,
কিকৰিবো মই তাক।
ইঠাৱতে আনি, এড়ি গৈলা মোক,
মিলিল কৰ্ম্ম বিপাক ॥

কাহাকো নিচিনি, নজানিয়া আত,
ফুৰো অতি বিয়াকুলি।
আইলো কতদূৰ, ইতো কোন পুৰ,
নজানো তাক সমুলি ॥৩২৭
গৃহৰ বঝাই, মাৰুতিক চাই,
বোলে এক বৃদ্ধা নাৰী।
সীতা নামে এক, দেবীৰ কাহিনী,
আমি কহিবাক পাৰি।
মোৰজীৱ খানি, বৰ সাধিবাক,
গৈয়া আছে তান ঠাই।
পথ নিৰোধিল, আসিবে নপাইল,
আছয় দুৰ্ঘটে পাই ॥৩২৮
মায়াবি মাৰুতি, বিনয়ে সোধয়,
কহা আই ভালকৰি।
কিবা হেতু পথ, নিৰোধি আছয়,
শুনোহোঁ তাক সুন্দৰি।
গৃহস্থিনী বোলে, শুনহ সুন্দৰী,
নুবুলিলো মিছাবাক।
সীতাৰ দোহাই, দিয়া নাগ ৰাজ,
কৈবে দিয়া আছে হাক ॥৩২৯

চাপি আস তয়, গুপ্তে কহোঁ ময়,
নজানিবে কেহোঁ আৰ।
কাহাতো নকৈবা, আপুনি জানিবা,
কহিলে মিলিবে মাৰ॥
সূৰ্য্যবংশে জাত, ৰাম নামে খ্যাত,
ঈশ্বৰৰ অবতাৰ।
দুৰ্জন নাশিতে, সজ্জন পালিতে,
খণ্ডিলা ভূমিৰ ভাৰ॥৩৩০
গুণে অনিন্দিতা, তান ভাৰ্য্যা সীতা
স্বামীত ৰোষ কৰিল।
মহাক্রোধ কৰি, স্বামী পুত্র এৰি,
আমাৰ স্থানে আসিল॥
সীতায়ে পঠাইল, সৰ্পৰাজ গৈল,
কুমাৰ হৰিবে লাগি।
আছোক হৰিবে, ৰাম সভা দেখি,
ভয়ে গৈল গৰ্ব্ব ভাগি॥৩৩১
গোঁসানীত কৈল, বৰ মাগি লৈল,
সৰ্পৰাজে পুনৰ্ব্বাৰ।
মহা মায়া কৰি, আনিলেক হৰি,
ৰামৰ দুই কুমাৰ॥

পুনু যাসুকিয়ে, অযোধ্যাক যাই,
বুঝিয়া সমস্তে কাৰ্য্য।
দেবীত কহিলা, কুমৰ বিচাৰি,
আসে হনু কপিৰাজ।৩৩২
তাহাৰ সমান, বীৰ গোট শুনো
ব্ৰহ্মাণ্ডৰ মধ্যে নায়।
বিষ্ণু আদি কৰি, সমস্ত দেৱৰ,
বৰত অবধ্য কায়।
সীতা গোঁসানীৰ, পুত্ৰতো অধিক,
তাক লাগি দয়া চাৰ।
উপায় নপাই, বজ্ৰ শিলা দিয়া,
মাৰিলা বিবৰ দ্বাৰ॥ ৩৩৩
হনুমন্তে কহে, মোৰ সখী নোহে,
নাহি তান পুত্ৰ জীৱ।
অযোধ্যাৰ পতি, নোহে তান পতি,
মিছা বাৰ্ত্তা কহা কিয়।
যাৰ কথা কহা, তাকো জানো মই,
কহিবে লাগে কিসক।
যিটো হনুমন্ত, দেখিলো তাহাক,
মৰিয়া গৈল স্বৰ্গক। ৩৩৪

কালনেমি নাম, ৰাক্ষসৰ ভ্ৰাতৃ,
বজ্ৰনেমি বোলে যাক।
বন্ধুৰ বিয়োগে, ফুৰে মহা শোকে,
ভ্ৰাতৃ ঋণ সুঝিবাক॥
ফুৰয় প্ৰবন্ধি, নপাৰয় সন্ধি,
ছিদ্ৰ পাইল ইথানত।
গদায়ে কোবাই, মাৰিলা এথাই,
পড়ি আছে গিৰিমত॥ ৩৩৫
গৃহস্থনী বোলে, মিছা কহ তয়,
কোনে মাৰিবেক তাক।
দেবাসুৰ নৰ, ভয়ে তৰতৰ,
কালো ভয় কৰে যাক॥
কোন বজ্ৰনেমি, মাৰিবেক তাক,
নকহিবি কিছু আৰ।
চলি যাওঁ মই, দেখাই দেস তই,
যেবে কহি আছ সাৰ॥ ৩৩৬।
বোলয় দেখাইবো, নিশ্চয় কহিলো,
নহিকে সংশয় আন।
বিবৰ মাঝত, পড়িয়া আছয়,
গন্ধে ফুটি যাই প্ৰাণ॥

হেন শুনি সবে, চাহিবে লড়িলা,
মাৰুতিক আগ কৰি।
মায়া বেশ ধৰি, মৃত কপি ৰূপে,
হনুমন্ত আছে পড়ি। ৩৩৭
তাত অসংখ্যাত, মক্ষিকা পড়িয়া,
মাংস খাই নাদ কৰে।
অঙ্গুলি তাৰিয়া, দেখাইলন্ত নিয়া,
নাৰী বেশী কপিবৰে।
দেখিয়া আনন্দ, সবেও বোলয়,
আমাৰ সুদিন ভৈল।
জানকীৰ দ্ৰোহ, কৰিবাক আসি,
কপি যমঘৰে গৈল। ৩৩৮
হনুমন্ত বীৰ, মৰি পড়ি আছে,
সমস্ত লোকে জানিলা।
পাছে বসুমতী, গোঁসানীয়ো শুনি,
চাহিবে লাগি চলিলা।
পৰ্ব্বত সদৃশ, পড়িয়া আছয়,
দেবী ঘুৰি ঘুৰি চাই।
হনুমন্ত হয়, লভিয়া প্ৰত্যয়,
গৈলা জানকীৰ ঠাই। ৩৩৯

বজ্র পাথৰৰ, ভাঙ্গিয়া কপাট,
দ্বাৰ দিলা মুক্ত কৰি ।
অল্প হাস্য কৰি, বুলিলা ধৰণী,
জানকীৰ গলে ধৰি ॥
শুনা মাৰ সীতা, নকৰিবা চিন্তা,
সৰ্ব্ব কাৰ্য্য সুমঙ্গল ।
অতল বিবৰে, পবন কুমাৰে,
সৰি গৈল ৰসাতল ।৩৪০
পুত্ৰ দুই সমে, এবে সুখে থাকা
নাহিকে চিন্তা মনত ।
শুনি গোসানীৰ, কম্পিত শৰীৰ,
জ্বলিল বহ্নি গাৱত ।
হাহা মহাসত্ত্ব, বীৰ হনুমন্ত,
কিমতে প্ৰাণ সুঝাইলে ।
ৰাম স্বামী কেনে, প্ৰাণ ধৰিবন্ত,
হনুহত বাৰ্ত্তা পাইলে ।৩৪১
মাতৃ বসুন্ধৰী, কহাভাল কৰি,
বধিল কোন তাহাক ।
ত্ৰিদশৰ বৰে, অবধ্য শৰীৰ,
কোনে খণ্ডিলেক তাক ।

পৃথিবী বদতি, শুনা সীতা সতী,
শুনিলো মঢ়ো হেনয়।
কালনেমি নামে, ৰাক্ষস দুৰ্জ্জয়,
দুষ্টমতি পাপাচয়।৩৪২
লক্ষ্মণক লাগি, ঔষধি যোজন্তে,
পবন তনয়ে পাই।
নানা বিকর্থনা, কৰিয়া তাহাক,
যমপুৰে দিলা ঠাই।
ভ্ৰাতৃৰ শোকত, থাকি নিশাচৰ,
কতো দিনে ছিদ্ৰ পাই।
একেস্বৰে পাই, গদাৰে কোবাই,
দিলা যমঘৰে ঠাই।৩৪৩
জানকী বোলয়, হেন কি হোৱয়,
শশাৰ মাথাত শৃঙ্গ!
কৈত দেখি শুনি, আছাহা আপুনি,
কুক্কুৰে মাৰয় সিংহ।
শ্ৰীৰামৰ প্ৰিয়, দাস মাৰুতিৰ,
মৃত্যু একো স্থানে নাই।
তেবেসে ৰাক্ষসে, মাৰিলে বোলাহা,
কিবুলিবো তেবে আই।৩৪৪

আন্দোলিত চিত্ত, হুয়া মহাসতী,
ৰহিলন্ত কষ্টমন।
মায়া ৰূপী কপি, ভাবে কতোক্ষণে,
পাওঁ দেবী দৰশন॥
অলক্ষিতে এই, নাৰীবেশে মই,
স্ত্রীগণ সবে যাইবো।
অন্যথা দেবীৰ, বিচাৰ কৰিয়া,
দৰ্শন মই নপাইবো॥৩৪৫
হেনয় নিশ্চয়, কৰিয়া মাৰুতি,
নাৰীগণ সমে যাই।
ঊৰ্দ্ধগতি কৰি, দেবীৰ নগৰ,
দ্বাৰত ৰহিলা পাই॥
দেবীৰ আদেশ, বুলি দ্বাৰ পালে,
ৰাখিলা বাধি সবাক।
যাক আজ্ঞা হয়, তাক এড়ি দেয়,
নেইড়ে আজ্ঞা নাসে যাক॥৩৪৬
মাৰুতি বোলয়, কেনমতে ময়,
পশিবোহো অভ্যন্তৰ।
ছুৱাৰিক যাই, কাতৰ কৰোহো,
এড়ে কি নেড়ে দ্বাৰৰ॥

যদি নেড়ে মই, অলক্ষিত হুয়া,
যাইবাক আছয় বল।
সীতা গোসানীৰ, দোহাই দিয়াছে,
আতেসে খেপাওঁ চল ॥৩৪৭
এহিচিন্তি পাছে, দুৱৰীৰ কাষে,
গৈয়া বুলিলেক বাক।
দ্বাৰ মুক্তকৰ, চলোঁ অভ্যন্তৰ,
নোবোলা বাধা আমাক ॥
চিত্ত স্থিৰ হুয়া, মহাব্ৰত ধৰি,
আছো এথা বহুকাল।
আমাৰ কপালে, বিধাতা মিলাল,
নকৰা তুমি জঞ্জাল ॥৩৪৮
কৰোহোঁ মিনতি, দিয়া অনুমতি,
নিমাখিতি মই নাৰী।
নতুবা তোমাত, বধ দিয়া মই,
মৰিবো হানি কটাৰি ॥
দ্বাৰী বোলে আই, কেন হেন বোলা,
আমি পৰাধিন প্ৰাণী।
মৰিলেও বধ, নলাগিব মোত,
কহিলো স্বৰূপ বাণী ॥৩৪৯

তথাপিতো তোক, দিলোঁ দ্বাৰ এড়ি,
ই সব নাৰীৰ পাছে।
গোসানীৰ আজ্ঞা, আনতো কহিয়া,
যাইবা যিবা যৈত আছে ।
শুনিয়া মাৰুতি, আনন্দিত মতি,
লৈলা নাগিনীৰ সঙ্গ।
বিবৰ এড়াই, দিব্য পুৰি পাই,
লভিল পৰম ৰঙ্গ ।৩৫০
দেবীক দেখিতে, উত্ৰোৱল চিত্তে,
নাৰীগণ সমে যাই ।
অতি বিতোপন, ৰত্নৰ ভবন,
দেখন্তে গৈয়া তথায়।
কতহো ৰখাই, কতহো সোমাই,
আগে পাছে বেত্ৰধৰ ।
আনৰ যুথত, আন প্ৰবেশিলে,
প্ৰহাৰ পাইবে এৰ ।৩৫১
সিতো যুথেবীৰ, মাৰুতি আছয়,
সিযুথক আজ্ঞা ভৈল ।
বেত্ৰধৰ সব, আগ পাছ হুয়া,
অভ্যন্তৰে লৈয়া গৈল ।

দিব্য সিংহাসনে, দুই পুত্ৰ সমে,
দেবীক বীৰে দেখিল।
সিহৰিল গাৱ, ব্যাকুল স্বভাৱ,
নেত্ৰৰ নিৰ ঝৰিল ॥৩৫২
নাৰীগণ সমে, পড়ি প্ৰণামিলা,
ভক্তি ভাৱে জানুপাড়ি।
দিয়া ইষ্ট বৰ, কৰোঁহো কাতৰ,
বোলে সবে যত নাৰী॥
মাৰুতি বদতি, শুনা ভগৱতী,
সুৰেশ্বৰী ব্ৰতেশ্বৰী।
সৃষ্টিৰ কাৰিণী, জগত তাৰিণী,
আছা লীলা তনু ধৰি ॥ ৩৫৩
অবিদ্যা স্বৰূপ, জীব সমস্তক,
সংসাৰ নিকাৰে দিয়া।
বিদ্যা ৰূপে পুনু, তুমি ভগৱতী,
সংসাৰ তাৰিয়া নিয়া ॥
যেহি ৰূপে ভাবে, সেহি ৰূপে পাৱে,
তুমি জগতৰ মাতা।
তুমি সৰ্ব্বশ্ৰেষ্ঠা তুমি সৰ্ব্ব পোষ্ঠা
তুমি সৰ্ব্ব লোক ধাতা ॥ ৩৫৪

তোমাত বিনয় যেন জড় প্ৰায়
পুৰুষৰ চেষ্টা নাই ।
নানা পূজা পায় আনন্দিত কায়
হুইবাক কিবা যুয়াই ॥
পুৰুষ শক্তিৰ যদি ভিন্ন নাই
স্বৰূপ শীতল হয় ।
সাক্ষাতে প্ৰমাণ কোনে নমানিব
তোমাতে দিল প্ৰত্যয় ॥ ৩৫৫
সংসাৰিক দুঃখ দেখাই আছা তুমি
তথাপি আমি অভাগী ।
ফুৰোবাঞ্ছা কৰি পতি পুত্ৰ সমে
সুখে থাকিবাক লাগি ॥
পুৰুষৰ ইচ্ছা শকতি আছয়
বেদ পুৰাণত গাই ।
শক্তিৰ স্বচ্ছন্দ বিহাৰ আচাৰ
কোনো তন্ত্ৰে শুনা নাই ॥ ৩৫৬
শাস্ত্ৰক বিনাশি স্বচ্ছন্দ বিলাসি
লগাইল মনত খেদ ।
পতি পুত্ৰ চয় নমাগোঁহোঁ ময়
সবাতে ভৈলো নিৰ্ব্বেদ ॥

কিন্তু এহি বৰ সাধোঁ নিৰন্তৰ
দয়া দৃষ্টি কৰা মোক।
অবিছিন্ন ভাবে তব স্বামী পাবে
মোহোৰ ভকতি হোক ॥৩৫৭
যদি বোলা হেন বৰক সাধন্তা
কেহোঁজন আন নাই।
যাৰ যেহি ইচ্ছা তাহাকে সাধোক
তাত মোৰ কিবা দাই ॥
শুনা সভাসদ হুয়া নিশবদ
ৰামায়ণ পদ সাৰ।
ইহাৰ শ্রবণ কীৰ্ত্তন কৰিয়া
পাপ কৰা বুন্দা মাৰ ॥ ৩৫৮
ৰামৰ সমান কৃপালু দেবতা
নাহি নাহি আন কেৱ।
বিষয়ৰ চিন্তা পৰি হৰি সবে
তান পদে কৰা সেৱ ॥
একান্ত শৰণে ৰামৰ চৰণে
ভজা তেজি আন কাম।
কহে ৰঘুনাথ কথা পৰমাৰ্থ
ডাকি বোলা ৰাম ৰাম ॥ ৩৫৯ ॥

পদ।

শুনা আতপৰে যেন কথা বিতোপন।
শুনিয়া কন্যাক দেবী বুলিলা বচন॥
যিহেতু ৰহস্য স্তবে সন্তোষিলি মোক।
সত্যে সত্যে বোলোঁ যেহি বাঞ্ছা সেহি হোক॥
শুনি মাৰুতিৰ ভৈল আনন্দ অশেষ।
নিউক বুলি দিলা দেবী সবাকে আদেশ॥
শুনি বেএধৰ সব আগে পাছে ভৈল।
বিবৰ দ্বাৰৰ নিয়া বাঝ কৰি থৈল॥৩৬১
পাছে লৱ কুশে বোলে মাতৃত বিনয়।
এইৰ স্তুতি শুনি মাৰ ভৈলোহোঁ বিস্ময়॥
স্বৰূপ বুলিল নুবুলিল স্তুতি চয়।
আপুনিয়ে চাহা গুণি হয়কি নহয়॥৩৬২
কৈত দেখি আছাহা কন্যাৰ হেন জ্ঞান।
আপোনাৰ মাত্র সাধি ফুৰয় কল্যাণ॥
কন্যা নোহে ইতো আমাসাৰ মনে লয়।
স্তুতিতে জানিলো হৈবে পবন তনয়॥৩৬৩
কন্যা বেশে আসি ভৈল ছলিতে আমাক।
অজিজ্ঞাসে তুমিয়ে বুলিলা সত্য বাক॥

তোমাক নিবাক যদি আছে বাঞ্ছা কৰি।
কিমতে নযাইবা তুমি ইতো পৰি হৰি ।৩৬৪
একেশ্বৰে মাৰুতিক ৰাক্ষসে ৰধিল।
সৰ্ব্বলোকে তাৰ শব দেখিয়া জানিল ॥
ইয়ো মাৰুতিৰ মায়া জান বাহা গাৰ।
ব্ৰহ্মাণ্ডৰ মধ্যে তাৰ কোনে চিন্তে মাৰ ॥
সাধুৰ দাসৰ দাস দুৰ্জ্জনৰ যম।
যমকাল মৃত্যুয়ে যাহাৰ নোহে সম ॥
ব্ৰহ্মা বিষ্ণু মহেশতো যাৰ নাহি ত্ৰাস।
হেন মাৰুতিৰ মৃত্যু শুনি উঠে হাস ।৩৬৬
শ্ৰীৰামৰ প্ৰিয় দাস যাত পৰে নাই।
তুমিও অধিক দয়া কৰি আছা আই ॥
তুচ্ছ বজ্ৰনেমি তাক কৰিলা বিনাশ।
ইতো কথা শুনি কাৰ নু বেক হাস।৩৬৭
আপোনাৰ বাক্য পাশে আপুনি ছান্দিলা।
হেন জানা মাৰুতিৰ হাততে পৰিলা ॥
হেনশুনি দেবী বোলে ভাল জিজ্ঞাসিলা।
তোমাসাৰ বাক্য মোৰ মনত লাগিলা ॥ ।৩৬৮
স্তুতি নুবুলিলে নকৰিলে অভিনন্দা।
চলবাদে মোক মাত্ৰ কৰিলেক নিন্দা ॥

মোৰ দয়া সাধিলেক ৰামত ভকতি।
জানিলো নুহিবে আন নিশ্চয়ে মাৰুতি।৩৬৯
পাছে দেবী বুলিলন্ত পৃথিবীক চাই।
অবিচাৰে কি কাম কৰিলা তুমি আই।
মাৰুতি মৰিল বুলি নিঃশংসয় ভৈলা।
কাতো নুপুছিয়া কেনে দ্বাৰ মুক্ত কৈলা।৩৭০
কপটে মাৰুতি কন্যা বেশক ধৰিয়া।
কন্যাগণ সমে গৈল বৰক সাধিয়া।
এক্ষণে উচিত যেহি কহিবাক লাগে।
যি হৌক সি হৌক পাছে নিজ কৰ্ম্ম ভাগে।৩৭১
ধৰণী বোলয় সিতো মায়াবী বানৰ।
নজানো কিমতে পশিলন্ত অভ্যন্তৰ।
কিবা অভ্যন্তৰে পশি গৈল বাঝ হুই।
কিবা ইতো থানত কপটে আছে ৰই।৩৭২
ইহাৰ নিৰ্ণয় যদি পাৰা কহা আই।
যদি বাঝ ভৈল তেবে দ্বাৰ বান্ধ যাই।
যদিবা এথাত সিতো আছয় সোমাই।
তেবে বীৰগণ আনো এথাকে কোঙ্কাই।৩৭৩
একো নাগ বীৰ জগতৰ ভয়ঙ্কৰ।
অযুত নিযুত বল প্ৰমত্ত গজৰ।

বিষঢালি দহিবে পাৰয় ত্ৰিভুবন।
তাৰ আগে কোন বস্তু পবন নন্দন।৩৭৪
নকৰিবা ত্ৰাস কিছু হুয়োক নিৰ্ভয়।
শুনি লৱ কুশ দুয়ো আনন্দে হাসয়।
অতিশয় বৃদ্ধা যদি মাতামহী হয়।
চৱালৰ ঠানে বাণী তথাপি খোলয়।৩৭৫
একে বাৰে যুঝে যদি লক্ষ লক্ষ নাগে।
তেবে ভাল যদি লাঙ্গ ছুটিতে নভাগে।
খৰিত্ৰী বোলয় তোৰা দুখেৰ ছৱাল।
নাগৰ বিক্ৰম দেখি আছ কোন কাল।৩৭৬
উপজি শৃগালে পথাৰৰ পানী চাই।
বোলে হেনমত বান একো কালে নাই।
তেন মতে বোলা তুমি মাৰুতিক বড়।
তেবে ভাল বীৰ যদি নামাৰে লৱৰ। ৩৭৭
লৱ কুশ বোলে তযু বচন উচিত।
আমি বালকৰ যোগ্য নোহয় খণ্ডিত।
বালকৰ বাক্যত নকৰা অপমান।
কিন্তু পলাইবাক চাহা নিৰঞ্জন স্থান। ৩৭৮
হাসি সীতা দেবী বোলে পুত্ৰ দুইক চাই।
আৰ কিছু নুবুলিবা দুখ পাৱে আই।

পাছে বসুমতী দ্বাৰ নিৰোধ কৰিল।
নাগবীৰ গণ বাহিৰত ৰক্ষা দিল। ৩৭৯
মাৰুতি আসিল সবে জনাঙ্গনি ভৈল।
নাগ ৰাজগণে মুণ্ড ঘুমাইবাক লৈল।
অনন্তৰ ভয় মুখে বোলে গৰ্ব্ববাক।
কৈৰ হনুমন্ত কোনে দেখাইবে আমাক। ৩৮০
বানৰ সহিতে যুদ্ধ কৰিবাক লাজ।
শুনিয়া হাসিবে যত নাগিণী সমাজ।
আমাক যুঝিয়া এড়াই যাইবে কাৰ বাপ।
বাৰব বহ্নিত যেন পতঙ্গৰ ঝাপ। ৩৮১
কন্যা বেশী হনুমন্তে গুণে মনে মন।
জনা জনি ভৈল দেখো মোৰ আগমন।
কিমতে জানিল আক নপাও খুজিয়া।
এক কথা মনে ময় আছোহোঁ শঙ্কিয়া। ৩৮২
যখন সীতাক মই দৰশন পাই।
কৰিবে লাগিলো স্তুতি চৰণক চাই।
লব কুশ দুই ভাই মন্দ মন্দ হাসি।
মোক ঘনে ঘনে চাই কটাক্ষ বিলাসি। ৩৮৩
অন্যো অন্যে কৰ্ণে কিবা জপিলেক বাণী।
নিশ্চয়ে জানিলো চিনিলেক দুয়ো প্ৰাণী।

সঙ্কেত কৰিয়া জানো. মাতৃত কহিল।
তাতেসে গোসাঁনী বাঝ কৰিবে বুলিল ॥ ৩৮৪
পাছতে কপাট দিয়া বিবৰ মাৰিল।
মহাকোপে নাগ গণে যুঝিতে সাজিল ॥
দুই ভাইৰ পদে সবে জনা জনি ভৈল।
নজানিবে আনে মোৰ মনে হেন লৈল ॥ ৩৮৫
হৌক জনাজনি তাত মোৰ কিবা হানি।
মোক বৰ দিয়া আছে আপুনি গোসাঁনী ॥
আবে যেহি বাঞ্ছো তাকে পাৰোহোঁ কৰিতে।
দেখো নাগগণে দৰ্প কৰে বিপৰীতে ॥৩৮৬
ময় সমে যুঝিবাক লাজসে লাগয়।
নাৰীগণে হাসে বুলি কৰিছে সংশয় ॥
ইসবাৰ সংশয় কৰিতে লাগে দূৰ।
হন্তুয়াইবো নুহি কন্দুয়াইবো নাগ পুৰ ॥ ৩৮৭
পাছে যেহি বাঞ্ছো মনে তাহাকে কৰিবো।
কথা ছলে আবে আসম্বাক চিনা দিবোঁ ॥
ইতো নাগগণে যুদ্ধ কৰে কেনমত।
নতু দেখা পাঁও মই ইতিনি লোকত ॥৩৮৮
যদি নাগগণ সমে যুদ্ধ নকৰিবো।
ৰাঘৱৰ সমাজত কি কথা কহিবো ॥

হওঁ শ্ৰীৰামৰ দাস পবন তনয়।
পাতাল পুৰতো ভালে জনাইবে লাগয়। ৩৮৯
সৰ্ব্ব কাৰ্য্য সিদ্ধি মোৰ কিসৰ সংশয়।
এহি চিন্তি হাঁসিলন্ত অঞ্জনা তনয়।
দেখি নাগগণে অন্যো অন্যে বোলে বাক।
কৈৰ নাৰী কি কাৰণে হাসয় আমাক। ৩৯০
মায়াৱতী বোলে মই তোমাসাৰ দাসী।
গৰ্ব্ব শুনি তোমাসাৰ উঠে মোৰ হাসি।
দানৱৰ ঝীৱ ময় নামত ললীতা
সৰমা ৰাক্ষসী সমে আছিল সখিতা। ৩৯১
তান মুখে শুনি আছো কথা অনুপাম।
ৰাম ৰাৱণৰ যেন অদ্ভুত সংগ্ৰাম।
সি যুদ্ধত মাৰুতিৰ মহিমা অতুল।
শুনিয়া আজিয়ো মোৰ হৃদয় ব্যকুল। ৩৯২
কুম্ভকৰ্ণ নিকুম্ভ ত্ৰিশিৰা অতিকায়।
দেৱান্তক নৰান্তক যাক সম নায়।
ইন্দ্ৰজিত অগ্নিকেতু মকৰাক্ষ বীৰ।
দুৰ্জ্জয় ৰাৱণ যাৰ নিঃকম্প শৰীৰ। ৩৯৩
দেৱাসুৰ নৰ যাৰ ভয়ে তৰ তৰ।
তাহাৰো কৰিল অন্ত যিতো বীৰ বৰ।

হেনয় বীৰক যুদ্ধ নকৰা লজ্জায়।
কোনমো মুগুঢ়ে হেন শুনিব বড়ায়॥ ৩৯৪
নাৰীগণ আগে কেনে কৰস বড়াই।
মাৰুতিয়ে পাইলে সবে গর্ব্ব হৈবে ঠাই॥
হেনশুনি নাগগণে ক্রোধ কৰি চাই।
বোলে এই হেন ৰটে কাত গহ পাই॥ ৩৯৫
নোহে নাৰা ইতো জনা মাৰুতি বানৰ।
মায়া কৰি আসি পশিলেক অভ্যন্তৰ॥
কিবা চাস লাঞ্জে পকাই আছাড়িয়া মাৰ।
কতো বোলে বেড়ি কৰ লাঞ্জুৰ প্রহাৰ॥ ৩৯৬
তৰল বানৰ জাতি অলপিক জন।
আমাৰ স্থানক ইটো আসে কি কাৰণ॥
জীয়ন্তে নেড়িবো আক বধিবো পৰাণে।
কাত গহে গর্ব্ব কৰে বানৰ অজ্ঞানে॥ ৩৯৭
এহি বুলি নাগগণে চৌভিতি বেঢ়িল।
ধৰ মাৰ বুলি সবে আন্দোল কৰিল॥
দেখিয়া মাৰুতি বোলে শুন নাগগণ।
নাৰীৰ উপৰে এত খঙ্গ কি কাৰণ॥ ৩৯৮
বিষ জালে দহিবাক পাৰাহা সংসাৰ।
সহজে অবলা নাৰী মই কোন ছাৰ॥

মাৰিলেও তোমাসাৰ নহৈব সুখ্যাতি।
কিসক কৰিতে চাহা পাপ নাৰীঘাতি। ৩৯৯
উচিত কহন্তে কৰা এত মান ক্রোধ।
বুজিলোহোঁ নাগগণ পৰম নির্ব্বোধ।
মাৰিবাক পাৰ যদি তভো আছে ভাল।
কিজানি ইহাতে আসি মিলয় জঞ্জাল। ৪০০
এতেকে তোমৰা মোৰ উপদেশ ধৰা।
আপোনাৰ আত্মাঘাত আপুনি নকৰা।
মাৰুতিয়ে পাইলে কাকো নেৰিবেক ভালে
হেনজানি প্রাণ লৈয়া পলাহ সকলে। ৪০১
হেনশুনি নাগগণ দ্বিগুণে কিটাইল।
ধৰিবাক লাগি সবে মহাকোপে ধাইল।
ধৃতৰাষ্ট্র বাসুকী তক্ষক পুণ্ডৰীক।
কুশক শোষক আৰ সুতক কুলিক॥ ৪০২
কালমুখ শিলামুখ চন্দ্রমুখ খ্যাত।
বজ্রমুখ অগ্নিমুখ আদি অসংখ্যাত।
সবেও বেঢ়িল গৈয়া কৰি মাৰ মাৰ।
বিষৰ জালত দশ দিগ অন্ধকাৰ। ৪০৩
দেখিলা মাৰুতি বেঢ়িলেক নাগচয়।
ভৈল কপিবেশ নাৰী বেশ এড়ি তয়।

হিমৱন্ত গিৰি যেন শৰীৰ বঢ়াইল।
আকাশক লাগি লাঞ্জ গোটক উধাইল ॥ ৪০৪
মুণ্ড গোট তুলিলেক স্তব্ধ দুই কৰ্ণ।
মুখ গোট দেখি যেন কাল মেঘ বৰ্ণ ॥
মধ্যাহ্নৰ সূৰ্য্য যেন জ্বলে চক্ষু দুই।
কোপ কৰি কাল যেন ৰৈল থিয় হুই ॥ ৪০৫
মাৰুতি সম্বুধি বোলে শুনা নাগচয়।
তুমি সবে কৰা কেনে ইমত কুনয় ॥
কাশ্যপৰ পুত্ৰ তুমি সব মহাজন।
ময়ো হনুমন্ত হওঁ পবননন্দন ॥ ৪০৬
সম্বন্ধত হওঁ মই পুত্ৰ তোমাসাৰ ;
কাৰণাক চাহা কেনে কুল খিলিঙ্কাৰ ॥
আসি আছো মই শ্ৰীৰামৰ আজ্ঞা পাই।
তোমাসাক যুঝিবাক মোৰ ইচ্ছা নাই ॥ ৪০৭
ৰাঘৱৰ আজ্ঞা কহোঁ সমস্তে শুনিয়ো।
লব-কুশ দুই কুমৰক আনি দিয়ো ॥
তেবে তোমাসাক একো নপাৰে প্ৰমাদ।
তোমাৰ আমাৰ আত কিনৰ বিবাদ ॥ ৪০৮
নাগগণে বোলে অৰে মনুষ্যা বানৰ।
আমাতো কহস আজ্ঞা মানুষ ৰামৰ ॥

আমি সবো নাগগণ ভুবন বিজয়।
নুশুনো ৰামৰ কথা শুন দুৰাশয়।৪০৯
ঈশ্বৰ পুৰুষ যদি শ্ৰীৰাম হোৱয়
তান ভাৰ্য্যা গোসাঁনীকো জানোহেঁ নিশ্চয়।
কৈত আছে আমি তাক কিমতে জানিবো।
কৈৰ পৰা আমি কুম্বক আনি দিবোঁ।৪১০
হেন শুনি হাঁসি পাছে মাৰুতি বোলয়।
তুমি সবে কুম্বক দিবে নলাগয়।
আমিয়ো তোমাত খুজিবাক নোহে যোগ।
অকাৰণে কৰা কেনে যুদ্ধক উদ্যোগ ৪১১
আপুনি বিচাৰি নিবো ৰামৰ ছৱাল।
নপাতিবা তুমি সবে ইহাত জঞ্জাল।
পাতিলেও জঞ্জাল নথৈবো কাকো ভালে।
নিশ্চয়ে জানিবা তোমাসাক পাইলে কালে।
হেন নাগ লক্ষ লক্ষ যদি আইসে ধাই।
পবন সুতৰ কিবা উড়ুৱাইবে ছাই।
হেন শুনি ক্ৰোধ কৰি বোলে নাগৰাজ।
জীৱি যেবে বানৰ ইঠাইৰ হও বাঝ।৪১৩
আমাৰ আগত কৰ ইমত বড়াই।
ফুহি বিষ বায়ু ঢালি পুড়ি কৰো ছাই।

শুনিয়া মাৰুতি বোলে মোত দোষ নাই।
যবে নাগগণ দেখো মোহোক ঝঙ্কাই ॥৪১৪
ক্রোধ কৰি মাৰুতি যুঝিবে সাজ ভৈল।
দেখি পুণ্ডৰীক নাগ ক্রোধে খেদি গৈল ॥
হাজাৰেক ফণা তুলি লাঙ্গুল উচ্ছাই।
হানিলেক কোব মাৰুতিৰ গাৱে যাই ৪১৫
বজ্ৰৰ সন্ধান যেন গাৱত লাগিল।
পাছে হনুমন্তে ঘোৰ আতাসেক দিল ॥
সাতো খান পাতালত খলক লাগিল।
টল বল কৰি সবে ধৰণী কম্পিল ॥৪১৬
গৰ্ভিণী সবৰ গৰ্ভ খসি খসি গৈল।
বাগড়া বাগড়ি কৰি নাগগণ ৰৈল ॥
মুহূৰ্ত্তেক মানে প্ৰজা ভৈল স্থিৰ ভাৱ।
প্ৰহাৰিল পুণ্ডৰীকে পুনু লাঞ্জ ধাৱ ॥৪১৭
লাঞ্জক লাগিয়া লাঞ্জ মাৰুতি হানিল।
বজ্ৰৰ সন্ধান যেন বজ্ৰত বাজিল ॥
পুনু পুণ্ডৰীক আসে লাঙ্গুল উচ্ছাই
পুচ্ছতুলি হনুমন্তো গৈলা তাক ধাই ৪১৮
ছিদ্ৰ পাই হনুমন্তে কৰিল সন্ধান।
নাগৰ ছিঙ্গিল লাঞ্জ ত্ৰিংশ হস্ত মান ॥

চেলেকে কোৰাবি নাগে ক্ৰোধত ফোফাই ।
মাৰুতিক কামোড় ভেজাইতে গৈল ধাই ॥৪১৯
হেন দেখি মাৰুতিয়ে লাঙ্গুল বঢ়াই ।
হাজাৰেক মুণ্ড তাৰ ধৰিলা মেঢ়াই ।
এড়াইবাক লাগি সিতো কৰয় আক্ৰান্ত ।
পাৰে মোড়ামুড়ি নাগে উশাস নপান্ত ॥৪২০
আধাৰি পকায়া তাক মাৰ্গ তল কৰি ।
বসিলা উপৰে তাৰ দুই পাৱ তৰি ।
লাঙ্গুল ভ্ৰমায়া বীৰে পুনু আস্ফালিলা ।
হাজাৰেক মুখে সিটো ৰুধিৰ চাদিলা ॥৪২১
হাসিয়া মাৰুতি বোলে পুণ্ডৰীক ৰায় ।
আপোন গৃহক যাহা দিলোহেঁ বিদায় ।
বানৰক যুঝিবাক বৈলক্ষ লাগয় ।
শুনিলেও হাসিবেক যত নাৰী চয় ॥৪২২
হেন বুলি আছ পুৰ্ব্বে সবাকে শুনাই
গুছাইল বৈলক্ষ আৰে যাহ নিজ ঠাই ।
প্ৰসংশা কৰিবে জানো আবে নাৰীগণে ।
আনন্দ পাইবেক লাঙ্গুলৰ দৰশনে ॥৪২৩
এহিবুলি তাক এড়িলন্ত হনুমন্ত ।
দেখি পাছে মহাবীৰ তক্ষকে ধাইলন্ত ।

গৰ্ব্ব কৰি মাৰুতিক বুলিলা বচন।
কুৎচিত বানৰ জাত অলপিক জন। ৪২৪
কৰিবো নিপাত আজি থনিতেক ৰহ।
দুৰ্ব্বাৰ লাঞ্জৰ কোব একবাৰ সহ।
মাৰুতি বোলয় তেবে লাঞ্জ হান্ তয়।
পাছুতেসে উচিত ফলক দিবো মই।৪২৫
যেন আন খন গৰ্ব্ব নোবোল বচন।
হেন শিক্ষা দিবো আজি পবন নন্দন।
হেন শুনি তক্ষক ক্ৰোধত কম্পমান।
মাৰুতিক কৰিলেক দাৰুণ সন্ধান। ৪২৬
থৰথৰি কম্পি গৈল পবন নন্দন।
তক্ষকক বুলিলন্ত প্ৰশংসা বচন।
সাধু সাধু বীৰ তয় বড় যশ পাইলি
ময় হেন বীৰক এক প্ৰহাৰে কম্পাইলি। ৪২৭
হাজাৰেক ফনা তুলি আছে নাগৰায়।
হনুমন্তে খেদি গৈল চৰড় উচ্ছাই।
সন্ধানে হানিল কপিৰাজ মহাবীৰ।
হাজাৰেক মাথা তাৰ ভৈলা চিৰাচিৰ।৪২৮
বিহৰিল ফণা মণি যমক দেখিল।
চক্ষু মুখ ধাকি তাৰ ৰুধিৰ বহিল।

ঢলোপড়ো কৰি তথাপিতো আসে ধাই।
লাথি হানি মাৰুতি পেলাইলা বগড়াই। ৪২৯
খলখলি হাসে বীৰ কৰি উপালম্ভ।
নসহিল ধৃতৰাষ্ট্রে মাৰুতিৰ দম্ভ।
ত্রৈলোক্য বিজয় কিবা ইতো কপি গোট।
কাহাৰ পৰাণে সহিবেক আৰ চোট। ৪৩০
সন্মুখ সমৰে আক নাটো হেন জানি।
ভৈলা অন্তৰ্দ্ধান নাগৰাজ মহামানি।
নাগমায়া বিস্তাৰিবে লাগিলা দুৰ্ব্বাৰ।
দশোদিশ ঢাকি ভৈল ঘোৰ অন্ধকাৰ। ৪৩১
গগণ মণ্ডল চানি মেঘৰ আটাস।
বিষ্ঠা মুত্র বৃষ্টি ভৈল প্ৰচণ্ড বতাস।
ঘনে ঘনে বিদ্যুত সহিতে বজ্র পড়ে।
নিৰন্তৰ মহী টলবল কৰি লড়ে। ৪৩২
কোটি কোটি নাগগণ তাহাতে বৰ্ঝাই।
বহে বিষ বহ্নি নাকে ফুৰন্ত ফোফাই।
কতো বৃষ্টি কৰে শৰ চয় চমৎকাৰ।
জাঠি জোঙ্গ শূল শেল শকতি কুঠাৰ। ৪৩৩
ত্রিকাণ্টক বৎস দন্ত ভল্ল ভিণ্ডি পাল।
শতঘ্নী নৰাচ ক্ষুৰ কুট কণিয়াল।

অৰ্দ্ধচন্দ্ৰ বিপাত ব্ৰহ্মাস্ত্ৰ চন্দ্ৰহাস।
চামে চামে পড়ে গদা মুদগড় প্ৰাস ॥ ৪৩৪
ক্ষণেকে প্ৰকাশ হোৱে ক্ষণেক আন্ধাৰ।
শৃঙ্গী নখী দংষ্ট্ৰী সব ভ্ৰমে একাকাৰ ॥
ডাকিনী যোগিনী গণ বিভৎস কুবেশ
দিগম্বৰী বেশে আউল জাউল কৰি কেশ ॥ ৪৩৫
কৈৰ হনুমন্ত বুলি ফুৰয় চেঞ্চাই।
খাঁও খাঁও বুলি সবে ফুৰে বেন্ত বাই ॥
গাৱৰ গন্ধত যেন প্ৰাণ যাই মৰি।
দেখিয়া মাৰুতি সুমৰন্ত ৰাম হৰি ॥ ৪৩৬
মনত বোলন্ত কিনো মায়া নাগ গোট
ময় বিনে কোনে আৰ সহিবেক চোট ॥
পাছে যোগ সাধ্য মায়া আশ্ৰয় কৰিয়া।
শ্ৰীৰামৰ পাদপদ্ম হৃদয়ে ধৰিয়া ॥ ৪৩৭
ভৈলা সম্বৰ্ত্তক বায়ু ৰূপ তেতিক্ষণ
বহিবে লাগিলা তাত প্ৰচণ্ড পবন ॥
নাগ কৃত মায়াক নিলেক উড়ুৱাই।
ধৃতৰাষ্ট্ৰ নাগক পাইলন্ত পাছে যাই ॥ ৪৩৮
যেহেন প্ৰচণ্ড চক্ৰ বাতে তৃণ পাই।
অবাধিত ৰূপে ফুৰে আকাশে ভ্ৰমাই ॥

সেহিমতে তাহাক কৰাৰে চক্রাকাৰ।
নপাৰে উশাস ভেল মৃতক আকাৰ। ৪৩৯
পৃথিবীত আচাড়িয়া পুনুহো উড়াই।
যেন ধোবা বস্ত্র ধোৱে উচ্ছাই উচ্ছাই॥
বিহৰিল হাড় ঘাৰ নাহিকে চেতন।
উফড়ি পড়িল যত ফনা মণিগণ॥৪৪০
মণিৰ প্রকাশে ভূমি কৰয় প্রকাশ।
স্থানে স্থানে দেখি যেন চন্দ্রৰ আভাস॥
চিন্তন্ত মাৰুতি ইতো বিধিৰ নির্ম্মিত।
প্রাণে বধিবাক আক নোহয় উচিত॥৪৪১
জীৱ বিদ্যমানে তাক মাৰুতি এড়িল।
উফড়ি পড়িয়া মুখে ৰুধিৰ ছাদিল॥
এড়ি যোগ সাধ্য বীৰ মাৰুতি প্রচণ্ড।
মেঘ এড়ি বাঝ ভৈল যেহেন মার্ত্তণ্ড॥ ৪৪২
হেনদেখি বাসুকী গুণয় মনে মন।
কিনো মহা বলৱন্ত বানৰ দুর্জ্জন॥
ময়ো আক বলে নাটো জানি আছো মনে।
তথাপি কৰিবো যুদ্ধ দেবীৰ কাৰণে॥ ৪৪৩
মায়া বলে স্রজিলেক মহাৰথি গণ।
ধৰি আছে শক্রচাপ সম শৰাসন॥

হাতে খাণ্ডা বাৰু যাঠি গদা মুদগড়।
যুদ্ধক আক্ৰান্তে ধৰি আছে নিৰন্তৰ ॥৪৪৪
হস্তী ঘোড়া আগে চড়ি কতো মহাবীৰ।
ক্ৰোধে আৰকত চক্ষু কম্পায়য় শিৰ॥
উদ্বেল সাগৰ যেন ছাপিলেক পাশ।
ধৰ ধৰ মাৰ মাৰ পাৰয় আটাস ॥৪৪৫
ধনু শৰ খড়্গ চৰ্ম্ম ধৰি নিৰন্তৰ।
পদাতি সকল আসি ছাপিল ওচৰ॥
বিস্ময়ে মাৰুতি চিন্তে কৈৰ সেনাগণ।
যম সম ধাই আসে মোক কি কাৰণ ॥৪৪৬
নুহি দেৱ দৈত্য যত ৰাক্ষসৰ দল।
গন্ধৰ্ব্ব চাৰণ নাগ নহে ইসকল॥
সাগৰ সঙ্কাস সেনা দেখি ভয় ভীত।
কাহাৰ শকতি আছে আগে হৈবে স্থিত ॥৪৪৭
হওঁ শ্ৰীৰামৰ দাস বীৰ হনুমন্ত।
নিগুটি কৰিয়া আৰ কৰিবোহোঁ অন্ত॥
হাসিয়া মাৰুতি বোলে কৈৰ সেনাগণ।
কাহাক বিৰোধি বাণী বোলা কি কাৰণ ॥৪৪৮
কিবা মোকে লাগি তোমাসাৰ ক্ৰোধ মন।
স্বৰূপ কৰিয়া মোত কহিয়ো এখন॥

সেনাগণে বোলে ভয় হেন কি কহস।
মজাৰ কি ভয় যতে দ্ৰোহ কৰিচস।৪৪৯
ভ্ৰতেশ্বৰী দেৱীৰ মাৰিলি সেনাগণ
সেহি দোষে দেৱী তোক মাৰিবাক মন॥
আমাক পাঞ্চিছে তোক বধিবো নিশ্চয়।
হেন শুনি বুলিলন্ত পবন তনয়।৪৫০
শুনা সেনাগণ আবে আমাৰ বাক্যক।
তুমি সব হোৱা যেবে দেৱীৰ কটক॥
ভ্ৰতেশ্বৰী দেৱীৰেসে পুত্ৰ ময় সাৰ।
এতেকে জানিবা সেনা তুমিয়ো আমাৰ।৪৫১
নাহিকে প্ৰত্যয় যেবে একজন যাহা।
সত্য কি অসত্য গোসাঁনীত পুছি চাহা॥
সেনাগণে বোলে শুন বানৰ বৰ্ব্বৰ।
মাণিক্যৰ ক্ষেত্ৰে জন্ম হয় কি কাচৰ।৪৫২
চাপ চুপ কৰ বেটা পলাইবাৰ ভয়ে।
খানিতেক ৰহস পঠাওঁ যমঘৰে।
মাৰুতি বোলয় আবে মোত দোষ নাই।
আত্মঘাত কৰি মাগ সেনা মৰি যাই।৪৫৩
তোৰা কোন বস্তু বোল হেন প্ৰত্যুত্তৰ।
যুদ্ধ কৰি উচুৰাইবে পাৰো নিৰন্তৰ।

হেনশুনি নাগ সেনা ক্রোধত জ্বলিল।
মাৰুতিক ধাৰাসাৰে শৰ বৰষিল ॥৪৫৪
কাটন ফুটন শব্দে আকাশ ব্যাপিল।
পুচ্ছ তুলি হনুমন্ত যুদ্ধক ঝাম্পিল॥
চক্রাকাৰ কৰি বীৰে লাঙ্গুল ভ্ৰমাই।
লাঙ্গুৰ কোবত যত শৰ উড়ি যাই ॥৪৫৫
নাগৰ সেনাক নাশ কৰে নিৰন্তৰ।
দেখি খলখলি হাসে পৱন কুমৰ॥
পুনু পুনু প্ৰহাৰয় মহা ৰথীগণ।
হেন দেখি ঝাম্প কৰি পৱন নন্দন॥
নাগসেনা সকলৰ মাঝত পৰিল।
লাঙ্গে পাকাই দুই তিনি ৰথীক ধৰিল॥
অপৰ ৰথীক দলি হানি হানি মাৰে।
কতো ৰথীগণ মাৰে লাথিৰ প্ৰহাৰে।৪৫৭
লাঙ্গ থিয় কৰি কতো সকলক ধাই।
বেহ্য ভাঙ্গি নাগসেনা বিভঙ্গে পলাই।
কতো ৰথী সকলৰ লাঙ্গ টোপ কৰি।
মাথাত পুৰীষ কৰে বিক্ষেপ আচৰি।৪৫৮
কতো ৰথী সকলক মহাবেগে ধাই।
বিকৰ্ষনা ৰূপে মূত্ৰ কৰিয়া বুৰাই॥

যুথে যুথে সেনাগণ মাৰন্তেহি যাই।
দেখন্ত মাৰুতি গোটেকৰো শৰ্ব্ব নাই ॥৩৫৯
নাগ মায়া জানি বীৰ আটাসেক দিল।
এড়ি মায়া বাসুকীয়ো ভয়ে আন্তৰিল ॥
অন্তৰ্দ্ধান হুয়া নাগ আকাশক যাই।
অলক্ষিতে মাৰুতিক ধৰিল মেৢৰাই ॥৪৬০
দেখন্ত মাৰুতি গাৱ গাধিৰ লাগিল।
বোলয় আৰকা নাগে মায়াসে পাতিল ॥
বিষ বহ্নি সঞ্চৰিয়া মোহোক মাৰিতে।
কৰি আছে যত্ন ইতো জানিলো নিশ্চিতে ॥৪৬১
পাছে যোগ সাধ্য আছৰিয়া মহাবীৰ।
বজ্ৰময় কৰিলন্ত আপোন শৰীৰ ॥
হাজাৰেক মুখে নাগে কামোড় ভেজাই।
নপাৰিলে চাল ফুটাইবাক একো ঠাই। ৪৬২
ভাগি গৈল দন্ত সব নপান্ত উপাই।
মাৰুতিক এড়ি বীৰ গৈলেক পলাই ॥
হেন দেখি নাগ সৰ্পগণ নিৰন্তৰ।
লৰৰড়ি পলাইল গিৰি গহ্বৰ বিবৰে ॥৪৬৩
যাবন্ত শক্তি বীৰ মাৰুতি লাম্ফিল।
টলবল কৰি সবে ধৰণী লড়িল ॥

বসুমতী বুলিলন্ত জানকীক চাই।
কুমাৰ ৰাখিতে মোৰ হৰাইল উপাই ॥৪৬৪
জানিলো পাইলেক মোক বড়তো জঞ্জালে।
মাৰুতিয়ে পাইলে মোক নাৰাখিবে ভালে ॥
পূৰ্ব্বি হন্তে মোক লাগি ক্ৰোধ আছো জানি।
আমাৰ স্থানক তুমি আসিলা যৈসানি ॥৪৬৫
এখন মাৰুত যদি আসে মোৰ ঠাই।
নজানো কৰয় মোক কিমত বিলাই ॥
অলপ বয়স দুই তোমাৰ তনয়।
বিবোল বুলিলা সবেখানি সত্য হয় ॥৪৬৬
মাৰুতিৰ সম বীৰ একো স্থানে নাই।
বুলিলে উচিত কিছু নুহিকে বড়াই ॥
মোক ৰাখিবাক আৰে চিন্তিয়ো উপাই।
এহি বুলি কান্দে পড়ি বসুমতী আই ॥৪৬৭
লৱকুশে বোলে মাৱ নুহিবা বিকল।
হনুমন্তে নাচৰে তোমাৰ অকুশল ॥
ধৰম পুৰুষ তেঁহে ৰামত ভকত।
শক্ৰ কৰি নাহি তান ইতিনি লোকত ॥৪৬৮
কিন্তু ৰাঘৱৰ দ্ৰোহী যি পুনু অধৰ্ম্ম।
তাহাৰ সম্বন্ধি জানা কালান্তক যম ॥

মাৰুতিক লাগি ভয় নকৰা মনত।
তোমাক দেখিলে মাত্ৰ হৈব অবনত ॥৪৬৯
লৱৰ কুশৰ বাক্যে ছুয়া ভয় হীন।
অসুখে ৰহিলা দেবী বদন মলিন ॥
মাৰুতিৰ ঘোৰ নাদ শুনি নাগ সৰ্প
দশো দিশে পলাই গৈল হৰিলেক দৰ্প ॥৪৭০
পাছে মাৰুতয় দ্বাৰ সমীপক যাই
দেখিলন্ত তথাত অনেকো প্ৰাণী নাই ॥
গৰ্জ্জিবে লাগিলা দুৱাৰৰ ভিতি চাই।
সবেদেৱ সাক্ষী হৈবা মোৰ দোষ নাই ॥৪৭১
জগত ঈশ্বৰ ৰাম জগত কাৰণ।
ৰাৱণত ভয়ে প্ৰাৰ্থিলন্ত দেৱগণ ॥
ভৈলা অবতাৰ আসি দশৰথ ঘৰে।
নৰৰূপ ধৰি প্ৰভু কৌশল্যা উদৰে ॥ ৪৭২
পিতৃ বাক্য পালি প্ৰভু বনত ভ্ৰমিলা ;
মহন্তৰ হিত চিন্তি দুৰ্জন বধিলা ॥
ধৰণীৰ ভাৰ হৰি ধৰ্ম্মপথ ৰাখি।
সম্প্ৰতি আছন্ত প্ৰভু জগতৰে সাক্ষী ॥ ৪৭৩
স্বামীৰ ভাৰ্য্যাৰ যদি কন্দল লাগয়।
জানিবাহা মিছা চিৰকাল নৰহয় ॥

মনুষ্যৰ ভাব দৰশায়া ৰঘুপতি।
কৰিলা কলহ লীলা জানকী সঙ্গতি॥ ৪৭৪
শান্ত হৈলে কন্দলক ভাঙ্গিতে লাগয়।
কেনে দুৰাচাৰী এথা আনিয়া আচয়॥
কৃপাময় প্ৰভু ৰাম জগতৰ পতি।
নকৰিয়া ক্ৰোধ ক্ষমি আছন্ত সম্প্ৰতি॥ ৪৭৫
ক্ষমিবাৰ দোখ দুৰাচাৰী পাইলি লাই।
ছলে লৱ কুশকো আনিলি পলুৱাই॥
সজ্জনৰ ইকি ধৰ্ম্ম হোৱয় উচিত।
উপায় চিন্তিয়া আছ ৰামকো মাৰিত॥ ৪৭৬
জগতৰ আত্মা ৰাম তান দ্ৰোহ কৰি।
ব্ৰহ্মাণ্ডৰ দ্ৰোহক চিন্তিলি বহুন্ধৰী॥
সুমিত্ৰে বঞ্চক এই ক্ৰুৰমতী ৰণ্ডী।
দিবো প্ৰতিফল আজি ধৰা নাম খণ্ডি॥ ৪৭৭
যেন আন জনে নকৰয় হেন কৰ্ম্ম।
স্নেহি মতে শিখাইবাক হোৱে মোৰ ধৰ্ম্ম॥
এহিতে শিকিয়া আছে দুষ্টা নাৰী চয়।
অপথে প্ৰবৰ্ত্তে ধৰ্ম্মাধৰ্ম্ম নাচাৰয়॥ ৪৭৮
এহি ভাল হৈলেতো জগতে হৈব ভাল।
আজিক আন আকৃতি তোহোৰ হৈব কাল॥

চপৰা চপৰে আজি তোহোক খসাই।
সাগৰৰ জলে তোক পেলাইবো ভসাই। ৪৭৯
ৰাঘৱৰ পুত্ৰ ভাৰ্য্যা থৈয়াছ লুকাই।
দুৱাৰে মাৰিয়া মোকো থৈলি বাহিৰায়।
নতু জান ত্ৰৈলোক্য বিজয় হনুমন্ত।
দেখ আজি ধৰণী নামৰ কৰো অন্ত ৪৮০
মুহি ভালে ভালে দেহ পথ মুকলাই।
নুহি বজ্ৰ নখে হানি পেলাইবো খসাই।
দোৱৰ উদাস ভৈলো কহিলোহো সাৰ।
যদি পথ নেদ পাষণ্ডীৰ চিন্তো মাৰ। ৪৮১
শুনি পৃথিবীৰ ভয়ে হৃদয় কম্পিল।
আথে বেথে গৈয়া গোসানাত জান দিল।
শুনা আই কথা বড় ভৈল আথান্তৰ।
দ্বাৰ মুখে ৰহিয়াছে পবন কুমাৰ।৪৮২
নাগ বীৰগণ মৰ্দ্দি কৰিলেক ছন্ন।
মোকো মাৰিবাক লাগি তাহাৰ যতন।
সত্য কৰি আছে সিতো সবাক শুনাই।
দুৱাৰ নিদিলে মোক পেলাইবে খসাই।৪৮৩
কি বুদ্ধি কৰিবো আবে কহিয়োক আই।
বুলিলন্ত ব্ৰতেশ্বৰী পৃথিবীক চাই।

শুনা আই কহো আমি স্বৰূপ তোমাত।
মাৰুতিক প্ৰতি বুদ্ধি নাহিকে আমাত ॥ ৪৮৪
কেনমতে কোনে তাক কৰিবে বাৰণ।
গঙ্গাক বান্ধিয়া ৰাখিবেক কোন জন ॥
আকাশৰ বায়ু যেন বন্ধন নযাই।
অন্তকক এড়াইবাক আছে কোন ঠাই ॥ ৪৮৫
সেইমতে মাৰুতিকো নিবাৰন্তা নাই।
দ্বাৰ মেলি দিয়ো তাক আসোক সোমাই ॥
নিদিলেও দ্বাৰ কৰি আসিব আপোনে।
নাসিবি এথাক হেন বুলিবেক কোনে ॥ ৪৮৬
যদি সিতো দ্বাৰ কৰি আপুনিয়ে আসে।
ক্ৰোধত থাকিয়া কিবা পুৰিকে বিনাশে ॥
শুনি বসুমতী দেবী শীঘ্ৰে গৈলা চলি।
বজ্ৰ পাথৰৰ দ্বাৰ কৰিলা মুকলি ॥ ৪৮৭
হেন দেখি হনুমন্ত মহা ৰঙ্গমন।
দ্বাৰৰ সমীপে যাই বুলিলা বচন ॥
এবে জানো বসুমতী দেবী শুদ্ধমতি।
শ্ৰীৰামৰ পাদপদ্মে আছয় ভকতি ॥ ৪৮৮
ধন্য ধন্য মাৱ তুমি সতীতে উত্তমা।
বিচাৰি তোমাক লাগি নপাও উপমা ॥

তোমাৰ কৰিবতে ক্ৰোধ মোক নুযুৱাই।
কিন্তু প্ৰভু ৰাঘৱৰ আজ্ঞা আছো পাই। ৪৮৯
স্বামীক কাৰ্য্যত যদি অকাৰ্য্য মিৰুয়।
তথাপি কৰিবে যোগ্য ভৃত্যৰ হোৱয়।
এতেকে অযোগ্য ময় বুলি আছো যত।
ক্ষমিয়োক মাৱ ময় ধৰো চৰণত।৪৯০
ক্ষমা নাম ধৰি আছা জগতে বিদিত।
ৰোষ নকৰিয়া মাৱ হোৱা শান্ত চিত্ত।
ত্ৰাস চাড়ি পৃথিবী ভৈলন্ত ৰঙ্গ মন।
মনত পড়িল লৱ কুশৰ বচন। ৪৯১
সাৰ্থক বুলিলা দুই ভাই সৰ্ব্বজান।
ভৈলেক কিছু ব্যৰ্থ পালোহো প্ৰমাণ।
পাছে মাৰুতিক দেবী বুলিলা বচন।
সাধু সাধু বাৰ তয় পৱন নন্দন। ৪৯২
সাৰ্থক অঞ্জনা গৰ্ভে ভৈলি উত্তপতি।
ৰামৰ চৰণে যাৰ একান্ত ভকতি।
মোহাক তৰিবে লাগি তোহোৰ যুৱাই।
যি হেতু জানকী আহিআছে মোৰ ঠাই।৪৯৩
কিন্তু অবিচাৰে মোক দোনক দিয়াহা।
হোৱে নোহে বাপু তুমি বিচাৰিয়া চাহা।

যিতো পতিব্ৰতা নাৰী স্বামীত ভকত।
শুদ্ধভাৱে স্বামী সেৱা কৰয় সতত ॥৪৯৪
সি নাৰীত পৰে উপকাৰী নাহি মোৰ
তানম্বাৰ গুণে সহি থাকো ভাৰ ঘোৰ ॥
মহা পতিব্ৰতা সীতা স্বামী অনুৰাগী
ৰামক সন্তাপ দিয়া আনিবো কি লাগি ॥৪৯৫
ৰাঘৱৰ ৰোষে সীতা বুলিলা বিছাৰি
কণ্ঠ যেবে পতিব্ৰতা তুমি দিয়া বাট ॥
মনত চিন্তিলো মই অনেক প্ৰকাৰ।
নপাইলো উপায় ময় সীতা নানিবাৰ ৪৯৬
ৰাঘৱৰ স্নেহত যদ্যপি নাসো ময়।
তেবে গৈল হন্তে কোন সীতাত প্ৰত্যয় ॥
ৰাঘৱে কি তেবে সীতা লইবেক আৰ।
জানিলো জীৱৰ হৈবে পৰম নিকাৰ ॥৪৯৭
থাকিলেও ৰাঘৱৰ নিমিলিবে সুখ।
আনিলেও ৰাঘৱৰ দুয়ো মতে দুঃখ ॥
হেন সাৰ কৰি ময় আনিলো সীতাক
তথাপি বোলাহা কেনে আমাক দুৰ্ব্বাক ॥৪৯৮
পৰম ঈশ্বৰ ৰাম হুয়া অৱতাৰ।
ধৰ্ম্মত থাকিয়া ৰামে হৰিলেক ভাৰ ॥

হেন কি প্ৰভুৰ দ্ৰোহ আছুৰোহো আমি।
আপুনি বিচাৰ কৰি ছাহিয়োক তুমি ।৪৯৯
মাৰুতি বোলয় মাৱ শুনা বসুমতী ।
যতেক বুলিলা ইতো হোৱয় যুকতি ॥
তথাপিতো কিছু দোষ আছয় তোমাত ।
ধৰ্ম্মাধৰ্ম্ম সাক্ষী তুমি জগতে বিখ্যাত ।৫০০
সীতা মহা শান্তী সতী কিছু দোষ নই ।
এহিবুলি থৈবাকেসে তোমাৰ যুৱাই ॥
পা’ত পুত্ৰ এড়ুয়াই আনিলাহা তুমি ।
সিকাৰণে সকল দোষৰ ভৈলা ভূমি ।৫০১
বসুমতী বোলে শুনা পৱন তনয় ।
ছাহতাৰ সাক্ষী কোনে মাৰক লৱয় ॥
পুত্ৰ ঝীৱ যদি দুষ্ট দুৰ্জ্জন হোৱয় ।
কৈত শুনি আছা মাৱে তাহাক কহয় ।৫০২
ভালতো অধিক ভাল বুলি প্ৰশংসয় ।
বালকেও জানে আক জানিবা নিশ্চয় ॥
ভালকো বুলিলে তাক কোনে পতিয়াই ।
এতেকেসে মোৰ সাক্ষী হৈবে মুযুয়াই ।৫০৩
মাৰুতি বোলন্ত যি বুলিলা ইতো হয় ।
তথাপিতো বৰ্ব্বৰে তব বাক্য নমানয় ॥

সকলো প্ৰাণীয়ে মানিবেক তব বাক।
নমানিয়া দুৰ্জ্জনে কৰিবে কিবা কাক॥ ৫০৪
আকাশ চানিয়া হোৱে নক্ষত্ৰ উদয়।
এক এক চন্দ্ৰৰ প্ৰকাশ তুল্য নয়॥
এক কোকিলৰ স্বৰ সমস্ত শুনয়।
অনেক ভেকৰ ৰাৱ কোনে আদৰয়॥৫০৫
যদ্যপি ৰটিয়া ফুৰে বহুতৰ কাক।
এক ময়ুৰৰ নাদে জীনয় সবাক॥
মূঢ় সবে বোলে নানা বচন চাতুৰী।
কোন সাধু লোক আছে তাহাক আদৰি॥ ৫০৬
দুৰ্জনৰ বাক্যত নাহিকে কিছু ফল।
বানৰৰ মুখে কিবা ভাগে নাৰীকল॥
শৰতৰ মেঘ যেন গৰ্জ্জনেসে মাত্ৰ।
বৰষাৰ ঠানে নহে ধৰষিবে পাত্ৰ॥ ৫০৭
দুৰ্জনৰ বচন জানিবা সেহি প্ৰায়।
দৌলত ভৰ্চ্ছিলে কাকে কিবা নষ্ট যায়॥
হাসি বসুমতী বোলে কি বুলিলি তয়।
দুৰ্জনৰ বাক্য যেবে সজ্জনে নলয়॥ ৫০৮
ৰামক নুবুলি সন্ত বুলিবাহা কাক।
দুৰ্জনৰ বাক্যে কেনে তেজিলা সীতাক॥

দুৰ্জনৰ বাণী সত্য মানি আছে যাৰা।
আমাৰ বচন কিবা মানিবেক তাৰা॥ ৫০৯
অনাদি ঈশ্বৰ ৰাম আত্মা সবাকাৰ।
তাঙ্ক ভাঙিবাৰ শক্তি আছয় কাহাৰ॥
কাৰণেসে মৰ্ত্ত্য লিঙ্গ ধৰিছে প্ৰকটে।
তান ইচ্ছা বিনে জানা কিছুৱে নঘটে॥ ৫১০
নজানিসে বোলা আন জনৰ দোষক।
জানি শান্ত হোৱা বাপু তেজিয়া ৰোষক॥
শুনা সৰ্ব্বজনে ৰাম চৰিত্ৰ বিশেষ।
ইহাৰ শ্ৰৱণে হৰে দুৰিত নিঃশেষ॥ ৫১১
কলি দোষ শোষক মোষক পাপ দাম।
দুস্তৰ তৰণী যাৰ ৰাম হেন নাম॥
বোলন্তেৱো শ্ৰম নাহি কৰ্ণৰো অমৃত।
স্মৰণ মাত্ৰকে তৰে ভব জলধিত॥ ৫১২
লভে চাৰি পুৰুষাৰ্থ কুলকো উদ্ধৰি।
নাহিকে সংশয় দেখা শাস্ত্ৰত বিচাৰি॥
কলিযুগে নাহি গতি বিনা ৰাম নাম।
কহে ৰঘুনাথে বেঢ়ি বোলা ৰাম ৰাম॥ ৫১৩

ডুলড়ি ॥

পাছে বসুমতী, মাৰুতি সহিত,
কৰি হেন সম্ভাষণ।
বিদ্যাবিলাসিনী, পুৰত তখনি,
ভৈলা যাই উপসন্ন।
হনুমন্ত আইল, সবে বার্ত্তা পাইল,
ভয়ে ভৈল কম্পমান।
মাৰিবে শঙ্কাই, গৈলেক পলাই,
পাইলা গোসাঁনীৰ স্থান। ৫১৪
শুনা বোলো আই, মিলিল অপাই,
যিতো বীৰ হনুমান।
যত বীৰ মান, কৰিয়া নির্য্যাণ,
আসি আছে ইতো স্থান।
আমাক মাৰিব, তোমাসাকো নিব,
হেনয় চিন্তিয়া আছে।
ৰক্ষাৰ উপাই, চিন্তিয়োক আই,
তুহি কি কৰিবা পাছে। ৫১৫

জানকী বোলয়, নাহি কিছু ভয়,
এস্থানে সবে ৰহিয়ো।
আসিবে এখন, পবন নন্দন,
আনন্দে সবে দেখিয়ো॥
পাছে বসুমতী, আকুলিত মতি,
মাৰুতিক দ্বাৰে থৈ।
পশিয়া ভিতৰ, বার্ত্তা নিৰন্তৰ,
কৈলা জানকীত গৈ॥ ৫১৬
বোলে সীতা মাৱ, শুনা কুশ লৱ
যাস মাৰুতিৰ পাস।
আসোক ইঠাই, মোৰ আজ্ঞা পাই,
নেদিবে কাহাকো ত্ৰাস॥
পাছে দুয়ো ভাই দুৰাৰক ষাই
মাৰুতিক দেখিলন্ত।
মাৰুতিয়ো দেখি চল চল আখি
দুইৰো পদে পড়িলন্ত॥৫১৭
কৈতনো সোমাই আছা দুয়ো ভাই
আমাক কৰি অনাথ।
তোমাক সুমৰি আছে প্ৰাণ ধৰি
কথমপি ৰঘুনাথ॥

কিনো বজ্র সৰি চিত্ত তোমাসাৰ
কাতো কিছু দয়া নাই।
আমি ব্যাকুলিত শোকে দগ্ধ চিত্ত
ফুৰো ব্ৰহ্মাণ্ডত চাই।৫১৮
মাৰুতিক ধৰি আশ্বাসি সাদৰি
দুই ভাই তুলিলন্ত।
ভকতৰ দুখ দেখিয়া অসুখ
কান্দি কান্দি বুলিলন্ত।
শুনা বীৰবৰ পবন কুমাৰ
সুহৃদতে তুমি সাৰ।
স্নেহে বিস্মৰিয়া থাকিবে লাগিয়া
চিত্তত নাহি আমাৰ।৫১৯
কিন্তু চিৰদিনে মাতৃ অদৰ্শনে
হৃদয় ব্যাকুল কৰে।
পাছে বাৰ্ত্তা পাই আসিলো ইঠাই
মাতৃ দেখিবাৰ তৰে।
আজি কালি আমি যাইবে চান্তে তুমি
আসিবে পাইলো বাৰ্ত্তাক।
আৰো নাগ সৰ্প কৰে মহা দৰ্প
তযু বল মৰ্দ্দিবাক।৫২০

হেন অহঙ্কাৰ শুনিয়া আমাৰ
উপজিল মনে হাস।
মাৰুতি হেনয় বীৰকো জিনয়
তাসম্বাৰ কিনো সাস।
দেৱাসুৰ নয় ভয়ে তৰ তৰ
দেখিয়া যাৰ বিক্ৰম।
হেনয় বীৰক যুদ্ধে জিনিবাক
খোজয় নাগ অধম ।৫২১
পাতাল পুৰত মাৰুতি কিমন্ত
নতু জানে ভালমত।
এতেকেসে নাগে নাগিনীৰ আগে
বচন বোলে মহত।
ইথানক প্ৰতি আসোক মাৰুতি
দেখোক কেন প্ৰভাৱ।
হেন চিন্তি মনে আছোহোঁ ইথানে
নগৈয়া পিতাৰ ঠাৱ ।৫২২
আসিয়া একল মৰ্দ্দি নাগবল
আমাৰ বঢ়াইলা যশ।
আৰু এক বাক বোলোহোঁ তোমাক
শুধিবে তাক চিন্তস।

লৱ-কুশ ৰোষে মহা অসন্তোষে
জননী আছে ইঠাই।
অযোধ্যানগৰী যেবে নিতে পাৰি
তেবে বৰ কীৰ্ত্তি পাই ॥৫২৩
মাৰুতি বদতি, শুনা মহামতি,
ৰামৰ ময় কিঙ্কৰ।
সীতা গোসাঁনীৰ, তোমাসাত বড়,
মোক দয়া বহুতৰ।
যেবে হওঁ ময়, পবন তনয়,
হয় যেবে দেবী সীতা।
যবে ময় তাঙ্ক, পাওঁ দেখিবাক,
নিবো আত কোন চিন্তা। ৫২৪
গোসাঁনীয়ে মোক, দিয়া আছে বৰ,
যেহি বাঞ্ছো তাকে পাইবো।
নমি গোসাঁনীক ময় আৰ কিক,
অযোধ্যা নগৰী যাইবো।
যদি দেবী মোক, কৰয় বিমুখ,
কৰো সত্য অঙ্গীকাৰ।
সভাৰ মাজত, পুড়ি অনলত,
মৰিবো আগে তাহাৰ। ৫২৫

গোসাঁনী সীতাক, মোৰ দেখিবাক,
উত্ৰাৱল কৰে মন।
দুইহানো চৰণে, পশিলো শৰণে,
কৰায়োক দৰশন।
মাৰুতিৰ মন, জানিয়া তেখন,
গোসাঁনী চিন্তে উপাই।
পবন কুমাৰ, পাইলে অজি মোৰ,
থাকিবাৰ শক্তি নাই। ৫২৬
মাৰুতি যেমন মোক নিচিনয়
ধৰো ৰূপ অসংখ্যাত।
মায়াবী ৰূপৰ থাকিবো ভিতৰ
বিচাৰি পাইবে কোথাত।
হেন চিন্তি মনে ভৈলন্ত তেখনে
সহস্ৰ সহস্ৰ সীতা।
সেহি ৰূপ গুণ বয়স তৰুণ
পতিব্ৰতা সুচৰিতা।৫২৭
ৰত্ন সিংহাসনে ধৰিছে যোগান,
নাগ নাৰী চতুৰ্ভিত।
কৰে স্তুতি নতি পৰম ভকতি
সাধে বৰ যেন চিত্ত।

হনুক বঞ্চিতে ৰূপ বিপৰীত
ধৰিলা জগত আঁই।
লব-কুশ সঙ্গে মাৰুতিয়ো ৰঙ্গে
সেহি সভা পাইলা যাই ॥৫২৮
চক্ষুক শলাই হনুমন্তে চাই
দেখিলা অনেক সীতা।
নাগিনী যোগিনী প্ৰত্যেককে সেৱি
বেঢ়ি আছে চতুৰ্ভিতা ॥
জনক নন্দিনী সম স্বৰূপিনী
মধুৰ ভাষিণী বালা।
জাতিতো পদ্মিনী কুৰঙ্গ নয়নী
মুখ নিন্দি শশীকলা ॥৫২৯
লব-কুশ প্ৰতি সম্বোধি মাৰুতি
বুলিলা মৃদু কৰিয়া।
কোন দেৱী গণ সীতাৰ সমান
আকাৰ আছে ধৰিয়া ॥
বাৰেক আসিয়া, গৈলোহোঁ দেখিয়া,
এক মাত্ৰ দেৱী সীতা।
দেৱী অসংখ্যাত, দেখি আৰে আত,
মনে মোৰ ভৈল চিন্তা ॥৫৩০

তোৰা দুই জন, মাতৃক এখন,
পৰিচয় কৰায়োক।
ধৰো চৰণত, মোহোৰ সপত,
অনুগ্ৰহ কৰা মোক।
লৱ কুশে বোলে, আমি এত কালে,
হেন দেবী নেদেখিলো।
বঞ্চিতে আমাক, পাতিছে মায়াক,
নিশ্চয়ে আক জানিলো।৫৩১
মাৰুতি বোলয়, এহি সত্য হয়,
ভাণ্ডিছে আমাক দেবী।
তাসম্বাৰ মাঝে, গোঁসানীক পাইবোঁ,
যেবে তাঙ্ক আছো সেবি।
এহিবুলি বীৰ, একহি দেবীৰ,
আগত মিলিল যাই।
নমস্কাৰ কৰি, বোলন্ত সাদৰি,
দেবীৰ ভিতিক চাই।৫৩২
নমো ভগৱতী, ৰাঘৱৰ সতী,
জনক নন্দিনী আই।
তোমাৰ সমান, দয়াবতী আন,
ইতিনি লোকত নাই।

মহা পতিব্ৰতা,   স্বামীত ভকতা,
দেখি আছো ঠাই ঠাই।
সিসব নাৰীয়ে,   অন্যো অন্যে মিলি,
তোমাৰ যশক গাই ॥৫৩৩
ৰাজ্য ভোগ চাড়ি,   শ্ৰীৰামৰ সঙ্গে,
অৰণ্যে দূঃখ ভুঞ্জিলা।
আপোনাৰ দুঃখ,   নকৰি বিচাৰ,
ৰামকে মাত্ৰে সেবিলা॥
অভিন্ন স্বৰূপে,   ৰাঘবে তোমাক,
মনত কৰিলা সাৰ।
প্ৰিয়াৰ বিচ্ছেদ,   ভয়ত ৰাঘবে,
গলত নাড়িলে হাৰ ॥৫৩৪
যেখানে ৰাৱণে,   হৰিল তোমাক,
কহোঁ মাৰ সত্যবাক।
জল অনলক,   নজানিল ৰাম,
পাসৰিল আপোনাক॥
চন্দ্ৰৰ কিৰণ,   দিবাকৰ বোলে,
লক্ষ্মণকো নজানিলা।
সিবেলা ৰামৰ,   বৃত্তান্ত দেখিয়া,
হেন নাহি নকান্দিলা ॥৫৩৫

মলয় পবন, শৰীৰত লাগে,
বিষ যেন মানে তাক।
মলয় চন্দন, বহ্নিত স্ফুলিঙ্গ,
সম কৰি দহে গাক ৷
মালতীৰ মালা, গাৱত লাগিলে,
সূচী সম লাগে গাই।
শীতল জলক, সিঞ্চন্তে গাৱক,
দহে অগনিৰ প্ৰাই ॥৫৩৬
ৰামৰ বৃত্তান্ত, কহন্তে কান্দন্ত,
পড়িয়া বায়ু কুমাৰ।
এক দৃষ্টি কৰি, নাগিনী যোগিনী,
সবে কৰে হাহাঁকাৰ ৷
গদ গদ বাণী, পুনু হনুমন্ত,
বোলন্ত বিনয় বাক।
তোমাক খুজিতে, ৰাঘৱে যৈসানী,
পঠাই দিল আমাক ॥৫৩৭
সাগৰ তৰন্তে লঙ্কাক চলন্তে
যতেক দুঃখ লভিলো।
তোমাত গৌৰবে সি সব দুঃখক
কিছু মান নগণিলো ৷

লঙ্কাত তোমাক দেখি বৰ হৰ্ষ
বিষাদ লভিলো আই।
মিলয় মুকুতি পদতো সি দুঃখ
আনন্দ জানোহোঁ নাই। ৫৩৮
ৰাৱণ বীৰৰ প্ৰভাৱ সুমৰি
ইন্দ্ৰৰ আজিয়ো কাম্প।
তোমাৰ নিমিত্তে সি হেন বীৰক
একেশ্বৰে দিলো ঝাম্প।
ক্ষুদ্ৰ মৎস্য ৰঙ্কা ক্ষুধাৰ্ত যেহেন
কুম্ভীৰক ঝাম্প দিল:
ইন্দ্ৰজিতে ধৰি গলে জড়ি দিয়া
ৰাজাত ভেটাইতে নিল। ৫৩৯
লাথি ভুকু কিল যত মান দিল
তাক কোনে গণিবেক।
ৰাজাত যোগাইল কাটিবাক দিল
দৈৱে মোৰে লিখিলেক।
তৈল মিসলাই কাপৰ মেহ্ৰাই
গাৱত লগাইল জুই।
আধাপোড়া কাঠ খণ্ডৰ আকাৰ
আজিয়ো আছোহোঁ হুই।

আৰু যত দুঃখ লঙ্কাত পাইলোহোঁ
তোমাত সবে বিদিত।
হেন সেৱকক বঞ্চিতে কি মাৰ
তোমাৰ হোৱে উচিত
যদি তথাপিতো চিনা নেদা মোক
বোলো দৃঢ় কৰি হিয়া।
তোমাৰ আগত সত্যে মৰিবোহো
অপণি ঋাস কৰিয়া। ৫৪১
মাৰুতিৰ বাক্য শুনিয়া দেবীৰ
সিহৰিল সৰ্ব্ব গাৱ।
মনে বোলে তাঙ্ক পুত্ৰ বুলি আছো
তাৰো মোত মাতৃ ভাব।
ব্ৰহ্মাণ্ড মধ্যত একান্ত ভকত
ৰামৰ আউৰ নাই।
স্নেহৰ ভাজন দুঃখৰ তাৰণ
মোৰো নাহি আন ঠাই। ৫৫২
চিনা দিলে যদি আক্ৰোশ কৰয়
মোহোক নিৰাক প্ৰতি।
বুলি আছো বাক তেবে নজাইবাক
উপায় নাহি সম্প্ৰতি।

এহি চিন্তি সতী　　ব্যাকুলিত মতি
　　ৰহিলা মৌন ধৰিয়া।
হনুমন্ত বীৰে　　চিন্তিবে লাগিলা
　　চিত্তক দৃঢ় কৰিয়া। ৫৪৩
যদি গোসানীক　　দেখা নাহি পাওঁ
　　কি লাগি জীবাক লাগে।
গোসানীসে মাত্ৰ　　আনন্দ লভোক
　　মৰিবো তাহান আগে।
এহি বুলি বীৰে　　কাষ্ঠচয় আনি
　　বহল চিতা নিৰ্ম্মিল।
জ্বালিল অগণি　　চিতাখান চানি
　　আকাশ ব্যাপি উঠিল। ৫৪৪
দেবী সকলক　　নমস্কাৰ কৰি
　　মাকতি বোলয় বাক।
জন্মে জন্মে সাধো　　ৰামৰ সীতাৰ
　　কিঙ্কৰময় হৈবাক।
সীতা গোসাঁনীত　　এহি মাত্ৰ সাধো
　　নমাগোহোঁ আন কাম।
কহে ৰঘুনাথে　　নিৰন্তৰে নৰে
　　ডাকি বোলা ৰাম ৰাম। ৫৪৫

মাৰুতিৰ নিষ্ঠ ভাব গোসাঁনী দেখিল।
আথবেথ কৰি সিংহাসনৰ নামিল॥
পুলকিত অঙ্গ নেত্রে লোতক ঝৰিল।
ৰহ ৰহ বুলি আগ ভেটিয়া ৰহিল। ৫৪৬
নকৰিয়ো অগ্নি ঝাস পবন কুমাৰ।
হেন কৰ্ম্ম যোগ্য বাপু নহয় তোমাৰ॥
যি কাৰণে চিনা মই নিদিলোঁ তোমাক।
স্বৰূপ কৰিয়া কহোঁ শুনা আবে তাক॥৫৪৭
তোৰ সম উপকাৰী প্ৰিয় মোৰ নাই।
নপাওঁ অন্ত যত তোৰ গুণক বৰ্ণাই॥
তই আপদৰ বন্ধু দুঃখৰ সহাই।
তোৰ গুণ আছে মোৰ হিয়াত সোমাই॥৫৪৮
তোৰ উপকাৰে ঋণী হুয়া আছো ময়।
তেবে শুদ্ধ হও যেবে ক্ষমাকৰ তয়॥
লৱতো কুশতো কৰি দয়াৰ ভাজন।
কহিবে নলাগে তাক জানে সৰ্ব্বজন॥৫৪৯
নিতে নিতে আশীৰ্ব্বাদ দিয়া থাকো ময়।
অঞ্জনাতোধিক মোক মানি আছ তয়॥
যৈসানি আনিলো ময় ইথানক লাই।
জানো তদবধি তোৰ সুখ শান্ত নাই ৫৫০

মোক দেখিবাক তোৰ উত্ৰোৱল মন।
ছিদ্ৰ পাইলি আবে লব কুশৰ কাৰণ ॥
তোকো দেখিবাক মোৰ বড় হাবিয়াশ।
তথাপি আনিতে তোক নপাওঁ ময় সাস ॥৫৫১
আপুনি আসিয়া তয় আছ মোৰ ঠাই।
তোহোতেসে ভয়ে ময় আছিলো লুকাই ॥
আত্মাঘাত কৰিবাক কৰস উদ্যোগ।
ইতো কৰ্ম্ম বাপু তোৰ নুহিকয় যোগ্য ॥৫৫২
শৰীৰেসে আদি ভক্তি মুক্তি সাধিবাৰ।
শৰীৰত বিনে শ্ৰেষ্ঠ নাহিকয় আৰ।
পুত্ৰ ভাৰ্য্যা আদি মিত্ৰ বান্ধব যতেক।
শৰীৰৰ অৰ্থে প্ৰিয় হুয়াছে প্ৰত্যেক ॥৫৫৩
স্বৰ্গাদি সুখক জীবে যাৰ পদে পাই।
যাত কৰি ইট আৰ বিচাৰি নপাই।
হেন আত্মাঘাত কৰে যিতো দুৰাচাৰ।
অধৰ্ম্ম কৰিতে কিছু নথাকিল তাৰ ॥৫৫৪
সেহি শৰীৰক যিতো ৰাখে মহা শিষ্ট।
ধৰ্ম্ম সাধিবাক আৰ নবৈল বিশিষ্ট।
মোক অযোধ্যাক নিতে বাঞ্ছা কৰ তয়।
সাম্প্ৰতিক ইচ্ছা সিদ্ধি কাহাৰ নহয় ॥৫৫৫

ৰামক সেৱিতে সদা আছিলেক মতি।
তথাপি মিলিল মোৰ হেনসে দুৰ্গতি ॥
বিশেষত দেখ ইতো অনিত্য সংসাৰ।
সুহৃদ বান্ধৱ যত পুত্ৰ পৰিবাৰ ॥৫৫৬
কাৰ কোন ইষ্ট মিত্ৰ পিতৃ মাতৃ ভাই।
কালৰ বেগত সবে হয় এক ঠাই ॥
যেন তৃণ কাষ্ঠচয় নদীৰ বেগত।
সংযোগ হোৱয় আনি একই স্থানত ॥৫৫৭
ক্ষণেকান্তে অন্তৰে জলৰ বেগ পাই
সেহিমতে কালে পুনু জীবক চলাই ॥
কোন জন সংসাৰত একত্ৰে আছয়।
বিচাৰ কৰিয় তাক নেদেখোহো নয় ॥৫৫৮
বলেবা বুদ্ধিয়ে মন্ত্ৰৌষধাদি কৌশলে।
কালক বাৰণ কৰা নযাই কেবলে ॥
যদি বোল নিতে কাল আছে কোন ঠাই।
কি কাৰণে কৰে নিতো এমত অন্যাই ॥৫৫৯
সবে হন্তে মিলিয়া তাহাক বেঢ়ি ধৰো।
প্ৰাণী হত্যা কৰি তাৰ প্ৰতিকাৰ কৰো ॥
বিচাৰিবে তাঙ্ক নলাগয় আন ঠাই।
চিৰস্তাঁ সকলে জানা সমাপতে পাই ॥৫৬০

অন্তৰ্য্যামী ৰূপে আছে ব্যাপিয়া জগত।
তাঙ্কে শত্ৰু মিত্ৰ আদি বোলে নানামত ॥
আৰ হাতে তাঙ্ক তাৰ হাতে আঙ্ক মাৰে।
এতেকেসে তাঙ্ক কেহো চিনিতে নপাৰে ॥৫৬১
সবেও সবাৰ কাল জানিবা নিশ্চয়।
অন্তৰ্য্যামী কালেসে সবাকে চলাৱয় ॥
এতেকেসে কাল বুলি জানিবা জগত।
কালৰ স্বৰূপ কোনে কহিবে শকত ॥৫৬২
নাহি আদি অন্ত মধ্য অচিন্ত্য শকতি।
কাৰো শত্ৰু মিত্ৰ নহে ভকতৰ গতি ॥
অন্তকৰো অন্তক সবাৰো নষ্ট হেতু।
ভকতৰ প্ৰিয় অভক্তৰ ধুমকেতু ॥৫৬৩
যি কালত অধৰ্ম্মৰ হোৱয় উদয়।
দুৰ্জ্জন সকলে বেদ পথ নিৰোধয় ॥
সি কালত কালে প্ৰকটিত কৰে কায়া।
নানা লীলা তনু ধৰে বিস্তাৰিয়া মায়া ॥৫৬৪
ইদানিকো কালে আছে অৱতাৰ ধৰি।
জগতকে মোহি আছে নৰ নাট্য কৰি ॥
যাহাক শ্ৰীৰাম বুলি জগতে কহয়।
তেহেসে কালৰো কাল জানিবা নিশ্চয় ॥৫৬৫

তেহে কাল প্ৰভু কৰে যাক যেন ইচ্ছা।
বলে বা উপায়ে কোনে কৰে তাক মিছা।
শ্ৰীৰামৰ চেষ্টাকেসে সবে বোলে কাল।
বলীৰ মাজত বলী জানিবা বিশাল॥৫৬৬
তাহাক এড়াইতে আছে কাহাৰ শকতি।
যাবত নকৰে প্ৰভু ৰামত ভকতি॥
হৃদয় ভাঙ্গিয়া তোত কহিলো প্ৰকটে।
তান ইচ্ছা বিনে বাপু একোৱে নঘটে॥৫৬৭
মোহোতে প্ৰমাণ আৰ কি কৈবো আনৰ।
তান সেবাকেসে বাঞ্ছা আছিল বিস্তৰ॥
তাহান চৰণ ময় সেবিলো যিমত।
তয় ভালে জান আনে নজানে সাম্প্ৰত॥৫৬৮
ভস্মত হুনিলে যেন নিষ্ফল প্ৰয়াস।
সেহিমতে মোৰ বাঞ্ছা সবে ভৈল নাশ॥
তান ইচ্ছা মাত্ৰ বাপু দেখা ভৈল সাৰ।
তভু বাঞ্ছা কৰা তুমি আমাক নিবাৰ॥৫৬৯
মোক তেজি ৰামে ব্ৰহ্মচৰ্য্য ব্ৰত ধৰি।
কাল্লে প্ৰবৰ্ত্তায়া আছে নানা যজ্ঞ কৰি॥
হেন কি ৰামৰ কাছে মোক নিতে চাহা।
নিমাইবাৰ বল্লি তুমি কিসক জ্বালাহা॥৫৭০

হেনয় বোলন্তে মৰ্ম্মে চানিলেক গাৱ।
কান্দিলা ৰামক স্মৰি স্মৰি নানা ভাৱ।
মাৰুতি বদন্তি মাত্ৰ নকৰিবা ক্ৰোধ।
কি কহিবো ময় তুমি আপুনি সুবোধ।৫৭১
যতেক কহিলা মানে সবে সত্য বাক।
কিন্তু বিচাৰত তুমি ভাণ্ডিছা আমাক।
যদি ৰাম কাল তুমি কালী জানো সাৰ।
আমাত কহিবে মাত্ৰ নলাগয় আৰ।৫৭২
যিসব কহিলা ময় নমানিলো সাৰ।
শুনা আবে কহোঁ মাত্ৰ বেদৰ বিচাৰ।
যাহাক সেবিয়া কৰে পুৰুষ উদ্ধাৰ।
পাৰে বৈকুণ্ঠক হুয়া সংসাৰৰ পাৰ।৫৭৩
আছোক তাহান সেবা যাৰ নাম গাই।
চণ্ডাল পৰ্য্যন্ত সংসাৰৰ পাৰ পাই।
যাৰ ৰাম হেন নাম অকস্মাত স্মৰি।
কালৰ এড়াই হাত ভৱবন্ধ তৰি।৫৭৪
যম কাল মৃত্যুৰ এড়াই দিতো ভাগ।
হেন ৰাম পদে যাৰ প্ৰেম অনুৰাগ॥
হেন কি তোমাক কালে কৰে অনুৰোধ।
বেদ পুৰাণত ইতো বচন বিৰোধ।৫৬৫

যেহি কি নোহোক তাত নাহি প্ৰয়োজন।
বিষেশ প্ৰাৰ্থনা মোৰ কৰিয়ো শ্ৰবণ।
পুৰ্ব্বে বৰ দিষা আছা সবাৰে আগত।
সিদ্ধি হৈবে লাগি মোৰ যেহি অভিমত।৫৭৬
মোৰ বাঞ্ছা সিদ্ধি যদি কৰিতে লাগয়।
পুত্ৰ সমে চলা তেবে ৰামৰ আলয়।
যদি মোক প্ৰতি দয়া ছাড়িলা এখন।
তেবেতো জীবন ময় ধৰো অকাৰণ।৫৭৭
মাৰ্কতিয়ে আনিবেক জানকী গোসাঁনী।
হেন ৰঙ্গ মনে প্ৰজা আজে সভা চানি।
আবে যদি যাওঁ মই কুমাৰক ল'ই।
ৰামৰ সভাত তেবে কি কৰিবোঁ গাই।৫৭৮
নৰ নাৰী মোহোক হাসিবে মুখ চাই।
আমাৰ মাজত ফুৰে মুনিস বোলাই।
গৰ্ব্ব ভাঙ্গিলেক জানো নাগগণে পাই।
কুমৰকো জানো আনিয়াছে পলুৱাই।৫৭৯
জানকীৰ আক লাগি কিছু দয়া নাই।
মুহি কিয় মানিলেক গোসাঁনিক পাই।
ইতো দুৰ্যশত কৰি মৰণেসে ভাল।
মাতৃ হুয়া তুলিয়ো মোহোৰ ভৈলা কাল।৫৮০

সত্য কৰি কহোঁ মাৰ তোমাৰ আগত।
জীবোঁ বা মৰিবো আজি নিশ্চয় মনত॥
হেন শুনি লব কুশে বুলিলা বচন।
আমাৰো নিশ্চয় শুনা পবন নন্দন॥৫৮১
ৰাঘৱৰ প্ৰিয় নাহি তোমাত অপৰ।
আত্মাতো অধিক মানি আছে ৰঘুবৰ॥
তুমি দেখো প্ৰতিজ্ঞা কৰিয়া আছা বড়।
আবে জানো অনৰ্থ ঘটিবে বহুতৰ॥ ৫৮২
সীতা গোসাঁনীকো জানো মিৰে নপাৰিবা।
প্ৰতিজ্ঞাত থাকি জানো তুমিয়ো মৰিবা॥
তোমাৰ মৰণ শুনিবেক ৰঘুবীৰ।
অবশ্যে মৰিব আত দৈবে বাধা নায়॥৫৮৩
ভ্ৰাতৃও মৰিবে শুনি ৰামৰ মৰণ।
আমাৰ জীবনে তেবে কোন প্ৰয়োজন॥
তোমাৰ লগতে অগনিত ঝাঁপ কৰি।
সবে এক স্থান হৈবো যমৰ নগৰী॥৫৮৪
জানকী বোলন্ত মোৰ এ মন্দ কপালে।
কুবুত্ত বিধিয়ে জানো লিখিল কপালে॥
দুঃখৰ উপৰে দুঃখ আবাৰ মিলিল।
বিশিষ্ট জনাৰ পৰা অনৰ্থ ঘটিল॥৫৮৫

শুন লব কুশ বাপু শুন হনুমান।
মোক তোৰা নিয়া যবে ৰাঘৱৰ স্থান।
নপাইবা সন্তোষ কেহো জানিবাহা সাৰ।
তুমি সবে মোকে মাত্ৰ দুঃখ দিবা আৰ॥৫৮৬
ৰাম সমে আছে মোৰ বিয়োগ নিকাৰ।
তাক খণ্ডাইবাক আছে শকতি কাহাৰ॥
এতেকেসে বোলো মোক ক্ষমা কৰিয়োক।
দুঃখৰ উপৰি দুঃখ নেদিবাহা মোক॥৫৮৭
মাৰুতি বোলয় হেন বোলা কেনে আই।
তোমাক নিৰ্ব্বন্ধ কৰিবাক নুযুয়াই॥
অযোধ্যা যাইবাক প্ৰতি প্ৰাৰ্থি আছো মাত্ৰ।
মেৰু পৰ্ব্বতক কোনে উভাৰিবে পাত্ৰ॥৫৮৮
তোমাকেসে ক্ষমা হয় আমাক উচিত।
দাসৰ স্বামীক ক্ষমা শুনিতে কুৎসিত॥
এতেকেসে বোলো মাতৃ আমাক ক্ষমিয়ো।
যাইবা কি নযাইবা তাৰ নিশ্চয় কহিয়ো॥৫৮৯
সীতা বোলে বায়ুসুত শুনিযো বচন।
ভাল তই শ্ৰীৰামক কৰিছ সেবন॥
দুস্ত্যজ প্ৰাণৰো আশা এৰিয়া সম্প্ৰতি।
চিন্তি আছ মাত্ৰ তই ৰাঘৱৰ প্ৰীতি॥৫৯০

ৰামৰ পাশক এতিক্ষণে চল তয়।
পাছতে যাইবোহোঁ মই নাহিকে সংশয়॥
যি পথে আসিলো মই সি পথে চলিবোঁ।
ৰামক প্ৰণামি পুনু ইথানে আসিবোঁ।৫৯১
মাকতি বোলয় ইতো বচন তোমাৰ;
পাথৰৰ ৰেখা হেন জানি আছোঁ সাৰ।
এতেকে থাকোক লৱ কুশো তব সঙ্গে।
একে লগে তিনি হন্তে যাইবা মনৰঙ্গে।৫৯২
যেহি দিনা ময় অযোধ্যাক পাঁও যাই।
সেহি দিনা তোমাক দেখিবে লাগে আই।
জানকী বোলন্ত ময় তোহোৰ পাছত।
সেহি দিনা সভা মাঝে হৈবোঁহো বেকত।৫৯৩
বুলিলোঁ নিশ্চয়ে আত শঙ্কা নকৰিয়ো।
দিলোহোঁ বিদায় তুমি এখনে চলিয়ো।
শুনি মাকাতয় ভৈল হৰিষ মনত।
পড়ি প্ৰণামিলা গোঁসানীক চৰণত।৫৯৪
কৰযোড়ে হনুমন্তে বুলিলন্ত বাক।
জন্মে জন্মে মাৱ দাস নেড়িবা আমাক।
শ্ৰীৰামৰ দাসোৰত্তি হোক মোৰ কায়া।
যুছিবাক নপাৰোক মোক জান মায়া।৫৯৫

এহি বুলি মহাবীৰ পৱন নন্দন ।
লৱ কুশ দুই ভাইক কৰিলা বন্দন ॥
বসুমতী দেৱীকে পড়িয়া নমিলন্ত ।
কৃতাঞ্জলি নম্ৰ হুয়া বীৰে বুলিলন্ত ।৫৯৬
শুনা মাই ৰামৰ আজ্ঞাত আসিছিলো ।
তোমাক অযোগ্য বাণী বিস্তৰ বুলিলোঁ ॥
ইদোষ ক্ষমিবে যোগ্য হোৱয় তোমাৰ
যিহেতু জননী তুমি আমি সবাকাৰ ।৫৯৭
বালকে মাতৃৰ যদি অপৰাধ কৰে ।
কেসানি জননী তাৰ অপৰাধ ধৰে ॥
পৃথিবী বদন্তি বাপু কিছু দোষ নাই ।
বিলম্ব নকৰি চল শ্ৰীৰামৰ ঠাই ।৪৯৮
তোহোৰ স্বভাবে মোক কৰিলে সন্তোষ ।
তোক যিতো মযে তাহো মধাবৰোঁ দোষ ॥
সপুত্ৰে সীতাক পাছে প্ৰদক্ষিণ কৰি ।
অযোধ্যাক যাইতে মনে মহাবীৰ হৰি ।৫৯৯
পাছ ভৰি লড়িলা লোতক ভৈল ৰাজ ।
মাৰুতিৰ ভক্তি দেখি দেৱৰ সমাজ ॥
ভৈলন্ত বিস্ময় সবে তবধ নয়ন ।
মাৰুতিক বুলিলন্ত প্ৰশংসা বচন ।৬০০

ধন্য ধন্য বীৰ এহেঁ বায়ুৰ নন্দন।
ইমত ভকতি যাৰ দেবীৰ চৰণ॥
ইতিনি ভুবনে যাৰ সম বীৰ নাই।
গোসাঁনীক বশ্য কৈল যাহাৰ সেবাই॥৬০১
তাহান মহিমা যশ কোনে পাৱে অন্ত।
সাধু সাধু বীৰ শিৰোমণি হনুমন্ত॥
যাৰে চন্দ্ৰ দিবাকৰ কীৰিত্তি বহিল।
এহিমতে সভাসদে প্ৰশংসা বুলিল॥৬০২
পুনু পুনু নমি হনু দেবীৰ সমাজ।
নিমিষেক ভৈলা পুৰী দুৱাৰৰ বাজ॥
মাৰুতিক দেখি নাগ সৰ্পে ভয় পাই।
লৰড়ি পলাইল সবে পাছুক নচাই॥৬০৩
সিসবক নিৰ্ভয় বোলন্ত নিবেচাই।
যেহি যেহি সব ভয়াতুৰ প্ৰাণী পাই॥
সিসবেও দেশে দেশে যশস্যা ঘুষিল।
সাতো পাতালৰ লোকে শুনি তৰাসিল॥৬০৪
পবন সঞ্চাৰে পাছে পবন কুমাৰ।
অস্তাচল গিৰিত ভৈলন্ত পৰোসাৰ॥
মাৰুতিৰ বাৰ্ত্তা জানিবাক বধু পতি
পঠাইল অঙ্গদ সমে নীল সেনাপতি॥৬০৫

তথায়ে পাইলন্ত লাগ পবন কুমাৰ ।
অঙ্গদে পুছিলা তান্ত যত সমাচাৰ ॥
মাৰুতি বোলয় বাপু শুনা যুৱৰাজ ।
সেনাপতি সমে যাহা ৰামৰ সমাজ ॥৬০৬
মোক লাগি জানো সবে চিন্তাকুল মতি ।
খেদ কৰি আছে জানো প্ৰভু ৰঘুপতি ॥
খেদচাড়ি প্ৰভু থাকন্তোক ৰঙ্গমনে ।
নকৰিবে চিন্তা কিছু সূৰ্য্যৰ নন্দনে ॥৬০৭
সৰ্ব্ব সুমঙ্গল কাৰ্য্য ৰামৰ কৃপাত ।
পুত্ৰ সমে গোসাঁনিক দেখাবোঁ সভাত ॥
কতিপয় দিনে ময় পাইবোঁ সেহি ঠাই ।
এখণে চলিয়ো বিলম্বত কাৰ্য্য নাই ॥৬০৮
শুনি যুৱৰাজ নীল সমে চলি গৈলা ।
শ্ৰীৰামৰ সভা মাঝে উপস্থিত ভৈলা ॥
দণ্ডৱতে শ্ৰীৰামক কৰি নমস্কাৰ ।
কৃতাঞ্জলি বুলিলন্ত বালীৰ কুমাৰ ॥৬০৯
শুনা প্ৰভু মাৰুতিৰ বাৰ্ত্তা সুমঙ্গল ।
গোঁসানী নিকটে আসি আছে মহাবল ॥
লব কুশ কুমৰকো আনি আছে সঙ্গে
মাতৃৰ লগত আছিলেক দুয়ো ৰঙ্গে ॥৬১০

শুনি সমজ্যাৰ মহা উৎসব মিলিল।
মৃতকৰ মুখে যেন অমৃত পড়িল॥
বোলে সবে সাধু সাধু বীৰ বায়ুসুত।
কৰিলা দুস্কৰ কৰ্ম্ম কিনো অদভুত॥৬১১
দেৱতা বৰ্গেও যাক নপাৰে সাধিত।
হেনকি কৰ্ম্মক আনে পাৰয় কৰিত॥
জগত ঈশ্বৰ ৰাম যদ্যপি হোৱয়।
সীতাৰ বিয়োগ দুঃখ তভো পায়াছয়॥৬১২
অদ্ভুত-মহিমা কিনো শ্ৰীৰাম দাসৰ।
কীৰিতি ৰহিল যাৱে চন্দ্ৰ দিবাকৰ।
চিৰঞ্জীৱ হোক বাপু বায়ুৰ কুমাৰ।
কিনো আনন্দক দিলা হৃদয়ে আমাৰ॥৬১৩
সীতা আসিবাৰ বাৰ্ত্তা সৰ্ব্বজনে পাইল।
আনন্দে আকুল হুয়া সমজ্যাক আইল॥
পুৰিল বিদিশ দিন প্ৰজাৰ আৰাৱে।
পথত ধাহান্তে কতো বস্ত্ৰ পিন্ধে গাৱে॥৬১৪
বিপৰ্য্যয় কৰি পিন্ধে বস্ত্ৰ অলঙ্কাৰ।
গৃহকৰ্ম্ম সকলো কৰিয়া পৰিহাৰ॥
লৰৰঙ্গে চলে অন্যোঅন্যে পেড়িয়াই।
শীঘ্ৰ কৰি আইস কৈকেয়া আৰু বাপু ভাই॥৬১৫

পেসী মাসী ননন্দিনী আইস শীঘ্র কৰি।
জানকী গোসাঁনী আসে দেখোঁ নেত্র ভৰি।
পুহাইল ৰজনী ভৈল সুদিন উদয়।
গোসাঁনীৰ বিয়োগে দুঃখৰ ভৈল ক্ষয়। ৬১৬
যিতো শাস্ত্রী সবে গৃহ বাজক নযাই।
সিসবেও কৌতুহলে লৰড়িয়া যাই॥
খোড়া কণা সবে শুনি হেনয় বৃত্তান্ত।
যাইবাক লাগিয়া একো উপায় নপান্ত। ৬১৭
গৃহতে থাকিয়া সিতো সবে পেড়িয়াই
মোক লৈয়া যায়ো বাপ ককা খুড়া ভাই॥
তাসম্বাৰ কথাক নুশুনে কেহোঁজন
অযোধ্যানগৰী ভৈলা উত্তাৰল মন। ৬১৮
খোড়াক নিকটে অন্ধ কহে হেন বাক।
জানকী গোসাঁনী শুনো আসিবে সভাক॥
দুয়ো মিলি হেন বুদ্ধি কৰোহোঁ এখন।
মোহোৰ কান্ধত তুমি কৰা আৰোহণ। ৬১৯
তোমাৰ নয়ন হৈব মোহোৰ চৰণ।
এহিসে উপায়ে বস্তু হৈবেক পুৰণ॥
পঙ্গুত পঞ্চাশ বুদ্ধি অন্ধকত শত।
উভয় বুদ্ধিত সিদ্ধি কৈল অভিমত। ৬২০

অন্ধকৰ কান্ধে চড়ি পঙ্গুৱা চলয়।
এহিমতে পাইলা যাই ৰামৰ আলয়॥
নাহি হেন কোন প্ৰাণী গৃহত ৰহিল।
অযোধ্যানগৰ সৰ্ব প্ৰজায়ে ভৰিল॥৬২১
আকাশ ঢাকিল আসি দেৱৰ বিমানে।
নানা বিধ দেৱবাদ্য বাজে স্থানে স্থানে॥
পাছে মাৰুতিয়ো যাই সভাত মিলিল।
শ্ৰীৰামৰ চৰণত পড়ি প্ৰণামিল॥৬২২
শ্ৰীৰামে বোলন্ত উঠ পৱন কুমাৰ।
তোক দেখি চিত্ত আবে জুড়াইল আমাৰ॥
কিবা ভাল মন্দ মোত কহিয়ো সত্বৰ।
মাৰুতি বোলয় প্ৰভু শুনা ৰঘুবৰ।৬২৩
তুমি যাত তুষ্ট তাৰ কিবা অকুশল।
যৈকে যাই তৈতে তাৰ মহা সুমঙ্গল॥
তোমাৰ কৃপাত মাত্ৰে। বিনৰ চড়াই।
প্ৰথমতে যমপুৰৰ প্ৰবেশিলোঁ যাই।৬২৪
গোসাঁনীৰ উদ্দেশ নপাইলো কিছু তাত।
পাছে প্ৰবেশিলো যাই অনন্ত সভাত॥
অনন্তৰ আজ্ঞা পাই বিচাৰিলো তথা।
ভুৱনেশ্বৰী দেৱীৰ নকৈলো কেহোঁ কথা॥৬২৫

জলে স্থলে সেহি সেহি ৰূপে বিচাৰিলো।
তাতো গোসাঁনীৰ কিছু বাৰ্ত্তা নলভিলো।
পাতালত প্ৰবেশিলো সৰ্পৰ নিলয়।
কোনোজনে গোসাঁনীৰ বাৰ্ত্তা নকহয় ।৬২৬
ৰসাতল বিবৰতো পশিলোহোঁ পাছে।
নিবাত কবচ দৈত্যগণ তৈত আছে।
সেহি ৰূপে সেহি ভাযা ধৰিয়া তথাই।
মহাতলে বিচাৰিলোঁ বাৰ্ত্তাক নপাই ।৬২৭
নাগৰ নিলয় বিষ জ্বালায়ে ব্যাপিত।
কাহাৰ শকতি সিতো স্থানে প্ৰবেশিত।
পৰম সুন্দৰী প্ৰায়ে নাগিনী সকল।
পূৰ্ণচন্দ্ৰ সম দেখি বদন মণ্ডল ।৬২৮
ৰূপে গুণে অপসৰাগণ আছে জিনি।
ক্ষণাতেসে মাত্ৰ নাগকন্যা যেন চিনি।
দশ বাৰ বৎসৰৰ কন্যাগণ যত।
ঊৰ্দ্ধগতি কৰি যায় ধৰি দৃঢ় ব্ৰত ।৬২৯
তান্খাত পুছিলোঁহোঁ অৱনত কাই।
তুমি সব ব্ৰত ধৰি কৈক যাহা আই।
কন্যাগণে বোলে যাইবোঁ গোসাঁনীৰ পাশে।
আপোনাৰ ইচ্ছা বৰ সাধিবাক আশে ।৬৩০

অসংখ্যাত দেবী সব আছে ঠাই ঠাই।
কতো সিদ্ধি পাই কতো সবে নাহি পাই॥
সিথানতো ভালমতে চাৰিয়া চাইলোঁ।
একোমতে জানকীৰ বাৰ্ত্তাক নপাইলোঁ॥৬৩১
তলাতল সুতলতো বিচাৰি নপাই।
তাৰ উৰ্দ্ধে বিতলত প্ৰবেশিলোঁ যাই॥
অসংখ্যাত দেবী আছে সবে চতুৰ্ভিতা।
মনত চিন্তিলো এথা আছে দেবী সীতা॥৬৩২
একহি দেবীৰ যাই দ্বাৰত ৰহিলো।
দ্বাৰীৰ আগত মই বহুত কান্দিলো॥
দ্বাৰীয়ে শুধিলে কি কাৰণে কান্দা আই।
মই বোলো মোৰ কথা শুনিয়ো আতাই॥৬৩৩
বৰ সাধিবাক লাগি আসিছো ইঠাই।
মোৰ সম দুৰ্ভাগিনী কোন স্থানে নাই॥
যৈকে যাওঁ তৈতে লোকে নেদে কেহো দ্বাৰ।
এতেকসে কান্দো কত ভুঞ্জিয়া নিকাৰ॥৬৩৪
অনুগ্ৰহ কৰা মোক অভ্যন্তৰে যাওঁ।
তোমাৰ কৃপাত কিবা বাঞ্ছা সিদ্ধি পাও।
দ্বাৰী বোলে চাপি আইস ৰহিবো নিশ্চয়।
ইসবক সেবি একো ফল নপাৱয়॥৬৩৫॥

নিশ্চয়ে আসিছ যদি সাধিবাক বৰ।
তেবে চলি যাস তয় অতল বিবৰ।
ব্ৰতেশ্বৰী নামে তাত আছে এক দেবী।
যেই যেবা বাঞ্ছে তাক পায় তাঙ্ক সেবি।৬৩৬।
শুনি তৈৰপৰা মই কৰিয়া সম্ভ্ৰৱ।
ঊৰ্দ্ধগতি কৰি পাইলোঁ অতল বিবৰ।
এক বৃদ্ধা নাৰী পুছিলেক মোক চাই।
কৈৰ কন্যা কিবা হেতু আসিছ ইঠাই।৬৩৭।
মই বোলো স্বৰূপ কহিলো শুনা আই।
সীতা নামে দেবীক ফুৰোহোঁ মই চাই।
প্ৰাণ সখা মোৰ স্নেহে মাতৃতো গাৰষ্ট।
তাহাঙ্কে বিচাৰো নাহি অপৰ বিশিষ্ট।৬৩৮।
গৃহস্থিনী বোলে মই পাৰো কহিবাক
সীতাৰ দোহাই দিয়া কৈতে দিছে হাক।
দেবীত সাধিতে বৰ ঋীৰ খানি গৈল।
দ্বাৰক নিবদ্ধ কৈল ভিতৰতে ৰৈল।৬৩৯।
শুনাই সুধিলো মই সি নাৰীক চাই।
কি কাৰণে দ্বাৰ বন্ধ কৰিলেক আই।
গৃহস্থিনী বোলে শুন কহোঁ গোপ্য কৰি।
হনুমন্ত নামে শুনো আছে এক হৰি।৬৪০।

মহাবলি ত্ৰিভুবন বিজয়ী প্ৰচণ্ড।
একেশ্বৰে লঙ্কাক কৰিল খণ্ড ভণ্ড।
তাৰ অবিদিত নাই ইতিনি ভুবন
অবাধিত গতি সিতো পবন নন্দন।৬৪১।
সীতা বিচাৰিতে তেহোঁ আসিছে ইঠাই।
তাৰ ভয়ে সীতা দেবী আছয় লুকাই।
মই বোলো তেহোঁ মোৰ সখী নাহি হয়
যাৰ কথা কহ তুমি তাক্কে জানো ময়। ৬৪২।
বিদেহ নন্দিনী তেহেঁ জানিবা নিশ্চয়
ধনু ভাঙ্গি ৰামচন্দ্ৰে বিহা কৰিচয়।
স্বামীত কৰিয়া ৰোষ আসিছে ইঠাই।
মোহোৰ সখীৰ পুত্ৰ কীব কিছু নাই ৬৪৩।
যাক বোলে হনুমন্ত তাৰো জানো কথা
বজ্ৰনেমী ৰাক্ষসে মাৰিলে পাই এথা
গৃহস্থিনি বোলে মিছা তোহোৰ বচন
তাহাক মাৰন্তা নাই ইতিনি ভুবন।৬৪৪।
যদি সত্য কহি আছ দেখাৱে প্ৰমাণ
শীঘ্ৰ কৰি চল মৰি আছে কোন স্থান।
মই বোলো আত কিছু না হকে সংশয়
সুখিকে ৰিপুৰ চুল দেখাইবো প্ৰত্যয়।৬৪৫।

শুনিয়া অনেক প্ৰজা তেখনে লড়িল ।
আগ ভৈলো মই সবে পাছত চলিল ॥
মোৰ মায়া ৰূপক দেখিলে সবে যাই ।
বসুমতী দেবীও প্ৰত্যয় গৈল চাই ।৬৪৬।
আনন্দিত হুয়া পাছে দ্বাৰক মেলিল ।
পূৰ্ব্বৱত আয়াযাত সবেও কৰিল ॥
মই শীঘ্ৰ গৈয়া পাইলো দ্বাৰৰ ওচৰ ।
কন্যাগণ সহিতে পশিলো অভ্যন্তৰ ।৬৪৭।
বিদ্যাবিলাসিনী পুৰী অতি বিতোপন ।
বৰাহ বিষ্ণুৰ সিতো ক্ৰীড়াৰ ভুবন ॥
অধে ঊৰ্দ্ধে ডাঠ হয় পঞ্চ হাজাৰৰ ।
মধ্যত প্ৰকাশে দিব্য পুৰী মনোহৰ ।৬৪৮।
সবাৰে অগম্য সিতো আছিল পূৰ্ব্বত ।
আবে ব্যক্ত ভৈল গোসাঁনীৰ প্ৰসাদত ॥
সাতো পাতালৰ লোকে বৰ সাধে যাই ।
দেবীৰ প্ৰসাদে সবে বাঞ্ছা সিদ্ধি পাই ।৬৪৯।
গোসাঁনীক দেখি ৰোমাঞ্চিত ভৈল গাৱ ।
অলক্ষিত বেগে পড়ি প্ৰণামিলো পাৱ ॥
কৰিলো বিস্তৰ স্তুতি গুণক বৰ্ণাই ।
তুষ্ট হয়া মুনিবেক ব্ৰতেশ্বৰী আই ।৬৫০।

সত্যে বোলো তোৰ যেহি বাঞ্ছা সেহি হোক।
বৰ দিয়া তেতিক্ষণে বাহিৰাইল মোক॥
লব কুশ দুই ভাই স্তুতিতে জানিল।
সঙ্কেত কৰিয়া জানো দেবীত কহিল॥৬৫১॥
পাছে গোসাঁনীৰ বাক্যে দ্বাৰ নিবোধিল।
নাগৰাজাগণ বাহিৰত ৰক্ষা দিল॥
অহঙ্কাৰ কৰি নাগগণে বেলে বাক।
কৈৰ হনুমন্ত কোনে দেখাইবে আমাক॥৬৫২
বানৰ সহিতে যুদ্ধ অতি বৰ লাজ।
শুনিয়া হাসিব যত নাগিনী সমাজ॥
হেন শুনি মোৰ যদি উপজিল ক্রোধ।
কপি বেশ ধৰি তভো বুলিবো প্রবোধ॥৬৫৩॥
ক্রুৰ সর্প জাতি আৰো বোলয় দুর্ব্বাক।
কোটি ব্রহ্মাণ্ডৰ পতি নগণে তোমাক॥
হেন দেখি মোৰ বড় উপজিল ৰাগ।
লাঙ্গুৰ প্রহাৰে ভঙ্গাইলোহো যত নাগ॥৬৫৪।
নানা বিকর্থনা কৰি বলক মর্দ্দিলো।
ব্রহ্ম সৃষ্টি জানি আক প্রাণে নবধিলো॥
বীৰৰ দ্বাৰৰ সমীপক পাছে যাই।
অনেক গর্জ্জিলো বসুমতীক শুনাই॥৬৫৫॥

ভয়ে বসুমতী আসি মোক দেখা দিল।
বুলি প্ৰিয় বাণী দ্বাৰ সুকুত কৰিল।
মাতৃৰ আদেশে লৱ কুশ আসি ভৈল
দুইহন্তে আশ্বাস কৰি মোক লৈয়া গৈল।৬৫৬॥
মহাৰঙ্গে যাই পাছে সভাত পশিলো
গোসাঁনীৰ সম দেবী সুন্দৰ দেখিলো
মোহোক বঞ্চিতে দেবী কপট কৰিল
গোঁসানীক নেদেখিয়া চেতন হৰিল।৬৫৭॥
ময়ো শৰীৰক প্ৰতি এড়িলোঁ হে আশ
অগনি জ্বালিলো কৰিবাক লাগি ঝাস।
দেখিয়া গোঁসানী পাছে মোক দেখা দিলা।
সুমধুৰ বাক্যে দেবী মোহোক বুলিলা।৬৫৮
মই বোলো মাতা যদি উচিত বুলিছা।
বিচাৰি চাহিলে তুমি মোকেসে ভাণ্ডিছা।
সত্য কৰি বাঞ্ছিত বৰক দিয়া আছা।
অযোধ্যাক যাইবা তুমি এহি মোৰ বাঞ্ছা।৬৫৯
অন্য ইচ্ছা নাহি মোৰ কহিলো সভাত
অন্যথা অগ্নিত পড়ি মৰিবোঁ সাক্ষাত।
জীবোঁবা মৰিবোঁ আজি কৈলোঁ সত্য বাক
যাইবা কি নাযাইবা মাৰ কহিয়ো আমাক।৬৬০

মোহোৰ সত্যৰ আজি দেখাওঁ প্ৰমাণ
ঝাণ্ট কৰি মাতা মোক দিয়ো সন্নিধান॥
গোঁসানী বুলিল শুন পবন তনয়।
ভালে শ্ৰীৰামৰ পদ সেবি আছ তয়॥৬৬১
প্ৰাণকো উৎসৰ্গি চিন্ত ৰামৰ হিত
তোমাৰ সমান ভক্ত নাহি পৃথিবীত॥
লবকুশ সমে তুমি অযোধ্যাক যাহা।
সেহিস্থানে সবেও মোহোক দেখিবাহা॥৬৬২
মনত শঙ্কিয়া লবকুশকো নানিলোঁ।
গোঁসানীৰ সঙ্গে থৈই একলে আসিলোঁ॥
মাৰুতি কহিলা কথা প্ৰপঞ্চিয়া যত।
বিস্ময় আনন্দ শুনি সবাৰো মনত॥৬৬৩
সেহি বেলা বাসন্তিক পবন বহিল।
সবাৰো মনত নহা আনন্দ জন্মিল॥
ৰামৰ সভাত দিব্য পুষ্প বৃষ্টি ভৈল।
মন্দ মন্দ পয়োধৰে গৰ্জিবাক লৈল॥৬৬৪
সভা চাৰি গিড় গিড় শবদ বাজিল
ঠাৎকাৰ শব্দ কৰি ধৰণী ফাটিল॥
ৰত্নময় বিমানেক ওলাইলেক পাছে।
দ্বীতিয় মাৰ্ত্তণ্ড যেন প্ৰকাশন্ত আছে॥৬৬৫

অদ্ভুত বিমান উপমাৰ নাহি ঠাই।
অসংখ্যাত নাগনাৰী গীত বাদ্য বাই।
বিমানৰ মাঝে দিব্যৰত্ন সিংহাসন।
প্ৰকাশন্তে আছে তাত মহা ৰত্নগণ।৬৬৬
লব-কুশ সমে তাত আছে দেবী সীতা।
যোগানে আছয় নাগনাৰী চতুৰ্ভিতা।
মেঘ এৰি বাঝ ভৈল যেন দিবাকৰ।
দেখিলেক পাছে সভাসদ নিৰন্তৰ।৬৬৭
কৰে জয় জয় ধ্বনি আনন্দে ভৰিল।
আকাশ চানিয়া দেবে পুষ্প বৰষিল।
বিদুৰৰ হন্তে সীতা স্বামীক দেখিল।
দগ্ধ শৰীৰত যেন অমৃত পৰিল।৬৬৮
ৰোমাঞ্চিত তনু নেত্ৰে লোতক ঝৰয়।
আনন্দ সাগৰে মজি প্ৰফুল্ল হৃদয়।
পাছে সীতা দেবী সিংহাসনৰ নামিল।
পুত্ৰ সমে গৈয়া ৰাম চন্দ্ৰক নমিল।৬৬৯
বুলিল বিনয় বাণী শুনা প্ৰাণ স্বামী
কতবা জন্মত দুঃখ সাক্ষি আছো আমি।
সিকাৰণে তুমি হেন স্বামী হৰুয়াই।
পাতাল পুৰত দুষ্ট দৈবে দিলে ঠাই।৬৭০

তোমাৰ প্ৰশংসা গুণ শুনিবাক প্ৰতি।
কুবুদ্ধি বিধাতা ঐত নিদিল বসতি॥
তথাপিতো সত্য কহোঁ শুনা প্ৰভু স্বামী।
পাতালতো তোমাকেসে চিন্তি আছো আমি॥৬৭১
তোমাৰ চৰণ দুই হৃদয়ত ধৰি।
সদায় বঞ্চিবো হেন আছো আশা কৰি॥
ধৰ্ম্মক স্থাপিতে তুমি ভৈলা অবতাৰ।
দুৰ্জ্জনক বিনাশি হৰিলা ভূমি ভাৰ॥৬৭২
অনিত্য বিষয় সুখ লোকত দেখাই।
তেজিলা মোহোক জনা অপবাদ পাই॥
ধৰিবাহা ব্ৰহ্মচাৰ্য্য অতি কষ্ট ব্ৰত।
তোমাৰ ব্ৰতৰ মই ভৈলো অনুগত॥৬৭৩
তুমি আমি ভুঞ্জিবাক বিষয়ৰ ভোগ।
ইতো অবতাৰত নোহোক আৰ যোগ॥
শঙ্কৰৰ ব্ৰত যদি তুমি কৰা নাশ॥
অধৰ্ম্ম আহৰি লোক হৈবেক বিনাশ॥৬৭৪
শ্ৰেষ্ঠ জনে যদি বেদ পাঠ অনাদৰে।
তাকে শ্ৰেষ্ঠ ধৰ্ম্ম বুলি ইতৰে আচৰে॥
বাস্তৱত তুমি সৰ্ব্ব গত সৰ্ব্ব স্বামী।
তোমাৰ উদৰে বাস কৰি আছো আমি॥৬৭৫

কুৎচিত বিষয় সুখে পশুহেসে ৰতি।
তোমাৰ ভৃত্যৰো তত নাহি হয় মতি।
তুমি কি ব্ৰহ্মাৰ দশিকাত হোৱাৰ
মনুষ্যৰ নাট্য মাত্ৰ কৰাহ সাক্ষাত ॥৬৭৬
আমাৰ তোমাৰ কিঞ্চিতেক নাহি ভেদ
লোক প্ৰবৰ্ত্তায় তথাপিতো কৰা খেদ।
দ্বাপৰ যুগৰ অন্তে কলৰ আদিত
হৈবা অৱতাৰ তুমি জগত তাৰিত ॥৬৭৭
বাসুদেব নাম হৈব লোকত প্ৰখ্যাত।
ৰাধা নামে মযো গোকুলত হৈবোঁ জাত ॥
কংসভয় ছলে তুমি গোকুলক যাইবা
তথাতে মোহোক প্ৰভু ভাৰ্য্যা কৰি পাইবা ॥
মিছা অপবাদে দুঃখ দিয়া আছা এথা।
পৰপূৰ্ব্বা মোক তেবে ভাৰ্য্যা পাইবা তথা ॥
দুৰ্জ্জনে তোমাৰ সিতো দুৰ্যশ কাৰব।
কিন্তু তাক গাই লোকে সংসাৰ তৰিব ॥৬৭৯
তুমি মাত্ৰ অযশ পাইলাহা হেন নয়
মোহোৰ দুৰ্যশ হৈব জানিবা নিশ্চয়।
দুইৰো দুইত অতিশয় প্ৰীতিক বঢ়াইবা
এহি বাসনাতে থাকি পুনু হৰুৱাইবা ॥ ৬৮০

যিতো যাক যেনমত কষ্টক দিৱয়।
সিতো সেহি কষ্ট জন্মান্তৰত লভয় ॥
যদ্য প ঈশ্বৰ তুমি জগত কাৰণ।
তথাপিতো তুমি হৈবা দুৰ্যশ ভাজন ॥ ৫৮১
পুনু অংশে জন্মিবোহো ভাস্কৰ আগাৰে।
তেবে সুৰসতি হৈব তোমাৰে আমাৰে ॥
ৰাঘৱৰ চিত্ত লক্ষি পুনুহোঁ গোঁসানী।
পতিব্ৰতা ধৰ্ম্মে থাকি বুলিলন্ত বাণী ॥ ৬৮২
যাৱে তুমি থাকা দাশৰথী বাদ ধৰি।
দিনে একবাৰে মই যাইবো সেৱা কৰি ॥
নিত্যক্রিয়া শেষ তুমি কৰা যেতিক্ষণ
আমিও আসিয়া সেৱা কৰিবো তেখন। ৬৮৩
তুমি লৱকুশ দুই পৱন নন্দন।
চাৰিত বিনাই নেদেখিব অন্য জন ॥
বাস্তৱতে তোমাৰ আমাৰ ভিন্ন নাই।
কেৱল কৰাহা খেদ লোকক দেখাই ॥ ৬৮৪
শুনিয়া সন্তুষ্ট ভৈল ৰাঘৱৰ মন।
জয় জয় ঘুষিলন্ত সভাসদ গণ ॥
প্ৰদক্ষিণে ৰামক কৰিলা নমস্কাৰ
ৰত্নগৰ্ভ বিন্যাকৃত ভৈলা পয়োসাৰ ॥ ৬৮৫

বিদ্যুৎ আকাৰ হুই পাতালক গৈল ।
পুনৰপি ভূমিখান পুৰ্ব্বৱত ভৈল ।
স্বপনৰ নিধি যেন জাগিলে নপাই ।
সীতাতো দৰ্শন জানা ভৈল সোহ প্ৰাই । ৬৮৬
হাহাকাৰ কৰে সবে অন্যো অন্যে চাই ।
সপোন কি সচেত প্ৰজ্ঞাৰ শ্ৰুতি নাই ।
সিদিনাৰ হন্তে পূৰ্ণকাম প্ৰভু ৰাম ।
বিৰহ দুঃখৰ কিছু পাইলা উপশাম । ৬৮৭
অলক্ষিত ৰূপে সীতা গোসানী আসয় ।
দিনে দিনে শ্ৰীৰামৰ চৰণ সেৱয় ।
ইতো কথা এহিমানে সমাপতি ভৈল ।
মাৰ্কণ্ডেয় ঋষি যুধিষ্ঠিৰ আগে কৈল । ৬৮৮
শুনা সভাসদ ইতো ৰামৰ চৰিত্ৰে ।
এহিসে কৰিবে ঘোৰ পাপত পবিত্ৰ ।
ভাঙ্গিলে ধৰ্ম্মৰ কলি চাৰিও চৰণ ।
ৰামৰ নামত ৰৈল পশিয়া শৰণ । ৬৮৯
ৰাম গুণ নাম যিতো জনে ফুৰে গাই ।
সমস্তে ধৰ্ম্মৰ ফল সিতো জনে পাই ।
অজ্ঞানীৰ বাক্যত প্ৰমাণ কোন যাই ।
লভিবা প্ৰমাণ গীতা ভাগৱত চাই । ৬৯০

আৰু নমানিবে আৰ কোননো বৰ্ব্বৰ।
বিতণ্ডা বাদীত পৰে জানা সাৰতৰ॥
কুতৰ্কীৰ তৰ্ক বাদে তেজিয়া আদৰ।
ৰাম নাম লৈয়া তৰা সংসাৰ দুস্তৰ॥৬৯১
দেখা মৰি গৈল কত জন ৰাজ্য কৰি।
তুমি সব থাকিবাহা জানা কি নমৰি॥
কাত গহ কৰি আছা প্ৰমত্তৰ নয়।
নাহি স্থিতি কোন দিনা অন্তকে ধৰয় ৬৯২
নাহকে তাৰন্তা যোৰ অন্তকৰ পৰা।
কোনো জন নাহি জানা অন্তকত ৰৰা॥
যাৰ নাম শুনি কালো কম্পে তৰতৰি।
তাহাতে শৰণ লৈয়া থাকা ৰঙ্গ কৰি॥৬৯৩
কৰযোৰে বোলো শুনা সভাসদ লোক।
পদত দুষণ দেখি নতক্কিবা মোক॥
ব্যাসৰ কবিতা আৰ অৰ্থ গুৰুতৰ।
তাত অধিকাৰ কিবা আছয় মুৰ্খৰ॥৬৯৪
হৰি গুৰু চৰণক ধৰি হৃদয়ত।
ৰচিলো পয়াৰ যেন বুঝিলোঁ মনত॥
প্ৰস্তাৰ বুঝিয়া কাব্যৰস দিলো যিবা।
অবিচাৰে তাত নিন্দাবাণী নুবুলিবা॥৬৯৫

ব্যাস বাল্মীকিও বুঝি কথাৰ প্ৰসঙ্গ।
ঠাই ঠাই কাব্যৰস দেন্ত কৰি ৰঙ্গ॥
যদি নিন্দা বোলা তাত মোৰ নাহি কষ্ট।
নিন্দা বুলি তুমি সব হোৱা মাত্ৰ তুষ্ট॥৬৯৬
তোমাসাৰ স্বাৰ্থহানি মোৰ পাপ নষ্ট।
ইহাক নজানে যিতো সিসে পাৱে কষ্ট॥
অযত্নত যদি বা স্বাৰ্থৰ সিদ্ধি হয়।
তাতে তুৰিতৰ যদি মিলয় প্ৰলয়॥৬৯৭
তাত নিন্দা বুলি কোন ক্ৰুৰ মন্দমতি।
উপকাৰ নজানিয়া যাইবে অধোগতি॥
ইকথ চাড়িলো আৰ শুনা বুদ্ধ লোক।
মহামূঢ় জানি দোষ ক্ষমিবাহা মোক॥৬৯৮
কৃষ্ণৰ কিঙ্কৰ বড়ভক্ত বংশে জাত।
অল্পমতি ৰঘুনাথ নামত বিখ্যাত॥
অদ্ভুত কাণ্ডৰ কথা অতি মনোহৰ।
তাৰ পদ নি ভুট হোৱা নিৰন্তৰ॥৬৯৯
নমো নমো ৰাম ভকতৰ ভয় হৰ।
ইবাৰ করুণাময় ভব দুৰ কৰ॥
শুনি আছো তযুনাম পতিত পাৱন
তাৰিবা বুলিয়া মঁয়ো পশিলো শৰণ॥৭০০

অজামিল বিপ্ৰক তাৰিলা সত্য হয়,
মোৰ মনে প্ৰভু তাতো সংশয় আছয়।
ব্ৰাহ্মণ তনুয়ে পুণ্য বিশেষ সঞ্চিল
সেহি পণ্য হন্তে নাম মুখত আসিল।৭০১
সমস্তে পাপত তৰি মুকুতি লাভিলা
পতিত পাৱন নাম এতেকে ধৰিলা।
জন্মে জন্মে আছো ময় মহাপাপ কৰি
এতেকে মুখত মোৰ নাসে ৰাম হৰি ৭০২
তোমাৰ চৰণে আবে পশিলো শৰণ।
পৰীক্ষিয়ো মোত নাম পতিত পাৱন।
নকৰিবা উপেক্ষা মোক দাস বুলি ধৰা।
দুৰ্ঘোৰ সংসাৰময় দুঃখ দুৰ কৰা।৭০৩
তুমি কৃপাময় হৰি জগতে বিখ্যাত।
এতেকে ভৰসা মই কৰিছো তোমাক।
হে কৃপাময় কৃষ্ণ দয়াময় হৰি।
হেন কৃপা কৰা মাগো চৰণত ধৰি।৭০৪
অহর্নিশি মুখে ৰৌক তযু গুণ নাম।
সজ্জনৰ সঙ্গ নচাৰোক অবিশ্ৰম।
এহি মানে সাধো নমাগোঁহেঁ আনকাম।
কহে ৰঘুনাথে সবেবোলা ৰাম ৰাম।৭০৫। *।

তলত লিখা কিতাপ বিলাক আমালৈ লিখিলে পাব

কীৰ্ত্তন ঘোষা পকাবন্ধা	২॥০	বৃহৎ বৈদ্য সাৰ নিদান
ঐ কেছাবন্ধা	২৲	পাতালী কাণ্ড ৰামায়ণ
বঘাসুৰ বধ পৰ্ব্ব	২৲	গুপ্তমণী
কুলাচল বধ পৰ্ব্ব	১॥০	কলঙ্ক ভঞ্জন
ভক্তিৰত্নাবলী	১৲	মনোহৰ কুঁমক
ভক্তি প্ৰেমাৱলী	১৲	অমূল্য ৰত্ন
সিন্ধুৰা পক	১৲	পদ্ম পুৰাণ
দশম স্কন্ধ ভাগৱত	[illegible]	[illegible] পুৰাণ
ঐ পকাবন্ধা	২৲	বড় কৰতি
শঙ্খচুৰ বধ	১॥০	বৰ বেজালী
ৰুক্মিণী হৰণ	[illegible]	সুৱনা বধ পৰ্ব্ব
কমৰ হৰণ	[illegible]	পদ্মা চৰিত
উষা হৰণ	[illegible]	বেদস্ব পুৰাণ
ৰাধা হৰণ	[illegible]	আইনাম
পাৰিজাত হৰণ	[illegible]	[illegible]
শিশুপাল বধ	[illegible]	[illegible]
মহীৰাৱণ বধ	[illegible]	নামতী আই
বৰগীত গুণমালা ভটিমা	[illegible]	

ভট্টাচাৰ্য্য এজেন্সী।

পোঃ আঃ-বিহাৰাৰী,